# ককাদেউতাৰ হাড়

(১৯৭৫ চনৰ সাহিত্য একাডেমি বঁটাপ্ৰাপ্ত উপন্যাস)



Karen Bower

নৱকান্ত বৰুৱা

দেউতা

নীলকান্ত বকবৰাৰ

পৱিত্ৰ স্মৃতিত

'পলাশৰ জুই নুমাল এতিয়া। শাল আৰু চতিয়ন
বনত মানৰ দিনত অতীত বহাগৰ ধুমুহাৰ।
কিমান সপোন সৰি গ'ল তাৰ কোনে ৰাখে খতিয়ন:
কলং কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়।
বুঢ়ী আইতাৰ কলিজাৰে গজে বন নহৰুৰ ফুল'॥

# ১

অৱশেষত আইতাক কথাটো ক'বলৈ ময়েই ওলালোঁ। আমাৰ শ্ৰীমতীৰ মনেৰে হেমন্তহঁত ইতিমধ্যে বহুত আগবাঢ়িছে। নমিতাক দেখিলে তেওঁৰ হেনো জা-ক যেন লগা হ'লেই। সিহঁত দুটা বেচ মিলিব বুলিয়ে মোৰো ধাৰণা। পিচে খোজা-বঢ়াকৈ ছোৱালী অনাটোৱেই আমাৰ পৰিয়ালত এতিয়াও চলি আছে আৰু আইতাই আমাৰ ঘৰৰ ঘাই ধৰণী। আইতাৰ সন্মতি নোহোৱাকৈ কোনো কাম কৰাটো আমাৰ পাৰিয়ালত হোৱা নাই, এনেও নহয়, কিন্তু আইতাই 'তহঁতে ভাল দেখিছ যেতিয়া কৰ' বুলি চাল-মোহৰ মাৰি নিদিয়ালৈকে আমাৰ মনে খুতখুতাই থাকে। আইতা যেন আমাৰ কমনওৱেলথৰ ৰাণী, কোনো কথাত পোনপটীয়া অংশ নলয়——অথচ সন্মতি নিদিলেও আইন হব নোৱাৰে। গতিকে আইতাৰ অনুমতি অনাৰ অৰ্থাৎ কথাটো আইতাক জনোৱাৰ উদ্দেশ্যেৰে নগাঁৱলৈ গ'লোঁ।

বাছখন নগাওঁ পাওঁতে বেলি লহিয়াইছে। [illegible]আবে নগৈ জঙঘলী মিস্ত্ৰিৰ ঘাটৰ কাষৰ নিজঞ্জাল বাটটোৰে আগবাঢ়িলোঁ। কলংখন ইমান ওচৰৰপৰা বহুত দিনৰ মূৰত দেখিলোঁ। ইমান যে খীণাইছে! ল'ৰাকালত এইখিনিতে কলংখন সাঁতুৰি পাৰ হওঁতে ইমান বহুত যেন লাগিছিল, ইমান ভাগৰ লাগিছিল? ঘাটৰ ওচৰৰে ঘুলিটোলৈ আমি বৰ ভয় কৰিছিলোঁ। আমাৰ দলৰ নলিনেহে একমাত্ৰ একে ডুবতে ঘুলিটো পাৰ হব পাৰিছিল। এতিয়া ডুব মৰা দূৰৰ কথা, কাছ সাঁতোৰ দিয়াৰ জোখাৱেই পানী নাই চাগৈ। পানীত ক্ষীণ সোঁত এটা গম পায় কেৱল উটি যোৱা মেটেকাবোৰৰ পৰাহে।

ৰাতি ভাত পানী খাই আইতাৰ আগত কথাটো উলিয়ালোঁ। আইতাৰ প্ৰতিক্ৰিয়াটোৰ বাবে মই সমূলি প্ৰস্তুত নাছিলোঁ।

"সেই ঘৰৰ ছোৱালী নানিবি বোপাই" আইতাই ক'লে। মই অলপ থমক খাই ৰলোঁ। "কিয় আইতা, ঘৰখনচোন বেচ ভাল। পুৰণি পৰিয়াল। গুৱাহাটীত কেবা পুৰুষো আছে। আৰু নমিতাকচোন তুমি দেখিছাও, পোনাৰ বিয়াত যে আহিছিল। ছোৱালীজনীৰ কিবা খুত আছে জানো? আমাৰ হেমন্তৰো মন—মিলিবও।" মই একেটা উশাহতে গোটেই কথাখিনি কোৱাদি ক'লোঁ।

"নমিতা ছোৱালীজনী ভালেই চাগৈ"। পোনাৰ বিয়াত মাকে মোক চাই গৈছিলহি নহয়। দেউতাৰ গুৱাহাটীত থাকোঁতে মাকেই জীয়াৰী আছিল। আমি তেওঁলোকৰ ওচৰতে আছিলোঁ। পিচে, ঘৰখন........"।

বিয়া-বাৰুৰ কথা উঠিলেই আমাৰ মানুহে ঘৰখনৰ কথা উলিয়ায়। মোমাই তামুলী কিবা ডাঙৰ মানুহৰ ল'ৰা আছিলনে? আমাৰ কৃষি-প্ৰধান অৰ্থনীতিৰ দিনত বাৰু সেইবোৰ চোৱা-চিতা দৰকাৰ আছিল। এতিয়া এই গাই গোটে পেটে ভৰালৰ দিনত সেইবোৰৰ কিবা অৰ্থ আছে জানো? এতিয়া বিয়া দুজন মানুহৰহে হয়; পৰিয়ালে পৰিয়ালে ক'ত হয়! আইতাক অৱশ্যে এইবোৰ কথা কোৱাৰ যুক্তি নেদেখিলোঁ। গতিকে ক'লোঁ, "আইতা, ঘৰখনচোন তুমি জানাই। বেচ পুৰণি ঘৰ। ছোৱালীৰ লেখা-পঢ়াও আছে, অৱস্থাও ভাল।" আইতাই মূৰ জোকাৰি ক'লে, "শুকক আৰু কি বেদ পঢ়াবি বোপাই। সিহঁতৰ ঘৰখননো মই চিনি নেপাওঁনে? হেমন্তক ক গৈ—সি যেন তাত বিয়া নকৰায়।"

মই অলপ বিৰক্তিতেই সুধিলোঁ, "কিয় আইতা? মইতো হেমন্তক এটা কাৰণ দেখুৱাব লাগিব।"

"তাৰ কথা তাকেই ক'ম মই।"

মোৰ অহমিকাত অলপ আঘাত লাগিল। এবাৰ ভাবিলোঁ হেমন্তকেই পঠিয়াই দিওঁগৈ। কিন্তু ঘৰৰ ডাঙৰ ল'ৰা হিচাপে মোৰ দায়িত্বও জানো

নাই? মই আইতাক ক'লো, "হেমন্তৰ মনত পোনপটীয়া আঘাতটো দিদি মোকেই আপত্তিৰ কাৰণটো ক'ব পাৰে দেওখান।"

"আপত্তি মোৰ নহয়, বোপাই, আমাৰ ভাগ্য পুৰুষৰ। একেটা গাঁওতে দুবাৰ তামোল পুতিব নেপায়",—আইতাই ক'লে।

দুবাৰ তামোল পোতা কথাটো মই ঠিক বুজা নাছিলোঁ। আইতাই হাঁহি মাৰি ক'লে—"একে ঘৰতে দুবাৰ সম্বন্ধ কৰিব নেপায় বুলি কয় দেখোন আগৰ মানুহে।"

আমাৰ এই 'ভাল মানুহ' কিঘৰৰ আকৌ থিতাতে সম্বন্ধটো ওলায়। মোৰ বিয়াৰ সময়তো কেইবা ঘৰৰো ছোৱালী সম্বন্ধে ঢুকি পায় বুলি এৰিবলগীয়া হৈছিল। মই পোনপটীয়াকৈ প্ৰশ্ন কৰিলোঁ।

"কিবা সম্বন্ধে পায় নেকি, আইতা?"

"পায়ো নেপায়ো", আইতাই ক'লে, "মুঠতে মোৰ কথা শুন—এই বিয়াখন হবলৈ নিদিবি।"

"আইতা, কথাবোৰ সাঁথৰ কৰি নেপেলাবা চোন।" মই অলপ টানকৈয়ে ক'লোঁ।

আইতাই মোৰ মুখলৈ চালে। মই চকু দুটা এবাৰ তললৈ নমাই আকৌ আইতাৰ মুখলৈ চালোঁ। আইতাই বিষন্ন মাতেৰে কোৱাদি ক'লে, "এই বিয়াখনৰ কথা তহঁতে মনৰ পৰা গুচা, বৰ মইনা।"

"কিন্তু হেমন্তটো যে ভালেখিনি আগবাঢ়িছে।"

আইতাই সৰুকৈ সুধিলে, "কিবা লেঠা-চেঠা হৈছে নেকি আকৌ?"

"তুমি যে আৰু কথাবোৰ কোৱা আইতা! নহয়, তাৰ আৰু নন্দিতাৰ লগত সকলোৰেই জানে সিহঁতৰ বিয়া হ'ব বুলি। আমিও জানো। এতিয়া তোমাৰ মতটো হ'লেই হয়।"

"মোক নুসুধি বিয়া কৰালে মোৰ ক'বলৈ একো নাছিল। মোক সুধিলে মইনো বাৰু তহঁতক এটা শাওপাতৰ মাজলৈ কেনেকৈ ঠেলি পঠিয়াওঁ—ক'চোন।"

আইতাৰ কথাখিনিত থকা আঁকোৰ-গোজালি ভাবৰ আঁৰত মই যেন শুনিলোঁ কিবা এটা বিষণ্ণতাৰ, হতাশাৰ সুৰ। আইতাই কি শাওপাতৰ কথা কৈছে বাৰু ? নমিতাহঁত গুৱাহাটীৰ আৰু আমি নগাঁৱৰ। কাম-কাজৰ কাৰণে আমি দুঘৰ গুৱাহাটীতে থাকি যোৱাদি গৈছোঁ। আধা চিনাকিৰ পৰা চিনাকিৰ পৰ্য্যায়লৈ আহিছে নমিতাহঁতৰ পৰিয়ালটো। আইতাই সম্ভৱতঃ গুৱাহাটীত থাকোঁতে ঘটা কিবা ঘটনাৰ কথা জানে—যিটো মোক ক'ব খোজা নাই! কিন্তু এই পৰিয়ালটোৰ বিষয়ে তেনে কোনো কথা মনলৈ আহিব নোখোজেচোন, আইতাৰ বিষণ্ণ কণ্ঠস্বৰে মোৰ মনলৈ এটা খু-দুৱনিৰ ভাব আনি দিলে। কি শাওপাত ? কিহৰ শাওপাত ? মই আইতাক ক'লোঁ, "তাৰ মানে তেওঁলোকৰ লগত আমাৰ কিবা সম্বন্ধ আছিল? কিন্তু, কেনেকৈ ? তেওঁলোক গুৱাহাটীৰ, আমি নগাঁৱৰ।"

"গুৱাহাটীৰ মানুহ বুলি কোনো মানুহ নাই অ' বৰ মইনা। তাৰ সৰহখিনি মানুহেই আন ঠাইৰ পৰা অহা, কোনে বৰফুকনৰ আমোলত কোনোবা মান ডগনত। তাৰ পিচত চৰকাৰী চাকৰিয়াল! এতিয়াও দেখিছ চাগৈ, কেনেকৈ মানুহৰ, সোঁত আহি চহৰবোৰত লগ লাগিছেহি। কিমান সম্ভ্ৰান্ত মানুহ উঠি গৈ গুৱাহাটীতে জাহ গ'ল—কিমান ঠেক-ছিগা মানুহ আহি গোজেই গছ হৈ বহিল।"

আইতাৰ মুখত গুৱাহাটীৰ জন্মকাহিনী শুনাৰ ধৈৰ্য্য মোৰ নাছিল। ক'লোঁ, "সেইবোৰ জানো আইতা, তাহানি বৰফুকনে কামৰূপৰ স্থানীয় মানুহখিনিক নিশা নগৰত থাকিবলৈ নিদিয়াৰ কথাও শুনিছোঁ। নমিতাহঁতো নিশ্চয় কোনোবা এটা সময়ত উজনিৰেপৰা উঠি অহা। কিন্তু আমাৰ লগত বিশেষ কোনো সম্বন্ধৰ কথা শুনা নাই দেখোন।"

"সিহঁত ক'ৰ মানুহ জান ?" আইতাই পোনপটীয়াকৈ প্ৰশ্ন কৰিলে।

"হৰ আৰু চাৰিং ন-দুৱাৰ বা তেনে কোনো ঠাইৰ।" মই পান মৰা উত্তৰ এটা দিলোঁ।

"শুন" আইতাই দীঘল উশাহ এটা লৈ অলপ পৰ ৰ'ল। তাৰ পিচত ক'লে, "শুন, সিহঁত আৰু তহঁত একালত বৰ ওচৰা-ওচৰিকৈ আছিলি।

সিহঁতৰ গাওঁ আৰু তহঁতৰ গাৱঁৰ মাজত আছিল এখন পথাৰ—একাহী পথাৰ। মই ন বোৱাৰী হৈ আহোঁতেই দেখিছিলোঁ সেই পথাৰ—একাহী পথাৰ, মানে আকাশী পথাৰ। ইপাৰৰ ৰিং সিপাৰে শুনাৰ কথাই নুঠে, সিপাৰৰ বাঁহনিবোৰ বৰছা বনৰ জোপা যেন লাগে।

আইতাই যেন এটা ভয়লগা সাধুহে আৰম্ভ কৰিব খুজিছে। আইতাৰ একাহী পথাৰৰ মাজেদি এতিয়া বেলৰ আলি হ'ল। আমি সৰুতে দেউতাৰ লগত আধিত দিয়া ধান আনিবলৈ যাওঁ। একাহী নামটোও শুনা নাছিলোঁ। আইতাই আপোন মনে কোৱাদি কৈ গ'ল :

"এই ফালে কলং, মাজত তহঁতৰ গাওঁ, সিমূৰে নৈ, ন-নৈ কলংখন দেখিলেই মোৰ তহঁতৰ পৰিয়ালটোলৈ মনত পৰে। বৰ কালিকলগা এই নৈখন......"

"নীল বৰুৱাৰ পুতেকে কলং পাৰত বুলি লিখা পদ্য দুটামান পঢ়িছিলোঁ, কলঙৰ কালিকা কিবা ধৰিব পাৰিছে নে নাই চাইছিলোঁ। পিচে নাই, কলঙৰ কথাচোন তাত নায়েই, কিবা ডেকা-গাভৰুৰ মেল হে চোন......"

কলংখন দেখিলে মোৰো দুখ লাগে। আমি জঙ্ঘলী মিস্ত্ৰিৰ ঘাটৰ কাষেৰে আহোঁতে আৰু দুখ লাগিছিল। কিবা আইতা আইতা লাগিছিল। সৰুতে দেখিছিলোঁ শিলঘাটৰ ওচৰত বাৰিষাও নাওঁৰ তলিখন মাথোন তিতে। নাওঁবোৰ দলঙৰ দৰে উবুৰি হৈ পৰি থাকে। খৰালি বালিত গাঁত খানি পানী একো গাগৰি নিয়ে—ওহোঁ—গাৱঁৰ জীয়ৰী-বোৱাৰীবোৰে নহয়, চুটি মেখেলাৰ ওপৰত ব্লাউজ পিন্ধা পেন্দুকণা আইটি একোজনীয়ে। কাৰণ 'মানুহ' হোৱাৰ পিচত ছোৱালী ঘাটলৈ যোৱাটো লাজৰ কথা। 'ভাল মানুহ'ৰ গাওঁ যে......

এইখনেই কলং। ভূগোলৰ মতে সুঁতি। কিন্তু মিছা আৰু দিজু নামৰ পাহাৰী জুৰি দুটাই লগ নধৰালৈকে তাত সোঁতেই নাথাকে। এইখনেই কলং। নৈ বুলি ক'লে হাঁহি উঠে। এতিয়া মনত পৰে নৈ বুলি ক'লে তাহানি মহাজননী আয়েও হাঁহিছিল। কিন্তু সম্পূৰ্ণ বেলেগ কাৰণত। উৱা, কলং কলঙেই। নৈ হবলৈ যাব কিয়? আমাৰ বৰ আই এগৰাকী ডিবুকৰ

ছোৱালী তেতিয়াৰ দিনৰে নিম্ন প্ৰাইমেৰী পাছ। ঘৰত পকী নাদৰ পানী খায় সদায়। বিয়াৰ পিচত আহি খোৱা পানীখিনি অলপ ঘোলা যেন দেখি নৈৰ পানী নেকি বুলি সুধিছিল। ইচকুল পঢ়া বৌৱেকৰ বুদ্ধিৰ হ্ৰস্বতাত ননন্দেকে কৈছিল—"এৰা, এতিয়া দহ মাইল বাট বাটকুৰি বাই তোমালৈ নৈৰ পানী আনিব গৈ কোনোবাই। খোৱাঁ কলঙৰ পানী।"

নৈ মানে তেওঁলোকৰ অভিধানত ন-নৈ। এইখন কলং। আকৌ মনত পৰিল সৰুতে আইতাই কোৱা পুৰণি কথাবোৰ—মিকিৰ হাটৰ নিৰাময় মৌজাদাৰ গৈছিল গুৱাহাটীৰ কমিচনাৰ চাহাবৰ ওচৰলৈ। কাজলীমুখ চেৰাই নাওঁ যেতিয়া ব্ৰহ্মপুত্ৰত পৰিল তেতিয়া সৰুপাই নাওবৈছাই হেনো চিঞৰি উঠিছিল "আই ঔ, এইখন বৰ ডাঙৰ কলং ঔ" বুলি। আমাৰ চিৰি-লুইতৰপৰা সৰুপাইৰ গাওঁ কুৰি মাইলৰ ভিতৰত, কিন্তু কলঙৰ বাহিৰে আন নৈ....সি দেখা নাই। তাৰ অভিধানত কলং মানেই নৈ, নৈ মানেই কলং।

মই এইবোৰ ভাবি থাকোঁতেই যেন আইতাই মোৰ মনৰ ভিতৰখন এখন কিতাপ পঢ়াদি পঢ়ি গৈছিল! আইতাৰ মাতত মোৰ চমক ভাগিল।

"এৰা বোপাই, কলংখন তেনেই মৰি সুঁতি হ'ল। কিন্তু আগতে তেনে নাছিল। হাতীমূৰা পৰ্বতখনে বাট ভেটা দি ধৰাৰ পৰাহে হ'ল, আগতে সেইটো এটা চাপৰিহে আছিল, বছৰি তল যায়। দেখা নাই-কোৱা শুনিছোঁ। তেতিয়া বোলে কলঙত কোম্পানীৰ জাহাজো চলিছিল। পিচে, কলং হেনো এনেকৈ নেথাকে, এদিন বোলে লুইতৰ ঘাই সুঁতিটো এইফালে দিয়ে ব'ব—দুই মুনি শিলা উত্তৰ পাৰলৈ যাব......"

আইতা এনেকৈয়ে ক্ৰমে ক্ৰমে অতীতৰ মাজলৈ সোমাই যায়। কিম্বদন্তীৰ পৰা আৰম্ভ কৰি খেলিমেলিকৈ পাৰৰ মানুহবোৰৰ কথা ক'বলৈ আৰম্ভ কৰে। কলংপাৰৰ ভাল মানুহৰ গাওঁ কিখনৰ নিস্তৰঙ্গ জীৱন যাত্ৰাৰ পলসত যেন আইতা সোমাই পৰে......।

গতানুগতিক বংশ পৰম্পৰাৰ আমনি লগা অহংকাৰ। সেই অহংকাৰ অতীতৰ। অতীতৰ অহংকাৰবেই আন নাম কিজানি বুৰঞ্জী। এই বুৰঞ্জীও

হয়তো এদিন সত্য আছিল এই অহংকাৰৰ দৰেই। আইতাহঁতৰ কলং পাৰৰ জীৱন জীয়াই আছিল অতীতক লৈ।

ৰজাঘৰীয়া সন্মান আৰু প্ৰতিপত্তি যোৱাৰ লগে লগেই আৰম্ভ হ'ল চাহবাগিছাৰ সৈতে লেনদেন ; ব্যৱসায় নহয়, চাকৰি। ব্যৱসায় কৰিবপৰা অধ্যৱসায় আৰু মনৰ স্থিৰতা এওঁলোকৰ নাই। আনকি আগৰ যুগৰ মানী মানুহ হিচাপে ইংৰাজ চৰকাৰৰ পৰা পোৱা মৌজাকিটাও এওঁলোকে চলাই খাব নোৱাৰিলে।

আইতাই বৰ কৰুণভাৱে বিৰক্তিহীন তিক্ততাৰে কৈ গ'ল, "সোপাই বাগিছাৰ চাকৰিত সোমাল—মাইকী মহৰীৰপৰা বৰ বাবুলৈকে—তাৰ ওপৰত নাই। চাকৰিৰ লগতে অলপ খুচুৰা বেপাৰ। কলঘৰ সজাৰপৰা কিছু টিনপাত আনি কাৰোবাক দিয়া, চিলটীয়া বেপাৰীক কিছু চোৰাং চাহ পাত—এইবোৰ, বুজিছ বৰ মইনা। কিন্তু, কথাই-বতৰাই চাহবাগানৰ মালিকৰ সুৰ !"

কথাটো ময়ো মন কৰিছিলোঁ। আমাৰ পৰিয়ালত এটা নতুন সংস্কৃতিৰ চানেকি দেখিছিলোঁ আৰু শুনিছিলোঁ তাৰ উপযোগী ভাষা। মোমাই, মাই, বাই—এইবোৰ হেনো ছোটলোকৰ ভাষা। মহাদেউ, মাহীদেউ বোলা দস্তুৰ পলমকৈ অহা উজনীয়া 'ঢং'। সেই মানুহ সকলে 'ফজিৰ'তে উঠি 'কামজাৰি'লৈ যায়—হয়তো নাওলৰ ফাল চাঁচিবলৈকে। 'মামা'ৰ বিয়ালৈ 'দিদি' আহিব। নোৱাৰাৰ বাবে 'আপচোচ' কৰে।

মাটি থাকে আধিত। সৰুতে দেখিছিলোঁ—দীঘল দীঘল দাগৰ একোটিটা মাটি। পুৰুষে পুৰুষে দীঘে দীঘে ভাগ হৈ আহি একোডোখৰ মাটি দীঘে এমাইল, পথালিয়ে হালখন ঘূৰে কি নুঘূৰে। বৰ-ঘৈণী ন-ঘৈণীৰে কমেও দুজনী তিৰোতাৰে একোখন কুৰিজনীয়া সংসাৰ কোনোমতে বৰ্ত্তি থাকে। বাকীখিনি চাহবাগিছা আৰু সৰুসুবা চৰকাৰী চাকৰিয়ে যোগায়।

"কিন্তু বোপাই, বিয়া-বাৰু হ'লে সদায় আঁতৰে আতঁৰে।" আইতাই অলপ অৰ্থপূৰ্ণ সুৰত ক'লে, "আঠগাৱঁৰ টুকৰিয়ালৰ ঘৰ, চতিয়াৰ দফলা বৰুৱাৰ ঘৰ, আনকি উত্তৰ গুৱাহাটীৰ মজিন্দাৰৰ ঘৰৰ লগতো ছোৱালী

দিয়া অনা হয়। পিচলৈ তহঁতৰ কলেজ পঢ়া চাকৰি কৰা দুই এজনে উজনিৰ কাকতি দুৱৰা ঘৰবো ছোৱালী আনিছে দুই এক।"

"সেই অঞ্চলত হ'লে কাকতী বৰাৰ ঘৰ আৰু কঢ়ালৰ ঘৰৰ বাহিৰে আনৰ লগত মিতিৰ সম্বন্ধ নাই। দুই এঘৰৰ বিষয় খোৱা হাজৰিকা শইকীয়াই দুই এজনী ছোৱালী দিছে—বাকীবোৰ হেনো ছোটলোক—কাঁড়ীৰপৰা নাম নকটাৰ গুস্তি।"

আইতাই বাৰু এইবোৰ কি কৈছে! বংশ-গৌৰৱৰ ক্ষেত্ৰত আইতা নিজেওতো কম নহয়। আজি কিহৰ কাৰণে আইতাই এই দৰে নিষ্ঠুৰভাৱে নিজৰ অতীতক বিশ্লেষণ কৰি চাব খুজিছে। আইতাই নিন্দাৰ ছলেৰে গৌৰৱ কৰিছে নে গৌৰৱৰ ছলেৰে নিন্দা কৰিব খুজিছে বাৰু ?

"বুজিছ বোপাই, এই ভেমকণেই আছিল তেওঁলোকৰ জীৱন। তাতেই যেন তেওঁলোকে জিৰণি লৈছিল, তাকেই পাগুলি জীয়াই ৰাখিছিল নিজক। ভেম নো নকৰিব কিয় ?" তাৰ পিচত আইতাই যিখিনি ক'লে তাৰ সাৰমৰ্ম এই :

কলঙৰ অতীত থকাদি এদিন সিহঁতৰো আছিল বিচিত্ৰ অতীত। সেই অতীতত নাছিল ৰজাঘৰীয়া চাকচিক্য অথবা গ্ৰাম্য সৰলতা। কেৱল মাত্ৰ মৰ্য্যাদাৰ স্থূল প্ৰতিপত্তি। সময়েদি উজাই গ'লে মন কৰিব পাৰি কলিয়াবৰৰ পৰা খাগৰিজানলৈকে এই অঞ্চলটোত সমাজৰ কোনো ভাৰসাম্য নাছিল। উত্তেজিত হ'লে সিহঁতৰ সীমাজ্ঞান নেথাকে, আনন্দিত হ'লে পাহৰি যায় কচি। ৰজাৰ চকুত পৰিবলৈ, বৰফুকনৰ মন যোগাবলৈ চামধৰা কোঠাত গড় মাৰি থকা ৰজাৰ সৈন্যৰ মাইকী যোগনীয়া হবলৈকো সিহঁতৰ বহুতৰ কুণ্ঠা নাছিল। আনহাতে আকৌ আহোমৰ দুৰ্দিনত আশ্ৰয় বা সহায় বিচাৰিঅহা ৰজাক সিহঁতে ছাগলী খেদোৱাদি খেদি পঠাইছিল। চিৰ অশান্ত এই অঞ্চলৰ প্ৰজাই ন দিনৰ ভিতৰতে দুচাম ৰাজবিষয়াৰ পৰিৱৰ্তন বিচাৰি হাবাথুৰি খায় ; আকৌ আগৰ বিষয়াতেই সন্তুষ্ট হৈ সেও হয়। ৰাজবিষয়াৰ অত্যাচাৰ আৰু প্ৰতিষ্ঠাকামীৰ খিয়লা-খিয়লিয়েই নগাঁৱৰ ইতিহাস।

"নদাই খৰঙিৰ কথা শুনিছ?" আইতাৰ প্ৰশ্নত আকৌ আহি যেন আমাৰ ঘৰ পালেহি।

"শুনিছোঁ আইতা, লাচিত বৰফুকনে শৰাইঘাটত বেমাৰী গাৰে নদাই খৰঙিৰ কান্ধত ভৰ দিয়েই নাওঁত উঠিবলৈ গৈছিল।"

"সেই নদাই—মানে নন্দেশ্বৰ তহঁতৰ উপৰি পুৰুষৰ এজন। বৰফুকনৰ গা-ৰখীয়া আছিল। কলিয়াবৰৰপৰা আহি মিকিৰ হাটত থিতাপি লোৱা বৰুৱা কেইঘৰৰে এজন হ'ল ভোগাই—ভোগেশ্বৰ বৰুৱা, নদাইৰ দুপুৰুষৰ তলত। পলৰীয়া ৰজা গৌৰীসিংহৰ দিনত তেওঁ ডেকা মানুহ।

আইতাৰ কথা শুনি শুনি আজিৰ যিটো প্ৰসঙ্গত এইবোৰ পুৰণি কথা ওলাইছে তাৰ কথা পাহৰিয়েই গৈছিলোঁ। ভাবিলোঁ আইতাক সোধোঁ তেওঁ কোৱা কাহিনীৰ লগতনো হেমন্তনমিতাৰ বিয়াখনৰ সম্পৰ্ক ক'ত? কিন্তু কিবা এটা মই অনুমান কৰিলোঁ; আইতাই হয়তো পূৰ্বপুৰুষৰপৰা মুখে মুখে বাগৰি অহা কিবা জানে আমাৰ পৰিয়ালৰ—তেওঁ কোৱা মতে কিবা শাওপাতৰ কথা। সেইবাবে আইতাক আৰু একো নুসুধিলোঁ। আইতাই কৈ যাওক, মই শুনি যাম।

আইতাই হঠাৎ ক'লে, "মোৰ জোৰণত দিয়া গহনাখিনি দেখিছিলি নে? সেইখিনিৰেই তহঁতৰ মা'ৰো জোৰণ দিয়া হৈছিল।"

মোৰ মনত পৰিল আয়ে এবাৰ দেখুৱাইছিল কেইপদমান পুৰণি অলংকাৰ। ক'লো, "দেখিছিলোঁ আইতা, কি হ'লনো?"

"কেনেকুৱা আছিল গহনাখিনি?"

"জানো? মনত নাই বিশেষ।"

"তই কিজানি মন কৰা নাই। গোটেইখিনি অলংকাৰ মিনা কৰোৱা। ঢাকা জিলাৰপৰা মিনা কৰাই অনাইছিল তোৰ ককাৰে।"

পুৰণি বা নতুনেই হওক, অলংকাৰৰ মহিমাৰ বিষয়ে মোৰ কোনোকালে কোনো কৌতূহল নাই। কিন্তু আইতাৰ কথাবোৰ মোৰ কিবা প্ৰহেলিকাময় যেন লাগিবলৈ ধৰিলে। ভোগাই বৰুৱাৰ কাহিনীৰ লগত মিনা কৰা গহনাৰ বা কি সম্বন্ধ? মই ভাবিব নোৱাৰিলোঁ। আইতাই মাথোন ক'লে, "আগেয়ে

তহঁতৰ পৰিয়ালত জোৰণত মিনা কৰা গহনাহে দিয়ে। ভোগাই বৰুৱাৰ পুতেক জুৰাইৰ দিনৰ পৰা সেইটো চলি আহিছে বোলে।"

মোৰ বিয়াৰ আগে আগে আইৰ পুৰণি গহনাবোৰ চোৰে নিছিল। আয়ে কিবা কিবি নতুন গহনা কৰাইছিল। মনত পৰিল, তেতিয়া আইতাই মিনা কৰোৱা আঙঠি এটা হলেও দিবলৈ দিছিল। মিনা কৰা অলংকাৰ দিয়াত কিবা অৰ্থ আছে বুলি তেতিয়া ভবা নাছিলোঁ। কোনেও একো কোৱাও নাছিল। আজি যেন তাত এটা দূৰৰ সংকেত পালোঁ।

"ভায়েৰৰ বিয়া য'তে নেপাত লাগে, মিনা কৰা অলংকাৰ দুপদমান দিবি। মই মা'ৰকো ক'ম। কিন্তু পাৰিলে সেই ঘৰত বিয়া নকৰাবি। তহঁতে সিহঁতৰ প্ৰতি ডাঙৰ অন্যায়—নহয়—পাপ কৰি থৈছ। সেই শাওপাত এতিয়াও যোৱা নাই। সেইবাবেই কিজানি তহঁতৰ হৈয়ো একো নহয়। তহঁত জখলা একোডাল হৈ আনক বগাবলৈ সুবিধা দিছ। নিজে একো কৰিব পৰা নাই।"

আইতাৰ সোতোৰা-সুতুৰি হাত দুখন মই খামুচি ধৰিলোঁ। মুহূৰ্তৰ বাবে পাহৰি গ'লো হেমন্তনমিতা সকলোকে। মোৰ অতীতক জানিবৰ মন গ'ল। অতীতক। মনে মনে ক'লোঁ, কোৱা আইতা, মোক ভোগাই বৰুৱাৰ কথা কোৱা, মিনা কৰা গহনাই কি শাওপাত পাহৰায় নে সোঁৱৰায়—তাৰ কথা কোৱা।

আইতাৰ কাহিনীয়ে মোক সময়ৰ বুকুৰে উজুৱাই লৈ গ'ল অৰ্ধ-অৰাজক এখন ঠাই আৰু এটা সময়লৈ।

## ২

পলৰীয়া ৰজা গৌৰীনাথ সিংহৰ দিনত ভোগাই বৰুৱা ডেকা। অৰ্ধ অৰাজক এই অঞ্চলটোত লেখৰ মানুহ হৈ কেনেকৈ থাকিব লাগে তেওঁ জানিছিল। বৰফুকন কলিয়াবৰৰ পৰা যোৱাৰ পিচত সলাল গোহাঁয়েই হ'ল ইয়াত ৰাজশক্তিৰ প্ৰতিভূ। ভোগায়ে জানিছিল সন্মানৰ এছোৱা আহে ৰজাঘৰীয়া স্বীকৃতিৰপৰা আৰু বাকীখিনি নিজে গঢ়ি লব লাগে। তেওঁৰ উপৰি পুৰুষ এজনে জয়ধ্বজ সিংহৰ দিনতেই ৰজাঘৰীয়া স্বীকৃতি লৈ থৈছে দহ ঘৰ খৰণ্ডি বৰুৱাৰ বাবে। এতিয়া বাকীখিনি তেওঁ গঢ়ি লব লাগিব। সলাল গোহাঁইৰ ওচৰত গোচৰ দি নিজৰ সন্মান ৰাখিব নোৱাৰি। বিচাৰ দুৰ্বলৰ হে অস্ত্ৰ। সাধাৰণ প্ৰজা হৈ আন এশ জনৰ দৰে থাকিব পাৰি, থকা সহজো। কিন্তু মূৰ তুলি থাকিবলৈ হলে তুমি আনৰ মূৰ তল কৰি ৰাখিব লাগিব। নহলে যিকোনো মুহূৰ্ততে তোমাৰ মূৰ খহি পৰিব পাৰে। গতিকেই, য'ত তোমাৰ সন্মান বা প্ৰাণৰ সংশয়—তাত তুমি আনৰ মনত ভয় জগাই ৰাখিবা। এয়েই আছিল ভোগাই বৰুৱাৰ অব্যক্ত জীৱন দৰ্শন।

ভোগাই বৰুৱাৰ বিষয় আশয়ৰ চিন্তা কৰাৰ বিশেষ কোনো প্ৰয়োজন নাছিল। তেওঁৰ ঘৈণীয়েক মাহিন্দ্ৰী পাকৈত গৃহিনী। বন্দী-বেটী অলেখ। বৰ্হমচৰীয়া নামৰ পুৰণি লগুৱাজনে সকলো তদাৰক কৰে। মাটিবাৰী বিস্তৰ। ভোগাইৰ কেৱল এটাই চিন্তা—তেওঁতকৈ ওখ মূৰ কাৰোবাৰ আছে নেকি? তেওঁক ভয় নকৰা মানুহ ক'ৰবাত আছে নেকি তেওঁ তাৰেই পম খেদি ফুৰে। তেওঁৰ দৰে মৰমীয়াল আৰু তেওঁৰ দৰে নিষ্ঠুৰ মানুহ সতকাই চকুত নপৰে। বাঘেছাগে তেওঁৰ ভয়ত একেটা ঘাটতে পানী

খাইছিল নে নাই জনা নেযায়, কিন্তু তেওঁৰ টোলৰ ওচৰেদি পৰাপক্ষত দিনতো মানুহ যাব নোখোজা সন্দেহজনক অৱস্থাত যদি কোনো মানুহক ভোগাইৰ লগুৱা-লিকচৌৱে মাতি নিয়ে, সেই বাটকৰাজন আৰু ওলাই অহাৰ চিন পোৱা নাযায়। মিকিৰহাটৰ বাইজে হেনো অলপতে এটা পুখুৰী খান্দোতে কেইবাটাও মানুহৰ জকা পাইছিল। ঠাইখিনি এসময়ত ভোগাই বৰুৱাৰ টোলৰ ভিতৰুৱা আছিল বুলি বুঢ়া-মেথাই কয়।

ভোগাইলৈ মানুহে ভয় যেনেকৈ কৰে, তেনেকৈয়ে তেওঁক ভালো পায়। তেওঁৰ বহতীয়া বা মাটিখোৱা সকলো মানুহ তেওঁৰ বাহিৰে আন সকলো বিপদৰ পৰা মুক্ত। আশ্ৰিতৰ সমস্যা তেওঁৰ বাবে নিজৰ সমস্যা। আশ্ৰিতৰ বিপদ, নিজৰ বিপদ। সলাল গোহাঁয়েও কাঁড়ী তুলিবৰ হ'লে ভোগাইৰ বহতীয়া মানুহখিনিত হাত নিদিয়ে। তেওঁৰ মাটি খোৱা মানুহে তেওঁক কিমান ধান দিয়ে সেইটো ডাঙৰ কথা নহয়। কিন্তু বগা বা মুগা ঘোঁৰাটোত উঠি তেওঁ ক'ৰবালৈ যোৱা দেখিলে যদি হালৰ গৰু হালতে এৰি আলিকাষত থিয় নিদিয়েহি তেতিয়া হ'লে অচিৰে তাৰ ভেটিত সোণগুই চৰিব।

এওঁৰ প্ৰতাপৰ কথা সলাল গোহাঁই হেলিমেলিৰ কাণত কোনোবাই পেলাইছিল। কিন্তু সেই কথা লৈ চিন্তা কৰিবৰ বাবে তেওঁৰ কোনো প্ৰয়োজন হোৱা নাছিল। তেওঁ নিজেই তেতিয়া অলপ খেলিমেলিৰ ভিতৰত আছিল। ষড়যন্ত্ৰৰ জালত পেলাবলৈ সিফালে গড়গাঁৱত বুঢ়াগোহাঁয়ে যত্ন কৰিছে বুলি গম পাই সলালৰ হেলিমেলি গোহাঁইৰ মনতো স্বস্তি নাছিল। গতিকেই এই প্ৰতাপী প্ৰজাবোৰৰ কাম-কাজত মাত মাতিবলৈ তেওঁ ইচ্ছা নকৰিছিল। বৰঞ্চ এনে প্ৰতাপী প্ৰজাবোৰৰ পৰা আহোম ৰাজশক্তিৰ সুবিধাহে হৈছিল বুলি তেওঁ বা আন বিষয়া সকলে ভাবিছিল। এই বৰুৱাকিযৰ যিমানে প্ৰতাপী নহওক, তেওঁলোকৰ মৰ্য্যাদা যে আহোম ৰাজশক্তিৰ দান সেইকথা তেওঁলোকে নাপাহৰে! কুকুৰ চিকুণ গিৰিহঁতৰ যশ। বহা ফুলগুলি অঞ্চলৰ ৰজা-পোৱালি কেইজনক সৈমান কৰি ৰাখিবলৈকো এই প্ৰতাপী

মানুহবোৰৰপৰা সুবিধা হয়! মিকিৰহাট যমুনা উপত্যকা আৰু ভৈয়ামৰ মানুহৰ সংযোগ স্থল।

আৰু এঘৰ মানুহ দোপতদোপে উঠি আহিছিল। ন-নৈৰ বাখৰৰ ঘৰ। বৰা! মৰ্য্যাদাত হীন। এবাৰ ন দিনৰ বাবে বৰুৱা হৈছিল মাত্ৰ। কিন্তু নিজ এলাকাত অৰ্থাৎ আকাশী পথাৰৰ সিটো পাৰে তেওঁলোকৰ প্ৰভাৱ এই বৰুৱা কেইঘৰতকৈও বেছি। ভোগাইৰ প্ৰভাৱক যদি প্ৰতিপত্তি বুলিব পাৰি, এই বৰা ঘৰৰ প্ৰভাৱক বুলিব পাৰি প্ৰতাপ। কেৱল মাত্ৰ অৰ্থ বলৰ সহায়ত, বজা ঘৰীয়া ডাঙৰ খিতাপ নোপোৱাকৈয়ো তেওঁলোকে নিজৰ প্ৰভাৱ গঢ়ি তুলিছিল—সাধাৰণ মানুহক বশ কৰি ৰাখিছিল।

ভোগাইৰ দেউতাক ৰুদায়ে, অৰ্থাৎ ৰুদ্ৰাম বৰুৱাই লক্ষ্য কৰিছিল এই উঠি অহা মানুহ ঘৰ। ন-নৈৰ এই মানুহঘৰক অলপ চম্ভালি ৰখা তেওঁৰো ইচ্ছা। কিন্তু আনৰ চোঙত বাঘ নোসোমায়। গতিকেই তেওঁ মানুহ দুঘৰ ওচৰ চপাই আনিবৰ মন কৰিলে। ৰবপুতেক ভোগাইলৈ সেই ইচ্ছাৰেই তেওঁ বিয়া কৰাই আনিলে বাখৰৰ ভনীয়েক মাহিন্দ্ৰীক আধেৰ সোণৰ বাখৰামী অলংকাৰৰ সালংকৃতা হৈ মাহিন্দী ভোগাইৰ টোলত সোমাল।

প্ৰথম কলি সোমাল গহনাৰ মাজেদি। ভোগায়ে জোৰণত দিছিল আধেৰ সোণৰ অলংকাৰ। বাখৰৰ ঘৰৰ পৰাও লগত দিছিল আধা সেৰ। কেইদিন মানৰ পিচতে মাহিন্দ্ৰী ৰমাকে অৰ্থাৎ ভোগাইৰ শাহুৱেকে পঠিয়াই দিলে আৰু কেইপদমন অলংকাৰ—আৰু প্ৰায় এপোৱা মান সোণৰ।

"মাৰ'ক কৰি," ভোগাই গৰজি উঠিল, "মোতকৈ বেছি সোণ দি যহাবৰ দৰকাৰ নাই। সিহঁতৰ জীয়েকক যি দিলে, দিলে—মোৰ ঘৈণী হোৱাৰ পিচত আৰু সিহঁতৰ পৰা একো ল'ব নোৱাৰ, কৈ দিছোঁ।"

ন-ছোৱালী মাহিন্দ্ৰীয়ে মাথোন কান্দিলে। ভোগায়ে বলকি গ'ল, "সিহঁতে সোণবোৰ ক'ৰ পৰা পায় মানুহে কিবা নেজানে নে? কুমাৰ গাৱঁৰ মানুহবোৰে 'বাখৰ মুদৈ'ৰ হাতত সোণবোৰ বন্ধা থয়—সেইবোৰ জানো কেতিয়াবা মোকল খায়।"

এইদৰে উপৰি পুৰুষে বান্ধিব খোজা মিলনৰ সাঁকো তেনেই অপঁইতা বাঁহৰ বুলি দুয়ো পক্ষই জানিলে বিয়াৰ কেইদিনমানৰ পিচতেই। দিনবোৰ বাগৰি গ'ল। তাৰপিচতো আৰু বহুত সৰুসুৰা ঘটনা ঘটিছিল যিবোৰৰ পৰা তেওঁলোকৰ মাজৰ ফাঁটটো ক্রমে বহল হৈহে গৈছিল।

বৰুৱাৰ ঘৰৰ পূৰ্বপুৰুষ কলীয়া আতাৰ তিথি আৰু বাখৰৰ দেউতাকৰ শ্রাদ্ধ পৰিছিল একে দিনাই। দহাৰ দিনালৈকে নিতৌ আৰু তাৰপিচৰ পৰা মাজে মাজে ভোগায়ে খা-খবৰ লৈ আছিল। মাহিন্দ্ৰীও জীয়েক সুমলাৰে সৈতে ককায়েকৰ তাতে আছিল। কিন্তু শৰাধৰ দুদিনমান আগতে সকলোৰে সমুখতে ভোগায়ে সুমলাক ক'লে, "আই অ' সুমলা, কাইলৈ তয়ে আৰু মাৰে যাবি গৈ। মই বৰ্হমচৰীয়া আৰু পিটিকি বুঢ়াক দোলাভাৰী দুটাৰে পঠিয়াই দিম, বুইছ?"

"কিয় পিতাদেউ?" সুমলাই সুধিলে।

"কলীয়া আতাৰ তিথি পৰহিলৈ।"

"ইঃ যাম গৈ আমি! ইয়াত ককাৰ ভোজৰ দিনা কিবা বধ ভাওনা পাতিব। আমি চাব লাগিব নহয়!" সুমলাই লেনচেলাই ক'লে।

"নেলাগে ইয়াত ভাওনা চাব। আমাৰ তাতো ভাওনা হ'ব নহয় আই। চাবিচোন কি বঢ়িয়া বৰ ধেমালি, সৰু ধেমালি।"

"নহয়! মই ইয়াতে থাকিম।" সুমলাই আকৌ লেন-চেলালে।

ভোগাইৰ কথা পেলাবলৈ মাহিন্দ্ৰী বা বাখৰ কাৰো সাহ নহ'ল। পিচদিনা মাহিন্দ্ৰী যোৱাৰ পৰত বাখৰে মাথোন ক'লে, "মাহিন্দ্ৰী, তোক কুশ ফালি উলিয়াই দিছোঁ। তই আৰু আমাৰ নহৱ। কিন্তু সুমলাৰ দেউতাকক ক'বি, অশৌচীয়া গাৰে তিথি পাতিলে তইঁতৰ কলীয়া আতাই পিণ্ড নলয়। জোৱাঁইৰ গাত অশৌচ থাকে। আৰু শুন, সুমলাক থৈ যা। তাই নগলেও বাপেকে একো নকয়। তেওঁৰ ছোট্‌ঘাত্ আমাৰ ওপৰতহে।"

চকুপানী টুকি টুকি মাহিন্দ্ৰী গুচি গ'ল।

সুমলা নোযোৱাৰ বাবে ভোগায়ে একো নক'লে।

এই খিনিতে আৰু এটা সমস্যা হ'ল। লেৰেলা বাপু এই দুয়োঘৰৰে পুৰোহিত। তেওঁৰ মহা চিন্তা লাগিল। কাক এৰি কাক ধৰে। তথাপি তেওঁ ভাবিছিল বাখৰৰ দেউতাকৰ আদ্য-শ্ৰাদ্ধ যেতিয়া তেওঁৰ ঘৰলৈ শৰাধ কৰিবলৈ যোৱাই সমীচীন হব। তেওঁৰ ভেটি-মাটি মিকিৰ হাটত । ৰুপিত মাটিখিনি আছে আকাশী পথাৰত—বাখৰৰ সীমা মূৰিয়লিত। বাখৰৰ ঘৰত আদ্য শ্ৰাদ্ধ, বৰুৱাৰ ঘৰত তিথি মানে পানী শৰাধহে। তাকে জানিবা বৰ ধুমধামকৈ পাতে।

ভোগায়ে লেৰেলা দেউক মাতি আনি ক'লে, "তিথিৰ নামগুণৰ কাৰণে আমাৰ চাৰিওটা খেল আহিব। শৰাধ ভাগ মোৰ ভাইটোৱেই কৰিব । আমাৰ সিজনীৰ বাপেকে বোলে মোৰ গাত চুৱা লগাই থৈ গ'ল। আপুনি আহিব।"

লেৰেলা বাপুৱে সেমেনা-সেমেনি কৈ ক'লে, "জোৱাঁইৰ অশৌচ তিনি ৰাতিহে, সেইটো লেঠা নাই। পিচে, সিফালে দহালৈকে সকলো ময়েই কৰিলোঁ। তিথিফেৰা গদয়েই চলাই নিব পাৰিলেহেঁতেন নেকি?"

গদ লেৰেলা বাপুৰ ল'ৰা।

ভোগায়ে মাথোন ক'লে, "আপুনি আহিব।"

লেৰেলা বাপুৱে ক'লে, "হব।"

"হেৰৌ বামুণৰ ল'ৰা, লগুণদিয়নিৰ তকলা মূৰটোৰেই আহিছ পিতাদেউৰ শৰাধ কৰিবলৈ? দেৱে'ৰ কলৈ গ'ল?" কান্ধত থকা গামোছাখনত হাত মছি মছি বাখৰে ক'লে।

"দেউ তালৈ গৈছে। মোকেই..." গদই ভয়ত বাক্যটো শেষ নকৰিলে।

"ক'ৰ তালৈ?"

"সেই তা-লৈ। মিকিৰৰ হাটলৈ।"

"মিকিৰহাটতনো দে'ৱেৰে কি হাট বেহাবলৈ গৈছে অ' দেউপোৱালি! অ' আজি হ'বলা সিহঁতৰ কলীয়া আতানে কিটোৰ তিথি?"

"হয়, দে'ৱে সেই বাবে মোকেই পাচিলে ইয়ালৈ।"

বাখৰ বৰাই অলপ ভাবিলে। তাৰ পিচত কান্ধৰ গামোচাত হাতখন

মচি মচি ক'লে, "বাৰু, যা বহ্‌গৈ। সোনকালে শেষ কৰি দিবি। মোৰ কাম আছে বুইছ? আখৰ জোঁটাইহে মন্ত্ৰ মাতিবি হ'বলা!"

এই দুজন মানুহে ইজনে সিজনৰ নাম ল'ব নোখোজে। এঘৰে ভাবে আন ঘৰে তেওঁলোকৰ সমান হ'ব খুজি তেওঁলোকক অপমান কৰিছে। আৰু ইঘৰে ভাবে তেওঁলোকক সমান হ'বলৈ নিদি অপমান কৰা হৈছে। এজনৰ মৰ্য্যাদাৰ প্ৰশ্ন, আনজনৰ প্ৰতিপত্তিৰ। সেইবাবে জনা মানুহে ইঘৰৰ আগত সিঘৰৰ নাম নুলিয়ায়।

পিতাকৰ শৰাধলৈ লেৰেলা বাপু নহাৰ পৰা ৰাখৰৰ মনত এটা কথা স্পষ্ট হৈ গ'ল যে সাধাৰণ মানুহৰ চকুত তেওঁ এতিয়াও ভোগাইহঁতকৈ ডাঙৰ তো নহয়েই; সমানো নহয়। আৰ্থিক প্ৰতিপত্তিতকৈ মৰ্য্যাদাৰ প্ৰতাপ এতিয়াও বেছি। এতিয়াও তেওঁৰ ঘৰৰ আদ্য শ্ৰাদ্ধতকৈ ভোগেশ্বৰহঁতৰ কোনোবা উপৰিপুৰুষৰ পানী-শৰাধৰ মূল্য বেছি। খং আৰু ক্ষোভত ৰাখৰৰ মুখ নীলা হৈ গ'ল। এই টকলা বামুণৰ ল'ৰাটোৰ মুখত চূণ সানি ওভতাই পঠাব নেকি? নাই, বৰ বেছি কৰা হ'ব। পিতাকৰ শৰাধ। তাতে বামুণৰ ল'ৰা। বিপ্ৰপুত্ৰৰ বৰ মহিমা। ৰাখৰে আৰু এটা কথা ভাবিলে, নাই, ভোগেশ্বৰক ইমান প্ৰত্যক্ষভাৱে অপমান কৰাটো ঠিক নহ'ব। বাৰু, কিবা এটা দিহা কৰিব লাগিব।

সেইদিনা পুৰোহিত বৰণত দিয়া হ'ল ফটা চুৰিয়া আৰু টাপলি মৰা গামোচা। সিধাত দিলে এটা বৰালি মাছ আৰু এটেকেলি পানী কাঠঁদি। দক্ষিণা অৱশ্যে বেছিকৈয়ে দিলে। সচৰাচৰ আধলিৰ ঠাইত পাঁচোটা চিকা ৰূপ। বৃষোৎসৰ্গত দিলে এটা হালৰ বলধ।

পুৰোহিতৰ পুতেকক অপমান!

খবৰ পাই ভোগাই জ্বলি উঠিল। মাহিন্দ্ৰীয়ে বুজালে লেৰেলা দেউ জানো ৰাখৰহঁতৰো পুৰোহিত নহয়! নিজৰ পুৰোহিতক অপমান কৰিলে ভোগাইহঁতৰ তাত মাত মাতিবলৈ কিটো আছে। আৰু লেৰেলা বাপুৱেতো

ভোগাইৰ ওচৰত কোনো গোচৰ বা ওজৰ দিয়াহি নাই। মাহিন্দ্ৰীৰ বুজনিত ভোগাই কিছু শান্ত হ'ল। কিন্তু মনৰ খচ্‌খচনি মাৰ নগ'ল।

"বাৰু ক'চোন সুমলাৰ মাক, ককায়েৰে বলধ গৰু আৰু পানী কাহুঁদিৰ টেকেলিটো কিয় দিলে বাৰু গদক!"

মাহিন্দ্ৰী বুদ্ধিমতী ছোৱালী। তাই মনে মনে বুজিছে বাখৰৰ এই কাৰ্য্যত নিহিত তীব্ৰ বিদ্ৰূপৰ কথা। কিন্তু তাই কয় কেনেকৈ বাৰু গিৰিয়েকক! ভোগায়ে কেৱল বুজিলে তেওঁৰ পুৰোহিতৰ পুতেকক অপমান কৰা হৈছে। অপমান কৰি আকৌ পাঁচ টকা ৰূপ দক্ষিণা দি ধনৰ গৰ্ৱ দেখুৱাইছে। ভোগায়েও বাৰু তাৰ পোতক তুলিব। কিন্তু পানী কাহুঁদি।

পানী কাহুঁদিৰ ৰহস্য ভোগায়ে গম নাপালে। তেতিয়াই পোৱা হ'লে কিজানি কথাৰ সোঁত আনফালে ব'লেহেঁতেন।

# ৩

আইতাৰ কথাবোৰ আৰু চোন সাঁথৰ সাঁথৰ লাগিল। মই মুঠতে এইখিনিকে বুজিলোঁ, নমিতাহঁতৰ পৰিয়াল আৰু আমাৰ পৰিয়ালৰ মাজত কোনোবা কালত প্ৰতিষ্ঠাৰ বাবে সংঘাত চলিছিল, অথচ দুয়ো ঘৰৰ মাজত বৈবাহিক সম্বন্ধও ঘটিছিল। আইতাই বাৰু ক'ব খুজিছে কি? সেইঘৰ পুৰণি মিতিৰ মানুহ, সম্বন্ধ ঢুকি পোৱাতে আছে নে, সেই ঘৰ পুৰণি শত্ৰুৰ ঘৰ-গতিকে সম্বন্ধ পতা ঠিক নহয়, কোনটো? ভাবিলোঁ আইতাক পোনপটীয়াকৈ সুধি লওঁ। আৰু দুটামান কৌতূহলো মোৰ মনত জাগি উঠিল। আইতাই দেখোন কি মিনা কৰোৱা গহনাৰ কথা উলিয়াই কথাটো আকৌ সামৰি থৈ দিলে। আকৌ এতিয়া চোন উলিয়াইছে পানী কাহুঁদি আৰু বলধ গৰুৰ কথা। সেইবোৰৰ সংকেত বুজিবৰ বাবেও মোৰ কৌতূহলৰ পাৰ নোহোৱা হ'ল।

"বাৰু আইতা, মাহিন্দ্ৰীক যে ভোগাই বৰুৱাই বিয়া কৰালে আমাক তাৰ কিবা সম্বন্ধে পায় নেকি?" মই সুধিলোঁ।

"চুৰিয়াৰ সাত আৰু মেখেলাৰ তিনি—তাৰ পিচত আৰু সম্বন্ধ নেথাকে বোপাই। কিন্তু কথাটো বেলেগ এটাহে। তহঁতৰ গাত বাখৰৰ ঘৰৰ তেজৰ চিন নৰ'ল।" আইতাই ক'লে।

"কিয় আইতা? সুমলা?"

"তহঁত বৰ অঁকৰা স্ৰ', সুমলা তহঁতৰ ঘৰৰ জীয়ৰীহে—উলিয়াই দিলেই লেঠা ছিগিল।" ইমান পুৰণিদিনীয়া সম্বন্ধ এটাৰ কথা আইতাই ইমান সহজ

সুৰত ক'লে যেন আজিৰ ঘটনাহে। সুমলা জীয়াই থকা হ'লে দুশ বছৰৰো বেছি বয়স হ'লহেঁতেন! মোৰ হাঁহি উঠিল, কিন্তু তাৰ পিচত আইতাই যি কথা ক'লে সি যেন এটা তীব্র ফু-ৰ দৰে মোৰ হাঁহিটো নুমুৱাই দিলে।

"সুমলাও নেথাকিল বোপাই; মানৰ দিনত তাইৰ পেট ফালি পোৱালিটি উলিয়াই দোৱনীয়াই আম পাৰি খালে বোলে!"

"দোৱনীয়া কোন আইতা?"

"দোৱনীয়াৰ কথা নেজান নেকি? মানৰ দিনত যিমান মানুহে মানৰ দোৱান শিকি সিহঁতক বাট-পথ চিনাই লৈ ফুৰিছিল সেই আমাৰ মানুহমখা।"

আইতাৰ কথাৰ সহজ সুৰটোৱে মোক আকৌ লৈগ'ল সেই নিষ্ঠুৰ সময়ছোৱাৰ মাজলৈ। আকৌ মনৰ পটত জিলিকি উঠিল ভোগাই বৰুৱাৰ ক্রুদ্ধ মুখখনলৈ, যিজনে বুজিছে তেওঁৰ পুৰোহিতৰ পুতেকক অপমান কৰি বাখৰ নামৰ প্রতিষ্ঠাকামী বৰা এটাই তেওঁকে অপমান কৰিছে। কিন্তু বাখৰৰ কাৰ্য্যৰ তাৎপৰ্য্য তেওঁ উলিয়াব পৰা নাই। ময়ো পৰা নাই। মই আইতাক ক'লো, "আইতা, পানী কাহঁদি আৰু বলধ গৰুৰ কথাটো মই একো ধৰিব পৰা নাই হ'লে।"

"তহঁতৰ পৰিয়ালৰ বুধিবোৰ অলপ বাৰুকৈয়ে ভোটা অ' বৰমইনা। খঙৰ ভমক একোডাল আছে—কিন্তু কোনে কেতিয়া কি ভাবি কি কৰে একো বুজি নেপাৰ। ভোগায়ো তেনেকুৱাই আছিল। তেৰোঁ সেইবোৰ বুজি পোৱা নাছিল। পিচত যেতিয়া পালে—।"

"কেনেকৈ পালে আইতা?" আইতাৰ কথা শেষ নহওঁতেই মই সুধিলোঁ।

"সেইবোৰ বহুত কথা বোপাই। শুনচোন,—ছেঃ ৰাতিও ভালেখিনি হ'ল।"

"আজি আৰু লাগিলে নোশোওঁ আইতা, তোমাৰ সাধু শেষ কৰিহে শুম।" অকণমান নাতি ল'ৰা এটাৰ দৰে মই ক'লোঁ।

আইতাই কৈ গ'ল:

"সেইবোৰ বৰ খেলিমেলি কথা। ভিতৰি ভিতৰি ইমানখন কাজিয়া

সত্ত্বেও ভোগাই শহুৰেকৰ জ্ঞাতালিৰ ভোজলৈ গ'ল। অকল সেয়েই নহয়—নাওখোৱা হাবিৰ পৰা বৰ এটা কাঠখোৱা শৰ মাৰিও পঠিয়াই দিলে।"

"বাখৰে বাখিলেনে?" মই সুধিলোঁ।

"কিয়, কিয় নাৰাখিব? ডাঙৰ মানুহৰ কাজিয়াৰ ধৰঁণেই বেলেগ। মিঁতিবৰ ঘৰৰ পৰা শহুৰৰ শৰাধৰ ভোজত পহু এটা নিদিলে কেনেকৈ চলিব? মানুহবোৰেই বা কি বুলিব?"

আইতাৰ বৰ্ণনামতে ভোজৰ দিনা হুলস্থূল উদুলি মুদুলি। খেলে খেলে বেলেগে ৰান্ধি খাইছে, এটা পহুৰে ক'ত জোৰে। বাখৰে খাহীও আনিছে আঠোটা নে কিমান। তাৰে নুজুৰিলে। মানুহ গ'ল গাঁৱত খাহী বিচাৰি। বাখৰেতো টাঁহি-টুঁহি খাহীবোৰ নিলেই আগতে, এতিয়া আৰু ক'ত পায়? পঠা পোৱালি কেইটামানকে মানুহে ধৰি আনিলে। পঠাকিটাকে নি তপত খাহী কৰি খেলত ভগাই দিলেগৈ। তপত খাহী বস্তুটো কি প্ৰথমতে বুজা নাছিলোঁ। পিছত আইতাই বুজাই ক'লে বোলে তেওঁলোক মহাপুৰুষীয়া মানুহ দেখি পঠা ছাগলী নেখায়—পঠা গোসাঁনীৰ হে বস্তু, সেইবাবে খাহীহে চলে। মানুহৰ অনুপাতে খাহী কম হ'লে পঠা ছাগলী একোটাকে মৰাৰ আগতে খাহীকৈ লয়। সেয়েই হেনো তপত খাহী। তাৰ উপৰি খাহীটো হেনো কাটি নেমাৰে। মুচৰিহে মাৰে।

"এ' কাটিলে যে বলি দিয়া হ'ব! গোসাঁনীৰ আগতহে বলি দিয়ে। উমানন্দতো দেখিছ চাগৈ খাহীবোৰ কেনেকৈ মাৰে—বলি নিদিয়ে—" আইতাই খবৰ দিয়াদি ক'লে, "আমাবো, আগতে মুচৰিহে মাৰে।"

খেলে খেলে ভোজ-ভাত খাইছে। ঘাই চোতালত বহিছে বাখৰ, ভোগাই আৰু পৰিয়ালৰ মানুহ কেইজন। সলাল গোহাঁইৰ টোললৈ পুৱাতেই পহুৰ পিৰা এটাৰে সিধা পঠিয়াই দিয়া হৈছে। মাহিজ্ৰীয়ে নিজে ককায়েক আৰু গিৰিয়েকৰ কাৰণে হিং দি পহুৰ আগমঙহ অকণ ভাজিছে। সুমলা গোটেইজনী পখিলা উৰাদি ঘূৰি ফুৰিছে। তেওঁলোকে ভাত খাবৰ পৰত তাই লুহিত আৰু লপঙৰ লগত মাবল পিৰালিতে উমলি আছিল। লুহিত

আৰু লপং বাখৰৰ ল'বা-ছোৱালী। সিহঁতৰ ধেমালিৰ দুটা-এটা টুকুৰা টুকুৰি কথা ভোগাইহঁতৰ কাণত পৰিছেহি। এবাৰ ভোগায়ে শুনিলে,

"ব—ৰা

নাকটো খৰা

খিৰতি নিগনি বিয়া কৰা।"

মাতটো সুমলাৰ। তাৰ অলপ পিচতে লুহিতৰো মাত শুনা গ'ল।

"বকৰা ব—ৰা—ৰা

ব-ছিগা বকৰা।

টিকাত কামোৰ মাৰিলেহি

আমৰলি পকৰা।"

ভোগাইৰ কাণত বাজি উঠিল এটা শব্দ—ব-ছিগা বকৰা। ব-ছিগা বকৰা। কান্ধত যুঁৱলিৰ ঘঁহনি খাই বলধৰ ব ছিগে। ভোগাইৰ মুখখনে তিনিবাৰমান বৰণ সলালে! কথাটো মাহিস্ত্ৰীৰ চকুত পৰিল। তাইৰ বুকুখন চিৰিংকৈ গ'ল। দেখিলে, বাখৰেও এবাৰ কেৰাহিকৈ ভোগাইলৈ চাই কেঁচা জলকীয়াটোত লোণ সানি লৈ মৰককৈ কামোৰ এটা মাৰিলে। পুৰোহিতৰ পুতেকক বৃষোৎসৰ্গত বলধ গৰু দিয়াৰ তাৎপৰ্য্যটো ভোগায়ে এতিয়াহে গম পালে। তেওঁলোকৰ মাজত অকথিত বহুতো তৰ্ক-বিতৰ্ক যেন হৈ গ'ল। কিন্তু কাৰো মুখত কোনো কথা নাই। খোৱাৰ অন্তত তামোল এখন মুখত ভৰাই ভোগায়ে সুমলাহঁতক মাতি আনি হাঁহি এটা মাৰি ক'লে, "তহঁতে পদ-ফকৰা একো নেজান, এইদৰে গাবি,

"বৰাৰ ঘৰত তৰাৰ গাঁথি

বৰা থাকে কেই ৰাতি।"

তাৰ পিচত আৰু এটা হাঁহি মাৰি মাহিস্ত্ৰীৰ মুখলৈ চালে। মাহিস্ত্ৰীয়ে তলমূৰ কৰিলে। বাখৰো মুখৰ ৰং কেইবাবাৰো সলনি হ'ল। কিন্তু মুখেৰে তেতিয়া একো নক'লে। বৰানীয়ে, অৰ্থাৎ বাখৰৰ ঘৈণীয়েকে তামোল যতনাই আছিল। তেওঁহে ভোগাইৰ কোবটো যেন গাত পাতি ল'লে।

হাঁহি মুখেৰেই তেওঁ ক'লে, "বোলোঁ সুমলাৰ মাক, তৰাৰ ফৰ্মুটি যাৰ ক'ৰবালৈ মাৰে সি কেৰেপকে নকৰে। মাবোঁতা বীৰজন হে লঘু হয়।"

"হেঃ এইজনী, মনে মনে থাক" বুলি হুঁকি এটা মাৰি বাখৰে তেতিয়ালৈ কথাটো তল পেলাই থলে।

ৰাতি আটাই কেইদিন ভিন ভিন খেলে ভাওনা পাতিছিল। সেই দিনা আছিল সুধন্বা বধ ভাওনা, মুঢ়ানীৰ গায়নৰ খেলে পাতিছিল। বৰ ধেমালি সৰু ধেমালি হৈ যোৱাৰ পিচত বাখৰ আৰু ভোগাই গৈ সমাজত বহিল। বায়নৰ ঘৰৰ টেপু বৰ ধেমেলীয়া ল'ৰা। সি বহুৱা উঠিছে। তাৰ বহুৱালি ... ৰাইজে গিৰ্জনি পাৰি হাঁহিছে। মাজতে এবাৰ বাখৰ উঠি ক'ৰবালৈ গ'ল। আহোঁতে ছোঁ-ঘৰত সোমায়ো আহিল। তাৰ কিছু পৰৰ পিচত, যেতিয়া সুৰথ ৰজাৰ মৃত্যু হ'ল তেতিয়া টেকেলি এটা কাণমাৰিত বান্ধি লৈ বামুণৰ লিটিকাই হৈ টিকা খজুৱাই খজুৱাই টেপু ওলালহি! নানান অঙ্গী-ভঙ্গী আৰু নানান কথাৰ বকলাৰ মাজতে টেকেলিটো সুঙি চাই ক'লে, "এ সুৰথ ৰজা মৰিল। আমাৰ বাপু গ'ল কাজলৈ। পালে এই টেকেলিটোহে। চাওঁ চাওঁ কি আছে! গোন্ধাইছে ঐ গোন্ধাইছে—বং চাবা কিতেনেই সৰু ল'ছালীয়ে চেৰেলিয়াইহে থৈছে যেন। কি? এ' পানী কাহুঁদি! যি হ'ল হ'ল। মৰো জানো পৰি মৰাটো"—এই বুলি সি ফকৰা মাতিলে, "নাম পালোঁ ভোগাই, খাওঁ পানী কাহুঁদি।"

ৰাইজে গিৰ্জনি পাৰি হাঁহিলে। টেপুৱে সমজুৱাৰ ফালে চালে, তাৰ পিচত বাখৰৰ ফালে। বাখৰে সম্মতিসূচক হাঁহি এটা মাৰিলে। টেপুৱেও হাঁহিলে। কিন্তু ভোগাইৰ মুখৰ ফালে তাৰ দৃষ্টি যোৱাৰ লগে লগে তাৰ বুকুৰ তেজ হিম হৈ গ'ল। তেওঁৰ কোঁচ খোৱা কপালৰ ৰেখাত সি তাৰ ভাগ্যলিপি যেন পঢ়ি পেলালে। ৰাইজে ইফালে হাঁহিয়েই আছে। অ' সেইবাবেহে বৰা দেউতাই তাক এনেকৈ ওলাবলৈ কৈছিল! কঁপা কঁপা মাতেৰে সি কোনো মতে শেষ কৰিলে, "ৰজা আহিছে, চুপ চাপ! চুপ চাপ! সুৰথ ৰজা আহিছে, চুপ চাপ।"

ৰাইজে আকৌ এবাৰ হাঁহিলে। কোনোবা এটাই মাত দিলে, "হেৰৌ

মৰা ৰজাটো কেনেকৈ আহিব অ ?" সকলোৰে গোটেইখিনি টেপুৰ ভাও বুলিয়েই জানিলে। ভোগায়ে এতিয়াহে বুজি পালে পানী কাহুঁদিব ৰহস্য। গদবাপুক পানী কাহুঁদি দি বাখৰে পৰোক্ষ ভাবে ভোগাইকে ইতিকিং কৰিছিল। ইমান দিনে কথাটো বুজিব নোৱাৰাৰ বাবে ভোগাইৰ নিজৰে বৰ লাজ লাগিল। মুখখন কিবা গৰম লাগিবলৈ ধৰিলে। ভোগাই চাং কৰে থিয় হ'ল। তাৰ পিচত উত্তেজনাটো শাম কটাবলৈ বহি তামোল এখন মুখত ললে। সূত্ৰধাৰ আহি বচন মাতোঁতে তেওঁ যাবলৈ ওলাল। ৰাইজে বাট এৰি দিলে। ছোঁ-ঘৰৰ কাষ পাই ভোগাই খন্তেক ৰ'ল।

"এই টেপু, আহচোন।"

টেপু আহি বেঙেমুতা গৰুৰ দৰে কঁপি কঁপি থিয় হ'ল।

"ফকৰা ক'ত শিকিছিলি ?"

টেপু নিৰুত্তৰ।

"কাইলৈ মোৰ টোললৈ যাবি। আৰু দুটামান ফকৰা শিকাই দিম।"

ভোগাই আৰু নৰ'ল। সুমলা আৰু মাহিন্দ্ৰীক দোলাত লৈ যাবলৈ বৰ্হমচৰীয়াক দিহা দি তেওঁ নেজৰ বগা ঘোঁৰাটোত উঠিলগৈ।

পিচ দিনাৰে পৰা টেপু বহুৱা নোহোৱা হ'ল। খেনোৰে ক'লে গড়গঞা বাঘে খালে। কিন্তু বহুতেই জানিলে।

বগা ঘোঁৰাটো আহি ভোগাইৰ বাটচৰাতে ৰ'লহি। উৰীয়া লাঠিয়াল কেইটাই আহি ঘোঁৰাটো ধৰিলে। ভোগাই আহি এবাৰ মাবলতে বহিল। এবাৰ ভিতৰ সোমাল। তাৰ পিচত আকৌ ওলাই গ'ল। কাকো একো নক'লে।

মাহিন্দ্ৰীৰ আৰু ভাওনা চোৱা সুখ নহ'ল। তাই সুমলাক লৈ গুচি আহিল। সুমলা দোলাতে শুলে। গিৰিয়েকক নেদেখি মাহিন্দ্ৰী চিন্তিত হ'ল। কলৈ বা গ'ল মানুহজন এই তিনিপৰ নিশালৈকে ? ক'ত বা কি কৰিছে গৈ ? বান্দী-বেটীবোৰক সুধি জানিলে, ভোগাই আহিছিল, আহি আকৌ গৈছে। কাকো একো কোৱা নাই।

অলপ পিচতে ভোগাই আহিল। চকু দুটা ৰঙা। ভোগায়ে কোনো দিনে ফটিকা আদি নাখায়। সেইবাবে ৰঙা চকু দেখি মাহিন্দ্ৰীৰ আৰু চিন্তা লাগিল—কিবা অসুখেই হ'ল নেকি ?

কিন্তু ভোগায়ে আহি খপজপকৈ, "চাওঁ, তোৰ জেঠিনেজীয়া আঙঠিটো দেচোন।"

"কিয় ?" মাহিন্দ্ৰীৰ মুখৰ পৰা এনেয়ে ওলোৱাদি ওলাল কথাষাৰ।

সেই আঙঠিটো মাহিন্দ্ৰীক জোৰণত দিয়া হৈছিল। মান সোণৰ আঙঠি। সেইঘৰ মানুহৰ বোৱাৰীবোৰে পুৰুষানুক্ৰমে জোৰণত পায় আঙঠিটো. জয়ধ্বজ সিংহ দেৱৰ ৰাজমাও দেউতাই হেনো আঙঠিটো দিছিল তেওঁলোকৰ পূৰ্বপুৰুষৰ কাৰোবাক।

"কিয় ?" ভোগায়ে মাহিন্দ্ৰীৰ কথাষাৰ যেন অবাক হৈ দোহাৰিলে। মাহিন্দ্ৰীক চৰ এটা মাৰিবলৈ হাতখন দাঙি ভোগাই বৈ গ'ল। তাৰ পিচত একৰকম জোৰ কৰিয়েই মাহিন্দ্ৰীৰ হাতৰ পৰা আঙঠিটো খুলি আনিলে।

ভোগাইৰ চৰটো মাহিন্দ্ৰীৰ গালত পৰা হ'লেই কিজানি মাহিন্দ্ৰীয়ে ভাল পালেহেঁতেন। ঘটনাটো কি জানি শেষ হ'লহেঁতেন। এইদৰে বৈ যোৱাটোহে বিপদজনক। ভোগাইৰ মনত নিশ্চয় কিবা এটা দৃঢ় সংকল্পৰ জন্ম হৈছে।

আঙঠিটো লৈ ভোগাই মাৰল ঘৰৰ ফালে গ'ল। অলপ পিচতে হাতত সাৰে ভৰিত সাৰে মাহিন্দ্ৰীও গৈ মাৰলৰ কাষতে ৰ'ল। জলঙাৰে দেখিলে সনাতন সোণাৰি বহি আছে। আগত এদ'ম গহনা। চাকিৰ পোহৰত সনাতনৰ টপা মূৰ জিলিকি উঠিছে। সনাতনে গহনাবোৰৰ পৰা বাখৰবোৰ এৰুৱাই গৈছে। এফালে থুপাই থোৱা ৰঙা আৰু সেউজীয়া বাখৰবোৰৰ ফালে ভোগায়ে একেথৰে চাই আছে। শেষত তাইৰ জেঠিনেজীয়া আঙঠিটোৰ পৰাও সনাতনে বাখৰবোৰ খুলি পেলালে।

মাহিন্দ্ৰী আৰু ভাত নেথাকিল। লাহেকৈ বৰঘৰ সোমাই কান্দিবলৈ ধৰিলে। গিৰিয়েকৰ এই আচৰণৰ অৰ্থৰ ক্ষীণ ৰেঙণি এটা পাই তাইৰ গাৰ নোমবোৰ থিয় হৈ উঠিল। কিছু পৰৰ মূৰত ভোগাই আকৌ সোমাই

আহিল। আঙঠিটো মাহিন্দ্ৰীক দি ক'লে, "হো, পিন্ধি ল এইটো।" তাৰ পিচত মুখৰ ভিতৰতে ভোৰ ভোৰাই ভোগায়ে যি ক'লে সেইটো মাহিন্দ্ৰীয়ে বুজি পালে। "সেই এটা বাখৰ থাকে মানে বাখৰ নোসোমায় আৰু ঘৰত....।"

মাহিন্দ্ৰীৰ কান্দোন একেবাৰে বন্ধ গ'ল! তাই মাথোন এবাৰ গিৰিয়েকৰ মুখলৈ চালে। ক্ষীণ মৰম লগা মানুহজন। নাকৰ পাহি দুটা ডাঙৰ। মিহি, টানকৈ জাপ খোৱা ওঁঠ দুখনত দৃঢ়তাৰ চিন। চকুত অজলা অথচ কঠোৰ দৃষ্টি। ভোগাই। ভোগেশ্বৰ বৰুৱা। মানুহজনৰ বাবে তাইৰ দুখ লাগিল। লগে লগে ককায়েকৰ কথা ভাবিও তাইৰ বুকুৰ তেজ অকণমান যেন গোট মাৰি গ'ল। তাই হ'বলৈ আহিছিল দুটা প্ৰতাপী পৰিয়ালৰ মিলনৰ সেঁতু। এতিয়া সেই সাঁকোৰেদি বগাই আহিছে বিদ্বেষ, অপমান আৰু হয়তো মৃত্যুৰো ছাঁ। ভোগাই বৰুৱাৰ ক্ষীণ দেহটোৰ ভিতৰত থকা দৃঢ় মনটোৰ কথা তাই জানে।

তাইৰ হাতত ধৰি ভোগাই ক্ষন্তেক ৰ'ল। খপ্‌জপকৈ আঙঠিটো তাইৰ হাতত সুমাই দিব খুজিলে। তাৰ চকুত অলপ পানী ওলাব খুজিছিল। "ছেঃ চৰহাটো..." বুলি চকু দুটা মোহাৰি ভোগাই আকৌ ওলাই গ'ল।

তাৰ পিচত মাহিন্দ্ৰীয়ে মাথোন দিন গণিছিল। সদায় ভয় কৰিছিল ক'ৰবাত কিবা এটা হ'ব। কোনোবা ফালৰ পৰা কিবা অমঙ্গলৰ বাতৰি আহিব। কিন্তু নাই, ভালেমান দিন এনেকৈয়ে গ'ল। ভাওনাৰ দুদিন পিচতে টেপু বৰুৱা হেৰোৱা কথাটো লৈ অলপ বু-বু-বা-বা চলিছিল। কিন্তু বৰুৱা টোলত সেইবোৰ কথা তেনেকৈ সোমাব নোৱাৰে।

ভোগায়ে ভাবিছিল বাখৰৰ ঘৰে আৰু লেৰেলা বাপুক কাজেকামে নামাতে। আন পুৰোহিত লব। তেতিয়া লেৰেলা বাপুক উচটাই কিবা প্ৰতিশোধৰ ব্যৱস্থা কৰা যাব। কিন্তু নাই, বাখৰে নতুন পুৰোহিত নললে। দেউতাকে লগাই থৈ যোৱা 'পুহকৰ' কেইপাত গুচাবলৈ মাহে মাহে তুলসী দিবলৈ লেৰেলা বাপুকে মাতিলে। বাখৰে এদিন লেৰেলা বাপুক ক'লে,

"দেউ, মনৰ দুখতে সিদিনা কিবাখন কৰিলোঁ। দায়-জগৰ নধৰিব। জানেই লঘোণে- ভোকে আছিলোঁ গোটেই মাহটো!"

লেৰেলা বাপুৱে ভাবি আছিল শৰাধৰ কথা ইমান দিনে তল পৰিছে। আজি ক্ষমা প্ৰাৰ্থনাৰ সুৰত হলেও বাখৰে কথাষাৰ উলিওৱাত বাপুৰ মনত অলপ সন্দেহ হ'ল। তেওঁ একো নক'লে। তেওঁৰ সন্দেহ যে অমূলক নহয় সেইটো ওলাই পৰিল বাখৰৰ দ্বিতীয় কথাষাৰত।

"দেউ, বহুত দিনৰপৰাই কথা এটা ক'ম বুলি ভাবিছিলো। আপুনি যে সেই পিতনিডৰাতে পৰি আছে, মোৰ বৰি মাটি অলপ দিওঁ, নৈলৈকে উঠি আহক। কন্দলীত থকা পামখনো আপুনিয়েই খাওক। ঘৰে ঘৰে যজমানী নকৰিলেও চলিব কিজানি।"

লেৰেলা বাপুৱে প্ৰমাদ গণিলে। দুই ম'হৰ যুঁজৰ ফকৰাটো আহিলে মনলৈ। বাখৰে আৰু এটা টোপ আগবঢ়ালে, "আৰু বাপু, পোৱালিকণক যদি টোলে-চোলে পঢ়াবৰ মন আছে, মই ভাটিলৈ যোৱাৰো দিহাকণ কৰি দিব পাৰোঁ।"

এই টোপটো বাপুৱে টপ কৰে নিগিলিলে। কিন্তু ইয়াতেই তেওঁ এটা উপায় পোৱাদি পালে।

"ৰবা বোপাদেৱে কৈছে যেতিয়া আমাৰ গদক ভাটিলৈ পঠোৱাৰ অসুবিধা নহ'ব চাগৈ। সিবেলি বাণেশ্বৰ দেৱালয়লৈ কৈঠালকুছিৰ দেৱী পণ্ডিত আহিছিল—কিবা বোলেন দেবেন্দ্ৰপতি ভট্টাচাৰ্য্য—বৰ বিচক্ষণ পণ্ডিত। টোল আছে। তেওঁৰ তালৈকে পঠাব পাৰি নেকি চোৱা যাওক।" এইদৰে গদ বাপুৰ অৰ্থাৎ পুতেকৰ শিক্ষাৰ কথাকে পাতি লেৰেলা বাপুৱে ন-নৈলৈ উঠি অহাৰ কথা তল পেলাবলৈ চেষ্টা কৰিলে।

অৱশেষত গদক কামৰূপলৈ পঢ়িবলৈ পঠোৱাৰ বন্দোবস্ত প্ৰায় পকা হৈ উঠিল। কন্দলীৰ পাম এখনো বাখৰে বাপুক দিলে।

"পাম-চাম চলাই ঘৰতে পুথি-পাঁজি চায়েই চোন দে'ৱে দিন কটাব পাৰে—কি বোলে?" বাখৰে আকৌ টোপ জোকাৰিলে।

"ৰবা বোপাই কথা সজেই কৈছে। টিলিঙা বজাই আৰৈ চাউল চোবোৱাতকৈ মাটি-বাৰীৰে চমুৱা যেন হৈ থাকিবলৈ বেয়া নহয় চাগৈ! পিছে বোপা-ককা গ'ল যজমানী কৰি—এতিয়া আৰু টিলিঙা এৰি লৰু ধৰো কেনেকৈ?" লেৰেলা বাপুৱে ক'লে।

লেৰেলা বাপু অমান্তি হোৱাৰ আচল কাৰণটো হ'ল ভোগাই। যজমানী এৰা মানে ভোগাইহঁতৰো পুৰোহিতালি এৰা—যিটো সম্ভৱ নহয়। লেৰেলা বাপুৰ পক্ষে সেই কথাত মান্তি হোৱাটো নানা কাৰণত সম্ভৱ নহয়। বাখৰেও বুজিলে কথাটো।

ভোগায়ে সকলো গম পালে। আনকি লেৰেলা বাপুক তেওঁৰ আশ্ৰয় এৰি যাবলৈ কোৱালৈকে।

উস্ ইমান সাহ! কিন্তু তাতো চোন তেওঁ নাবাজিল। মাথোন লেৰেলা বাপুক আৰু দুপুৰা বাৰী-মাটি দি ক'লে, "গদই বাৰু কামৰূপৰ টোলত সমচ্কৃত পঢ়ি আহিব খুজিছে আহককৈগে। পিচে, আমাৰ কাল-সংহিতৰ আতাসকলে সমচ্কৃত পঢ়াটো ধৰ কামৰ কথা বুলি নাভাবে। সমচ্কৃতত যি যি কথা আছিল গুৰু দুজনাই সেই আটাইবোৰ পদ কৰিলেই হেনো। তেওঁলোকে সাহখিনি আনি দিছেই—সমচ্কৃত পঢ়া মানে খোলাটো চেলেকাহে।"

বাপুৱে কথাষাৰ ভাল নাপালে যদিও বিশেষ একো নক'লে। মাথোন ক'লে,"আগম নিগম আদি অনেক শাস্ত্ৰ আছে। আমি বামুণ মানুহে সেইবোৰ জানিলে ভাল।".

"সেইটো অৱশ্যে হয়। শবাধ বিধি ক্ৰিয়া কাণ্ড শিকি অহাটো বেয়া নহয়। আমাৰ বজবাত্তী আইৰ ল'ৰা আতাই অৱশ্যে কৈ গৈছে বোলে গুৰু দুজনাৰ কথাই বেদ। বাৰু, সেইবোৰ বাৰু এৰক। পিচে নৈ-নৈ উঠি যোৱাটো কি হ'ল?"

এই পোনপটীয়া কথাটো যে অৱশেষত আহিবই সেইটো লেৰেলা বাপুৱে জানিছিল। তাৰ বাবে যেন তেওঁ সাজুও আছিল। ভোগাইৰ কথা শেষ হওঁতে নহওঁতেই দে'ৰে ক'লে, "চিৰি বিষ্ণু!"

ভোগায়ে ভোৰভোৰালে, "মোৰ পুৰোহিতক ফুচুলাই নিব খোজে সেই কুমাৰনীৰ কাণৰ সোণেৰে চহকী হোৱাটোৱে। উস্ ভোগাই হালোৱা, ভোগাইৰ পুৰোহিতক দিয়ে বলধ। কিমান সোণ আছে সিহঁতৰ চাম...."

"ডাঙৰীয়াই কিবা কৈছে?" লেৰেলা বাপুৱে ক'লে।

"নাই, একো নহয়, ভাল পালোঁ শুনি যে আপুনি এতিয়াও গাভৰু ছোৱালী হৈ থকা নাই। মনত ৰাখিব-ভোগাইক এবোঁতা কোনো নাই, এৰিলে ভোগায়েহে এৰে!"

লেৰেলা বাপুৱে আকৌ মাথোন ক'লে, "চিৰি বিষ্ট!"

# ৪

এমাহ্ মানৰ মূৰত কুমাৰ গাঁৱৰ পৰা এজনী কুমাৰনী গৈ বাখৰৰ আগচ'ৰাৰ পিৰালিতে লাহেকৈ বহিল। সাধাৰণতে সিহঁত পাছ দুৱাৰেদি পোনে পোনে ভিতৰ চোতাললৈহে যায়।

"কি অ", আজি চোন একো অনা নাই?" চেলেংখনত হাত মচি মচি বাখৰে ক'লে, "লুহিতে বাণমলা নে ভূৰুকা কিবা এটাৰ কথা কৈছিল নহয় তোক, আনিছ?"

"নাই দেউতা, আন এটা সকামতহে আহিলোঁ আজি।"

"কি, পুতেৰৰ বিয়া পাতিছ নেকি? ভুবাগাঁৱত যে চপনীয়া হৈ আছিল সেইটো?"

"এৰা, তেনেকুৱাই দেউতা, দুটাৰ মাইকী হৈ উঠি এতিয়া বোলে বোৱাৰীজনী আহে। তাইকতো কিবা এটা দিব লাগিল।"

কুমাৰনীয়ে সেমেনা-সেমেনিকৈ ক'লে।

"কি দিবিনো? লপঙৰ মাকক খুজি পুৰণি ৰিহা-মেখেলা এযোৰকে দে গৈ। পুৰণি কইনা যেতিয়া।"

বাখৰে ৰসিকতা কৰি শেষৰ বাক্যটো যোগ দিলে। অলপ আসৈ পোৱাৰ সুৰত কুমাৰনীয়ে ক'লে, "নিম দেউতা, নিম। আপোনাসবৰ এৰা এৰেহাৰেই আমাৰ চলি যাব।" তাৰ পিচত অলপ ৰৈ ক'লে, "লগতে চাবিছিলোঁ দেউতাৰ হাতত থকা গেজেৰাটোও—"

"হেৰ' ইমান টকা ক'ত পাবি তই? দুই কম একুৰি হ'ল— জাননে

নেজান?” বাখৰে খং মুৱা হৈ ক’লে।

“বান্দীয়ে নো আৰু কি সিমানটো ভু পাওঁ; পিচে অনাত আনিছো ৰূপ একুৰি। সেই দহ টকি নিয়া আজি নো কম দিন হ’ল নে? এই বুলি কুমাৰনীয়ে হাঁচতিৰে মেবাই অনা আঠচুকীয়া ৰজা ৰূপৰ টোপোলাটো বটাটোৰ ওপৰতে থৈ আকৌ সেমেনা-সেমেনিকৈ ক’লে, “বেটীৰ বস্তুকণ, দেউতা...!”

বাখঁৰে এক মুহূৰ্ত কিবা ভাবিলে।

কুমাৰনীৰো বুকুৱে ধপধপালে।

তাৰ পিচত বাখৰ ভিতৰ সোমাই গৈ অলপ পিচত আকৌ ওলাই আহিল, হাতত কুমাৰনীৰ গেজেৰাটো।

“হোঁ এইটো।”

কুমাৰনীয়ে সেৱা এটা কৰি গেজেৰাটো হাতত লৈ আলফুলকৈ চুমা এটা খাই আঁতৰি গ’ল।

“এই, মেদেউ!” বাখৰে মাতিলে।

কুমাৰনী বৈ ঘূৰিল।

“মোক মাতিছে, দেউতা?”

“এইফালে আহ।”

কুমাৰনী ভয়ে ভয়ে উভতি আহিল।

“তোক এই টকা কোনে দিছিল? ক!” বাখৰে ডাবি দি ক’লে। কুমাৰনী নিমাত।

“চকু বেচি পাইছিলি? তোৰ ফুটা চকু বেচি বাৰটা পৈয়েৰে বাৰ বছৰে একুৰি ৰূপ আৰ্জিব নোৱাৰিলে, আজি ক’ত পালি?”

কুমাৰনী নিমাত।

“নকৱ কিয়, কোনটো পৈয়েৰে দিছিল? সিকিটো আদমহীয়াটোকৈ নি নি এতিয়া একে কোবেই একুৰি ৰূপ একে কোবেই সোধাব পৰা হ’ল!” বাখৰে ভেকাহি মাৰি ক’লে, “ক’, কোনে দিছিল?”

কুমাৰনী নিৰুত্তৰ।

তাই থকথককৈ কঁপিছে।

"সেই টকাখিনি ল, ল বুলিছো!"

কুমাৰনীয়ে গেজেৰাটোৰ ফালে মৰম সনা দৃষ্টিৰে এবাৰ চাই বটাত থলে আৰু ৰূপ কুৰিত হাত দিলে।

"ওহোঁ, গেজেৰাটোও নে।"

টকা আৰু গেজেৰা লৈ কুমাৰনী গুচি গ'ল।

কুমাৰনী যোৱাৰ পিচত বাখৰ বহুত পৰ বহি থাকিল। বাৰে বাৰে চেলেঙত হাত মচিলে। এইবোৰ নিশ্চয় সিঘৰৰ কাম—তেওঁ ভাবিলে। কুমাৰনীৰ হাতৰ-কাণৰ সোণেৰে চহকী হোৱা বুলি ভোগায়ে তেওঁক ইতিকিং কৰাৰ কথা বাখৰে আগৰে পৰা জানে। মাটি-বাৰী আৰু বহুতীয়া কিছুমান থাকিলেই হ'ল নেকি সিহঁতৰ দৰে? সোণৰ মহিমা সিহঁতে, এই ব-ছিগাকেইটাই কেনেকৈ বুজিব? সিহঁতৰ মূৰবোৰতো মাটি সোমাইছে। এজনী কুমাৰনীক ৰূপ একুৰি দি সোণ মোকলাই নিয়াই সিহঁতে ভাবিছে, মোক অপমান কৰিছে। কিন্তু গোটেই কুমাৰ গাঁওখনেই যে মোৰ হাতত বন্ধা। কলীয়া আতাৰ দিনৰে পৰা সঁচা গোটেইখিনি ধন খৰচ কৰিও ভোগায়ে পাৰিবনে সোণখিনি মোকলাব? ভোগাইৰ দৰে সাতোটা বলধ কিনি থব পাৰোঁ মই। তাৰ পিচত বাখৰ অলপ তভক মাৰি ৰ'ল। ভোগায়ে বাৰু এইটো কি খেলা খেলিছে? এইদৰে সোণ মোকলাই সি নিজেই সেইবোৰ ৰাখিব নেকি?

ওহোঁ, ইমান লাভ-লোকচানৰ কথা ভবাটো সিহঁতৰ পৰিয়ালতে নাই। কুমাৰনীৰ সোণ ভোগায়ে নিজলৈ কেতিয়াও নাৰাখে। বাখৰক ঠাট্টা কৰাৰ বাহিৰে সিহঁতৰ আৰু আন উদ্দেশ্য নাই। সিহঁতক লাগে মাথোন সন্মান, লাগে প্ৰতাপ।

কিন্তু তাৰ পিচতো দেখা গ'ল কুমাৰ গাৱঁৰ বহুতো মানুহে সকলো ভয় কাটি কৰিও একুৰি দুকুৰিকৈ ৰূপ লৈ বন্ধকী সোণ মোকলাবলৈ

আহিল। বাঘৰেও উপায় চিন্তিবলৈ ধৰিলে। কিবা এটা কৰিব লাগিব, তেওঁ ভাবিলে। সোণৰ মোহৰ কথা তেওঁ ভালদৰেই জানে। তেতিয়াৰ দিনৰ বন্ধকী মানে কম দামতে বেচা। বাঘৰে বুজিলে মানুহৰ সোণৰ ওপৰত থকা মোহকণৰ ওপৰত ভেটি কৰিয়েই ভোগায়ে এই খেলা খেলিছে। কিন্তু তাত ভোগাইৰ লাভ কি? এই লোকচানৰ খেলাত লাভ কি তেওঁৰ? হয়তো বাঘৰক অপমান কৰা। নে, আৰু কিবা কাৰণ আছে?

# ৫

এদিন মুকুন্দ কুমাৰ গাৱঁৰ এমূৰীয়া তাৰ পঁজাটোৰ পৰা ওলাল। নিঠৰুৱা ন'হলেও তাৰ অৱস্থা নিঠৰুৱাতকৈও শোক লগা। ল'ৰা-তিৰোতাই তাক এৰি গৈছে। ভায়েকে গাৱঁৰ এমূৰত পঁজা এটা সাজি দিছে। চাউল-পাতৰো যোগান ভায়েকেই ধৰে; কেতিয়াবা খুজিও আনে। তাৰ জুপুৰি ঘৰটো হ'লে চালে চকুৰোৱা। মিহিকৈ চিকুণোৱা চোতাল। কেইজোপামান শেৱালি আৰু তগৰ ফুলৰ গাছ। ৰাতিপুৱা সোনকালে উঠি সি কোনেও নেদেখাকৈ নৈত গাটো ধুই আহে। বাকী কাম তাৰ ঘৰৰ কাষতে থকা খালটোৰে কৰে। খুজিব-মাগিবলৈ গ'লে তাক আটায়ে লেইলেই-ছেইছেই কৰে। কাৰো ঘৰৰ পদূলিৰ সিপাৰ হ'বলৈ তাক দিয়া নহয়। মানুহেও কথা-বতৰা দূৰৰ পৰাহে পাতে। মুকুন্দ আজি ঘৰৰ পৰা ওলাল। ওলায়েই সি গাৱঁৰ ফালে নাহি ন-নৈৰ ফালে আগবাঢ়িল। কথাটো এটা খবৰৰ দৰেই হ'ল। গাৱঁৰ ল'ৰা-ছোৱালীয়ে গৈ খবৰ দিলে ভায়েকক। ভায়েক প্ৰায় উধাতু খায়েই আহিল। কাৰণ সি ককায়েকক খুজিব-মাগিবলৈ হাক দিছে। যি লাগে সি নিজেই দিয়ে।

"ককাই, কলৈ যাব? কিবা চাউল-পাত লাগিলে দিমহি নহয়।"

"নেলাগে,নেলাগে, তহঁতৰ চাউল-পাত আৰু নেলাগে, মোক। এইয়া চা"—এই বুলি মুকুন্দই টোপোলা এটা জোকাৰি দেখুৱালে। টোপোলাটোৱে জুনজুনালে।

"কিনো সেইবোৰ?"

"এইয়া, চা"। এই বুলি মুকুন্দই টোপোলাটোৰ পৰা এমুঠি ৰূপৰ টকা

সিকি আদমহীয়া হাতত ললে।

"ইমান ধন ক'ত পালি ককাই? কি কৰগৈ এই ধনেৰে?"

ভায়েকে কাতৰভাৱে সুধিলে।

মুকুন্দই এটা অদ্ভুত হাঁহি মাৰিলে।

"মই মানুহটোহে পেলনীয়া হৈছো—এইবাৰ চাওঁ মোৰ ধন পেলনীয়া হৈছে নে নাই!"

"তোৰ কথা একো বুজা নাই ককাই। ক'ৰ টকা? কাক দিয়গৈ?"

ভায়েকৰ মাতত বিমোৰ হোৱাৰ সুৰ স্পষ্ট।

মুকুন্দৰ মুখত আকৌ সেই হাঁহি। আত্মঘাতী বেদনাৰ হাঁহি। "ক'ত পালোঁ কিয় লাগিছে? এই টকা মোৰ। এই টকা মই য'ত দিব লাগে দিম। চাই থাক। আৰু মোৰ সিজনীৰ—তাই আছেগৈ নহয় বাপেকৰ ঘৰত—কাণত কঁৰীয়া পিন্ধাম। বুঢ়ী আইৰ কাণৰ কঁৰীয়া।"

ভায়েকে কথাটো বুজিলে। ক'লে, "ককাই! তই নিজেও মৰিবি, আমাকো মাৰিবি! বুঢ়ী আইৰ কঁৰীয়া আৰু এতিয়াও কঁৰীয়া হৈ আছেনে? ককাই তই এইবোৰ এৰি পেলা। য'ৰ ধন পাইছ, তাত দি আহগৈ।"

"ধন ঘূৰাই দিলেও মৰিম, সোণ আনিবলৈ গ'লেও মৰিম" মুকুন্দই ক'লে, "মোক মৰাৰ ভয় নুখুৱাবি। মইনো ক'ত জীয়াই আছো? ছিঃ মই মৰাতকৈ অধইচ! সকলোৰে পেলনীয়া হৈ গাৱঁৰ এচুকত—ছিঃ!"

এই বুলি মুকুন্দ আগবাঢ়িল। ভায়েক নিৰুপায় হৈ গুচি গ'ল। ভায়েক লগত যোৱাটোও সম্ভৱ নাছিল। কাৰণ, সি জানে, লগত থাকিলে বাখৰৰ খঙৰ জুইত সিও জাহ যাব লাগিব।

গাৱঁৰ ল'ৰামখাই অৱশ্যে মুকুন্দৰ পিচ নেৰিলে। টুকটুককৈ সি ন-নৈৰ ফালে আগবাঢ়িল। কুৰি নলমান আঁতৰে আঁতৰে ল'ৰাৰ দল। খেনোৰ কঁকালত কাচুটি আছে, খেনোৰ নাই। ল'ৰাইতে জানে যে আজি বাখৰৰ ঘৰত কিবা ধেমালি হ'বই। সিহঁতৰ মতলব সেই ধেমালি চোৱাৰ। মাক-বাপেকে গালিপাৰি শাও-শপনি দিও সিহঁতক খেদি পঠাব নোৱাৰিলে।

সিহঁত আগবাঢ়িল। পিচত দেখা গ'ল, ল'ৰাহঁতৰ কিছু আঁতৰে আঁতৰে গাঁৱৰ আন মানুহো ধেমালি চাবলৈকে গৈ থকিল।

মুকুন্দ গৈ বাথৰ বৰাৰ বাটচ'ৰাতে ৰ'ল। বাহিৰত ল'ৰা-ছোৱালীৰ কোঢ়াল শুনি বাথৰৰ ঘৰৰ লগুৱা দুটা ওলাই আহিল।

"কোন তহঁত, কি লাগে তহঁতক?"

বাথৰৰ লগুৱাৰ মাত শুনিয়েই মানুহবোৰ ফৰিং চিটিকা দিলে। বাটচ'ৰাত কঁপি কঁপি থিয়দি কেৱল মুকুন্দ কুমাৰ, হাতত তাৰ টোপোলাটো।

বাথৰে তেতিয়া চ'ৰাঘৰতে বহি ফাটীপড়া ঘৰৰ বুঢ়া হাজৰিকা হাফিজুৰৰ লগত কথা পাতি আছিল। গোলমাল শুনি তেওঁ দুৱাৰদলিৰ পৰাই লগুৱা এটাক ক'লে, "হেৰ' সেই বৰৰুগীয়াটো কিয় আহিছে সোধ চোন। নাই নেলাগে ৰ। ভায়েকে সিধা-পাতি নিদিয়া হ'ল হ'বলা। পৰলীয়া চাউল এদোণকে দি আহগৈ টকৌপাতৰ টোম এটাত।"

এই বুলি তেওঁ গৈ আকৌ হাফিজুৰ হাজৰিকাৰ লগত কথাত যোগ দিলে।

টকৌপাতৰ টোম এটাত চাউল এটোম নি লগুৱা এটাই বাটচ'ৰাৰ দাঁতিত থ'লে।

"চাউল-পাত একো নেলাগে ঐ দেউতাহঁত! মই বাথৰ দেউতাৰ মাত এষাৰহে শুনিব খোজোঁ।"

লগুৱা কেইটা বিচুৰ্তি হ'ল। এই বৰ-ৰুগীয়াটোৱে কয় কি? সিহঁতে সৰুকৈ ক'লে, "হেৰৌ, ভালে ভালে আঁতৰি যা। দেউতাই তোক বাটচ'ৰাৰ পৰা আদৰি নিনিয়েহি। গুচ্ কটা ভালে ভালে!"

কিন্তু মুকুন্দ অবিচল। সি বৰা-দেউতাক দেখা নকৰাকৈ নাযায়।

এটা লগুৱাই ক'লে, "হেৰৌ, বোলো কিবা কথা থাকিলে আমাকে ক'। আমি গৈ দেউতাক ভেটিমগৈ।"

কিন্তু মুকুন্দ মান্তি নহ'ল। সি ক'লে, "মোৰ কথা মইহে ক'ব পাৰিম। তোমালোকে মই বৰা-দেউতাক লগ কৰিব খোজোঁ বুলি কোৱাগৈ যোৱা।"

"তই লগ ধৰিব খোজাৰ কথা কেনেকৈ ক'মগৈ অ' দেউতাক ? কোনটো সাহেৰে ক'ম ?"

"তহঁত জীয়া মানুহ ঐ দেউতাহঁত, তহঁতৰ মৰিবলৈ ভয় হ'বই। মোৰ পিচে ভয় নাই। তেন্তে তহঁতেই কগৈ দেউতাক—বোলে বুঢ়ীমাকৰ সোণ মোকোলাবলৈ মুকুন্দ কুমাৰ আহিছে...."

মুকুন্দৰ মুখৰ পৰা কথাষাৰ ওলোৱাৰ লগে লগেই লগুৱা দুটা উচাপ খাই উঠিল।

"আই ঔ, তেনে কথা এষাৰ দেউতাক ক'বলৈ মোৰ বোপাইৰো দুটা কলিজা নাই ঔ!"

লগুৱা দুটাই বেচ ছোট্‌ঘাত দেখুৱালেও কথাবোৰ হ'লে লাহে লাহে কৈছিল—জানোচা বাখৰৰ কাণত পৰেগৈ। তেনেতে বাখৰ আকৌ উঠি আহিল।

"হেৰৌ থোলোক, কি বিয়নি মেল পাতিছ সেই কুঠীয়াটোৰলগত? তাৰ জনীকে ভনি লব খুজিছ নেকি ? তাক যাবলৈ নকৱ কিয় ?"

থোলোক নামৰ লগুৱাটোৱে উপায় নাপাই সেহাবেঙাকৈ ক'লে, "সি কৈছে বোলে সি হেনো দেউতাৰ লগতহে কথা হ'ব।"

"আঃ এই ববকথীয়াটোৰ ইমান সাহ! গতিয়াই খেদি দে তাক।"

আনদিনা হ'লে বাখৰ বৰাৰ মুখৰ পৰা ইমানখিনি কথা ওলোৱাৰ প্ৰয়োজনেই নহ'লহেঁতেন, লগুৱাকেইটাই আগতেই দিহা লগালেহেঁতেন। কিন্তু মুকুন্দৰ গাত হাত দিবলৈ সিহঁতৰ সাহ নাই। মুকুন্দৰ যে গাটো বগা তাপলিৰে ভৰা। বগা তাপলি অৰ্থাৎ শ্বেতকুষ্ঠ সৌ সিদিনালৈকে 'বিয়াধি' হিচাপে ধৰা হৈছিল। মানুহে ভাবিছিল ইও এটা মাৰাত্মক, দুৰাৰোগ্য আৰু সংক্ৰামক ৰোগ। সেই বাবেই মুকুন্দক ল'ৰা-তিৰোতাই এৰি গৈছিল। ভায়েকে বেলেগে ঘৰ সজাই দিছিল। আজি মুকুন্দৰ ব্যাধিয়েই তাৰ বৰ্মৰ দৰে হ'ল। তাক কোনেও নোছোৱে।

লগুৱাকেইটা আৰু বাখৰো নিৰুপায় হৈ থিয় দি থাকিল। তেনেতে

ফর্চীপঢ়া ঘৰৰ হাজৰিকা হাফিজুৰ বুঢ়াআপ ওলাই আহিল।

"বোলোঁ, কিহৰনো খকাখুন্দা, কিহৰনো তৰ্কাতৰ্কি ? বৰা বোপা, কি হ'লনো ?"

"চাওকচোন আপদেউ, এই বেমাৰীটো ইয়াৰ পৰা নাযায়। মোৰ লগত হেনো তাৰ কথা আছে। মোৰ লগতনো তাৰ কি এনে কথাটো থাকিব পাৰে ? তাৰ সাহটো চাওক চোন।" বাখৰে ক'লে।

ফৰ্চীপঢ়া ঘৰৰ হাফিজুৰ হাজৰিকাই ক'লে, "হেৰৌ বেমাৰী মানুহটো, তই এইদৰে ঘূৰি ফুৰিব পায় জানো ? চাউল দিছে পাত দিছে, গুচি নাযাৱ কিয় ?"

"ফৰ্চীপঢ়া দেউতা," মুকুন্দই ক'লে, "আপুনিও আছে যেতিয়া ভালেই হ'ল। মই বৰা-দেউতাৰ সৈতে অলপ কথা—" মুকুন্দৰ কথা শেষ নহ'ল। বাখৰে গৰজি ক'লে, "কটা নিধক কুঠিয়াৰ সঁচ, তোৰে সৈতে মোৰ কিহৰ কথা থাকিব পাৰে অ' ?" তাৰ পিচত লগুৱা দুটাক ক'লে, "খেদি নপঠাৱ কিয় ইয়াক, বেটাহঁত ?"

হাফিজুৰ বুঢ়াই ক'লে, "বোলোঁ বৰা বোপাদেউ, কোৰন হদিছত কৈছে বোলে গৰীব-ধনী, দুখীয়া-সুখীয়া সকলো মানুহ খোদাতাল্লাৰ পয়দা। গৰীব-দুখীয়া মানুহৰ আমিৰ-ওমৰাওৰ ওচৰত কিবা নালিচ গোচৰ থাকিবও পাৰে। সেইবোৰ নুশুনিলে গুনাহ নাই, কিন্তু শুনিলে চৱাব হ'ব।"

হঠাৎ বিজুলী সঞ্চাৰে বাখৰৰ মনত এটা আশাৰ ৰেঙনি খেলি গ'ল। কিজানি মুকুন্দই বাখৰৰ ওচৰত ভোগাইৰ কথা কিবা ক'বলৈকে আহিছে!

হাফিজুৰ বুঢ়া আপই তেনেতে মুকুন্দক ক'লে, "বেমাৰী মানুহটো, তই ক' চোন। তোৰ আৰজী পেচ্ কৰ। বাখৰ দেউতাৰ আগত কি ক'বলগীয়া আছে ক'।"

কি কথা ক'ব পাৰে বাৰু মুকুন্দ কুমাৰে, বাখৰে ভাবিলে। কিহৰ বাবে ইমানটো মৰসাহ কৰি সি আহি বাখৰৰ পদূলিত থিয় দিছেহি ? বগা তাপলি হোৱা বৰ বেমাৰী এটা তেওঁৰ টোলত সোমাব খোজাটোৰেই তেওঁৰ প্ৰতিষ্ঠাৰ

প্ৰতি এটা প্ৰত্যক্ষ অসন্মান, কিন্তু হাফিজুৰ আপই কোৱা কথাৰো দাম নোহোৱা নহয়। সৰু হওক, ডাঙৰ হওক, ৰজাঘৰীয়া বিষয়া তেওঁ। তেওঁৰ ওচৰত মুকুন্দৰ কিবা গোচৰো থাকিব পাৰে। হয়তো মুকুন্দৰ পৰাই ভোগাইৰ মতি-গতিৰো কিবা তলা-নলা পাব পাৰে। তেওঁ মুকুন্দক ক'লে, "বাৰু ক'চোন, তোৰ কি গোচৰ আছে?"

মুকুন্দই মেৰতলিৰ পৰা টকাৰ টোপোলাটো উলিয়ালে। তাৰ পিচত আঁঠু লৈ সেৱা এটা কৰি টোপোলাটো বৰাৰ ফালে মাটিতে থলে।

বাখৰে সকলো বুজিলে। গোটেই গাৰ তেজবোৰ আহি যেন তেওঁৰ মুখ আৰু মূৰত গোট খালেহি। তেওঁ কিবা কোৱা বা কৰাৰ আগতেই হাফিজুৰ বুঢ়াই আচৰিত হৈ চিঞৰি উঠিল, "ইয়ে আল্লা, ইমানবোৰ টকা! হেৰ' তোৰ মতলব কি?" মুকুন্দই স্পষ্ট অথচ, ক্ষীণ মাতেৰে ক'লে, "দেউতাসকল, মোৰ বুঢ়ী আয়ে দেউতাৰ ওচৰত কঁৰীয়া এযোৰ..."

মুকুন্দৰ কথা শেষ নহ'ল। বাখৰৰ গোৰত টোপোলাটোত থকা টকা সিকি-আদমহীয়াবোৰ সিঁচৰিত হৈ পৰিল।

হাফিজুৰ বুঢ়াই কি বুলিলে ক'ব নোৱাৰি, কিন্তু বাখৰে বুজিলে। শেষত মুকুন্দ কুমাৰো আহে বুঢ়ীমাকৰ কঁৰীয়াযোৰ মোকলাবলৈ! তাকো ফৰ্চীপঢ়া বুঢ়া আপৰ আগতে!

"কি চাই আছ কুকুৰ পোৱালিহঁত? বান্ধ ইয়াক" বাখৰে চিঞৰি ক'লে। কিন্তু সিহঁত কোনো আগ নাবাঢ়ে। বৰৰুগীয়াটোক ছোৱে কেনেকৈ সিহঁতে?

খণ্ডত একো নাই হৈ বাখৰ ভিতৰলৈ সোমাই গ'ল।

মুকুন্দই য'ৰে টকা ত'তে পেলাই থৈ উঠি এখুজি দুখুজিকৈ উভতি যাবলৈ ধৰিলে। বাখৰ ওলাই আহিল হাতত সৰু নলীয়া হিলৈ এটা লৈ।

"খাজ"! বাখৰে ক'লে। লগুৱাই হিলৈ খাজিলে। বাখৰৰ নিৰ্দেশমতে থোলোক নামৰ লগুৱাটোৱে মুকুন্দলৈ টোঁৱাই হিলৈৰ ঘোঁৰাটোত টিপা মাৰি দিলে।

তাৰ পিচত হিলৈৰ শব্দ, বাৰুদৰ ধোঁৱা আৰু গোন্ধ।

মুকুন্দৰ শেষ আৰ্তনাদ।

তেতিয়াহে বাখৰে মন কৰিলে আলি-কেঁকুৰিত প্ৰজাৰ জুম। তেতিয়াহে চেতনা আহিল, চোতালত থিয়দি আছে ফাৰ্চীপঢ়া ঘৰৰ বুঢ়া হাফিজুৰ হাজৰিকা। বাখৰে বুজিলে, তেওঁ এটা ডাঙৰ ভুল কৰিলে। উত্তেজিত হৈ চিকা মাৰি হাত গোন্ধোৱালে তেওঁ। নিজেই নিজৰ বিপদ মাতি আনিলে। মুকুন্দ কুমাৰক মাৰিবলৈ হিলৈ উলিয়াব নালাগিছিল তেওঁ। তাতে যেই সেই হিলৈ নহয়—খাচ্ কুম্পানীৰ হিলৈ। জুই দিব নালাগে। ৰজাঘৰীয়া সৈন্যৰ বাহিৰে হিলৈ আন মানুহে ৰাখিব নাপায়—ৰাখিলে জগৰ। তাতে আকৌ এইটো কুম্পানীৰ হিলৈ। মুকুন্দ কুমাৰক তেওঁ অনায়াসে টঙনিয়াই মাৰিব পাৰিলেহেঁতেন বা যাঠিৰে খুঁচি। তেওঁৰ হাতত হিলৈ থকা কথাটো সামান্য কথা এটাতে সদৰি হৈ গ'ল। মিকৃগড় চাহাবৰ হিন্দুস্থানী চিপাহী এটাৰ পৰা চোবাংকৈ আনি ৰাখিছিল তেওঁ হিলৈটো। আজি ৰাইজে জানিলে। এই সামান্য মানুহবোৰে বাৰু জানিলে জানক। কিন্তু ফাৰ্চীপঢ়া ঘৰৰ হাফিজুৰ বুঢ়ায়ো গম পালে। সেইটোহে ডাঙৰ কথা হ'ল। ফাৰ্চীপঢ়া ঘৰৰ লগত সলাল গোহাঁইসকলৰ অবাধ আহ-যাহ। বঙালৰ চুবাদাৰৰ চিঠিপত্ৰ বহুত সময়ত ফাৰ্চী জবানত আহে। সেইবোৰ পঢ়ি দিয়াৰ বাব তেওঁলোকৰ। পুৰুষানুক্ৰমে হাজৰিকা। এতিয়া যদি সলাল গোহাঁয়ে গম পায় বাখৰে কুম্পানীৰ হিলৈ ৰাখিছে! যদি তেওঁ ভাবে বাখৰে দ্ৰোহ আচৰিছে! হঠাৎ বাখৰৰ মনলৈ আহিল—মুকুন্দ আৰু হাফিজুৰ—দুয়োকে ভোগায়ে চক্ৰান্ত কৰি পঠিয়াই দিয়া নাইতো?

হাফিজুৰ বুঢ়া আপই বাখৰৰ ফালে একেথৰে চাই আছিল। তেওঁ যেন বাখৰৰ মনটো ফাৰ্চী পঢ়াদি পঢ়িহে পেলালে। তেওঁ নিৰ্বিকাৰ সুৰে ক'লে, "বোপাদেউ, চিন্তা নকৰিব। মই একো দেখা নাই, মই একো শুনা নাই।"

হাফিজুৰ বুঢ়া আপ গ'লগৈ।

দূৰৰে পৰা খোৰোচা গাঁঠি লগাই মুকুন্দৰ শটো চোঁচোৰাই নি গাঁত এটা খানি পুতি থোৱা হ'ল।

বাখৰৰ মনত অলপ উগুল-থুগুল ভাব। পানীত তুলসী পাত তিয়াই

গাটো ধুইহে মনটোত অলপ শান্তি পালে। ছেঃ কি কাণ্ডটো হ'ল আজি! হফিজুৰ বুঢ়াৰ শেষ কথাষাৰ মনত পৰিল। তেওঁ হেনো একো দেখাও নাই, শুনাও নাই। অৰ্থাৎ, তেওঁ যি দেখিলে সেই কথা আৰু কোনেও গম নাপায়। কিন্তু বাথৰে ভাবিলে, সিহঁতে তো দেখিছে। সিহঁতে মানে আলি-কেঁকুৰিত থকা কুমাৰ গাৱঁৰ মানুহমখাই। ইহঁতৰনো ক'ৰবাত গোচৰ তৰিবৰ সাহ হ'বনে? আৰু ভোগায়ে গম পাবই। ভোগাইহঁতে সদায় চোন গম পায়েই। নাই, বাথৰে ভুল কৰিলে। ভোগাইৰ হাতত এইদৰে ধৰা পৰিব তেওঁ নালাগিছিল। জিদত পৰি কুমাৰ গাৱঁৰ বন্ধকী সোণ মোকোলাবলৈ গৈ সি টোকোনা হৈ গ'লহেঁতেন। প্ৰথমে দিয়া চিকা ৰূপ আৰু আঠচুকীয়া ৰূপৰ ঠাইত এতিয়াই চোন সিকি আধলি ওলাইছেই। এইদৰে চেঁচা ৰণখন চলি থকাটোৱেই ভাল আছিল। আজি তেওঁৰ খঙৰ ভমকটো বৰুৱাৰ ঘৰৰ যেন হে হ'ল।

বাৰু, যি হ'ব লগা আছিল হ'ল। মুকুন্দই অনা টকাবোৰ পেলাই দিব নোৱাৰি। তেওঁ সেইবোৰ গোবৰ-পানীৰে ধুই তুলসী পানী ছটিয়াই সুমুৱাই থবলৈ ভঁৰালীক ক'লে। আৰু, এই কুমাৰ গাৱঁৰ গৰুমখাক ভালকৈ সোৱাদ দিব লাগিব, সিহঁতৰ যাতে চিৰকাললৈ পিত্ মৰি যায়।

সেই দিনা ৰাতি কুমাৰ গাৱঁৰ আধাখিনি পুৰি ছাঁই হৈ গ'ল।

# ৬

কিছুদিন মানৰ পৰা মাহিন্দ্ৰীয়ে লক্ষ্য কৰিছিল, হাতনি পেৰাৰ ধনেৰে ভোগাইৰ নচলা হৈছে। ঘনাই বৰ পেৰা মেলিবলৈ লৈছে। আগেয়ে সিকিটো চৰতীয়াটো লাগিলেও বৰ্হমচৰীয়াৰ হতুৱাই তাইৰ পৰা নিয়ায়হি। এতিয়া ভোগায়ে নিজেই পেৰা মেলি লৈ যায়। কুমাৰ গাৱঁৰ মানুহবোৰৰ আহ-যাহৰ কথাও সিহঁতৰ ঘৰবান্দী পিতিকি বায়ে কৈছিলহি তাইক।

মুঠতে সকলোবোৰ কথা মিলি মাহিন্দ্ৰীৰ মনটো দুশ্চিন্তাৰে ভৰি আছিল। লিগিৰা বৰ্হমচৰীয়াৰ পৰা তাই কুমাৰ গাৱঁৰ মানুহবোৰক ধন দিয়াৰ কথাও গম পাইছিল। কি উদ্দেশ্যত ভোগায়ে এইবোৰ কৰিছে তাই ঠিক বুজিব পৰা নাই। বুজিব নোৱাৰাৰ বাবে তাইৰ দুশ্চিন্তা আৰু উদ্বেগ বাঢ়িহে আহিছিল। ভোগাইক সুধিবলৈকো তাইৰ সাহ নাছিল। তথাপি, নাজানিলে তাইৰ নচলিব। যেনে তেনে তাই কথাটো উলিয়াবই।

সিহঁতৰ এঘাৰ বছৰীয়া জীয়েক সুমলাই এতিয়া সিহঁতৰ সাঁকো। এঘাৰ বছৰীয়া পাটগাভৰু ছোৱালী, এতিয়াও কেঁচুৱা হৈয়েই থাকিল। উঘা এটাও লব নাজানে। জানে কেৱল সাধু শুনিব আৰু ধেমালি কৰিব। ৰুক্ষ স্বভাৱৰ ভোগাই সুমলাৰ ওচৰত নিচেই কোমল। এদিন মাৰল ঘৰত বহি ভোগায়ে সুমলাক কিবা বঙাল বাজীকৰৰ ভাও দেখুৱাইছিল। ভোগাইৰ প্ৰসন্ন মুখখন দেখি মাহিন্দ্ৰীয়ে সুযোগটো লব খুজিলে।

"হয়নে অ'সুমলা, পিতাদেৱেৰে যে কুমাৰবোৰৰ আগত টকা ছটিয়াইছে, সিহঁতেও কিবা এটকা ৰূপ দুটকা কৰা ভেলেকি জানে নেকি?"

ভোগাইৰ হাঁহি এক মুহূৰ্তৰ বাবে বন্ধ হৈ আকৌ দুগুণ জোৰেৰে ওলাল।

এই হাঁহি অৱশ্যে আগৰ সৰল হাঁহি নহয়। হাঁহি হাঁহি ভোগায়ে ক'লে, "মা-ৰক ক' বোলে পিতাদেৱেৰে বৰ দ পাট নাদ এটা খন্দাব খুজিছে, একেবাৰে পাতাল ঢুকি পোৱাকৈ। মোমায়েৰৰ ভয়ত আমি পলাব লাগিব নহয়!—তয়ে মুয়ে! মাৰ ভনীয়েৰ বুলিয়েই সাৰিব।"

"মোমাইৰ লগত তই কিবা লুকা-ভাকু খেলিছ নেকি পিতাদেউ!" সুমলাই ক'লে।

"এৰা লুকা-ভাকুৱেই। পিচে এই খেলত যি মৰে' সি আৰু নিজীয়ে—একেবাৰেই মৰে",—তাৰ পিচত মাহিন্দ্ৰীলৈ চাই ক'লে, "সিদিনা ভোজত তোৰ বৌৱেৰে কোৱা কথাখিনি মনত আছেনে নাই? মই হেনো হাতীৰ ক'ৰবালৈ তবাৰ ফমুটি মাৰিছোঁ। হোঁ। সি হাতী হ'ল? তাৰ দাঁত ওলাইছে! হেৰ' হাতীৰ দুদাঁত, বৰাৰ দুদাঁত আৰু নিগনিৰো দুদাঁত! এইবাৰ নোদোকা বৰাগাহৰিক নিগনি কৰিহে এৰিম।"

সুবিধা পালেই মাহিন্দ্ৰীক বিকৰ্থনা কৰাটো ভোগাইৰ স্বভাৱতেই পৰিণত হৈছে। মাহিন্দ্ৰীৰ হাঁহিব খোজা মুখখন মোলান পৰি গ'ল।

সুমলাই ক'লে, "পিতাদেউ, বৌ আহিলেই তই চোন কিবাখন কৰ। নোমলো যা তোৰ লগত।"

এইবুলি সুমলা দুপ দুপাই ওলাই গ'ল।

মাহিন্দ্ৰীয়ে সৰুকৈ ক'লে, "জানো, সৰু মানুহবোৰৰ লগ লাগি আপুনি কি কৰিব খুজিছে এইখন। বেচি লাই দিলে গললৈকে জপিয়াব ক'ৰবাত!"

"মোৰ ডিঙি ঢুকি পোৱা সহজ নহয় অ' বৰাব জীয়েক। ভগাৰজাৰ দিনৰে বৰুৱা আমি। তোৰ ককায়েৰৰ দৰে আঠদিনীয়া নহয় একা।"

মাহিন্দ্ৰীয়ে একো নামাতিলে। কাৰণ মাতিলে লাভ নাই। তাই তলমূৰকৈ ওলাই আহিল।

তাৰ কেইদিন মানৰ পিচত খবৰ ওলাল কুমাৰ গাৱঁত জুইলগাৰ। মাহিন্দ্ৰীৰ মনৰ সাঁথৰটো আৰু জটিল হৈ পৰিল। কোনে ঋলালে বাৰু এই জুই। ভোগাইৰ খঙৰ ভমক কেতিয়া কোন ফালে যায় ঠিক নাই। কিজানি ভোগায়েই! কিন্তু বৰ্হমচৰীয়াই পিচত এদিন ক'লেহি সম্ভৱতঃ এই জুই

বাখৰে দিয়াইছে। কুমাৰবোৰে হেনো বাখৰক অপমান কৰিছিল। মাহিন্দ্ৰীৰ বুজিবলৈ বাকী নাথাকিল যে কিবা উপায়ে ভোগায়েই কুমাৰবোৰৰ হতুৱাই বাখৰক অপমান কৰাইছে। দুঘৰ মানী মানুহৰ, দুঘৰ মিতিৰৰ কাজিয়া লাগিছে—হয়তো ভাগিবও। কিন্তু মাজত এই সাধাৰণ মানুহবোৰক উচটোৱাৰ প্ৰয়োজন কি? তাৰ পৰা কাৰোৱেই মঙ্গল নহয়। প্ৰজাবোৰ এনেকৈ বাখৰৰ অত্যাচাৰত জুৰুলা হ'ব, ভোগাইৰ মনত অশান্তি বাঢ়িব। আৰু, বাখৰেওতো পাৰে প্ৰজাবোৰক উত্তেজিত কৰিব ভোগাইৰ বিৰুদ্ধে। তাই আৰু চিন্তা কৰিব নোৱাৰা হয়। কান্দি কান্দি তাই বুজিলে, কান্দি লাভ নাই, আৰু নাকান্দিও উপায় নাই। এই দুই বৈনাই-জেঠেৰীৰ আৰু মিলন নহয়—নালাগে, কিন্তু দুয়ো শান্তিত থাকক। তাইক ভোগায়ে যিমান কেটেৰা-জেঙেৰা কৰে কৰি থাওক। মাথোন শান্তিত থাকক, শান্তিত।

"আমি তিবোতা মানুহমখাই শান্তি বিচাৰোঁ, বৰ মইনা।" আইতাৰ মাতত মই আকৌ বৰ্তমানলৈ ঘূৰি আহিলোঁ, "আমাৰ নিজৰ বাবে নহয়, ঘৰখনৰ কাৰণেহে শান্তি বিচাৰোঁ। সেইবাবেহে হেমন্তৰ বিয়াখনত এইবোৰ কথা উলিয়াইছোঁ।" আইতাৰ বৰ্ণনাত মাহিন্দ্ৰীৰ মনৰ সংঘাত আৰু বিষাদৰ ছবি ইমান গভীৰভাৱে কিয় পাইছোঁ, এতিয়াহে যেন বুজি পালোঁ। মাহিন্দ্ৰীৰ দৰে আইতাও এই ঘৰৰ বোৱাৰীহে। বোৱাৰীয়েহে বোৱাৰীৰ দুখ বুজে চাগৈ। আৰু এটা কথা মই অলপ আচৰিত পালোঁ, আইতাই আমাৰ পৰিয়ালৰ ইমানবোৰ কথা কেনেকৈ জানিলে? আইতাক কথাটো সুধিয়েই পেলালোঁ।

আইতাই ক'লে, "মই যেতিয়া তহঁতৰ ঘৰ সোমাওঁহি—তেতিয়া মোৰ পোন্ধৰ বছৰ। আৰু এতিয়া মোৰ চাৰি কুৰিলৈ এবছৰ কম। আইৰ ঘৰত মই সেই পোন্ধৰ বছৰহে আছিলোঁ—বাকীখিনি চোন তহঁতৰ মানুহমখাৰ লগতে।" তাৰ পিচত সেমেকা হাঁহি এটা মাৰি আকৌ ক'লে, "বোৱাৰীয়েহে আচল ঘৰখন চিনি পায়, জীয়ৰীবোৰে মাকৰ ঘৰৰ সপোন দেখিয়েই কটায়।"

আইতাৰ কথা বেচি পৰ ভাবিবলৈ নাপালোঁ। আইতাই আকৌ টানি লৈ গ'ল মোৰ মন অতীতলৈ।

৭

স্বাভাৱিকভাবেই কুমাৰগঞা ৰাইজ ভোগাইৰ কাষ চাপিল। ঠিক গোচৰ নহয়, দিহা-ভাৰসাৰ কথা। মেল বহিল মুনিচুনি বেলিকা। ভোগাই বৰুৱাই ক'লে বোলে বাখৰৰ ঘৰ মিতিৰ মানুহ, তেওঁ বাজিলে দেখিবলৈ ভাল নহব। কিন্তু, এটা কথা তেওঁ নক'লে যে তেতিয়া হ'লে তেৱোঁ যে পৰোক্ষভাৱে ঘটনাটোৰ লগত জড়িত, সেই কথা জলজল পটপটকৈ ওলাই পৰিব। আৰু তেওঁৰ প্ৰকৃত ভয়ো সেইটোৱেই। অলপ ৰৈ তেওঁ ক'লে, "নিলগীয়া হ'লেও সলাল গোহাঁই এতিয়াও ক্ষমতাত আছে। গতিকে কুমাৰগঞা ৰাইজে সমূহীয়াকৈ গৈ সলাল গোহাঁইদেউতাৰ দোপদৰত গোচৰ কৰিবলৈহে দিহা দিব খোজোঁ।"

কিন্তু কুমাৰগঞা ৰাইজে জানে, সলাল গোহাঁয়ে এই বিষয়ে একো কৰিব নোৱাৰিবও, নুখুজিবও। আৰু দলে-বলে সলাললৈ গ'লে বাখৰে সুদাই এৰিবনে? এজন মুখিয়ালে ক'লে, "চিপাহী-চন্তৰীৰ যেহ্ পাৰ হৈ গোহাঁই দেউতাক লগ ধৰাটো জানো কম কথা। তাতে ৰাজভগনৰ দিন। বৰুৱা দেউতাই আগ-পাছ কৰি দিলেহে জানোচা—"

"তেনে কথা এতিয়া ভাবিব নোৱাৰি ৰাইজ," ভোগায়ে ক'লে, "কথা হওঁতে হয়, ৰংপুৰত ৰজা ভাগিছে। সৰ্গদেউ এতিয়া ভটিয়াই গুৱাহাটী পালেগৈ বুলি শুনিছোঁ। এনে জয়াল সময়ত আমাৰ ফালৰ পৰা কোনো কথাত আগবঢ়া টান।"

"ৰজাই যদি পলাল, ৰাইজ ৰয় কেনেকৈ?" কুমাৰগঞা ৰাইজৰ অসহায়

মনোভাৱ ফুটি ওলাল। কিন্তু ভোগায়ে ক'লে, "সৰ্গদেউহে ভাগিছে, বিচাৰ কৰৈ যাব ? চাৰিজনা ডাঙৰীয়াই আগেয়েও চলাই নিছে। অ'ত-ত'ত এতিয়া সেইবোৰ নপতা ৰজা ওলোৱাৰ কথা ৰাইজে জানো শুনা নাই। বংপুৰত মটক ৰজাৰ কথা নকৰেই, উত্তৰ কোনে জাপৰীভিটাত, উজনিত বেং মৰাত—এইবোৰত বহুতো নপতা ৰজা হৈছে..."

ভোগাইৰ মুখত ৰাজভগনৰ কথা মানুহবোৰে তন্ময় হৈ শুনিছে। ৰজা যেয়েই নহওক লাগে, এইবোৰ সাধাৰণ মানুহৰ ভাগ্য, জীৱন-যাত্ৰা— একোৰেই সলনি নহয়। তথাপি কলথোকা বাদুলীয়ে খোৱাৰ কথাতকৈ ৰাজভগনৰ কথাতহে প্ৰজাৰ ৰাপ বেছি। ভোগায়ে দিয়া বাতৰি সিহঁতে অবাক হৈ শুনিছে। ভোগায়ে লাহেকৈ ক'লে, "আৰু আমাৰ ইয়াতো খেনোৱে মন মেলিছেহে!"

খেনোৱে মানে যে তেওঁ বাখৰকে বুজাব খুজিছে সেই কথা বুজিবলৈ কুমাৰগঞা ৰাইজৰ বাকী নাথাকিল।

"এস্ এস্, ৰজা ভাগিলে বৰ বিপদ! দেশ অৰাজক হ'লে বৰ বিপদ! নপতা ৰজাই নচঁচা হুলে সমান! নপতা ৰজাৰ মুলুকত আমি থাকোঁ কেনেকৈ ? ৰাইজ নিগমে মৰিল।" এইদৰে কুমাৰগঞা প্ৰজাই উচ্ পিচালে।

তেতিয়া ভোগায়ে বুজাই ক'লে, "সৰ্গদেউ ভাগিলেও দেশৰ ধৰণী বুঢ়াগোহাঁই আছে। বুঢ়াগোহাঁই ডাঙৰীয়াই নিজেই সেই দ্ৰোহী বিষয়া আৰু প্ৰজাবোৰক দণ্ড বিহিছে। জপৰা শইকীয়া, জাবৰ—সিহঁতক বৰশীত দিছে। খেনোক ধৰি তেলত ভাজি বা কোৰেৰে ঘৈয়াই মাৰিছে। ৰজা গ'লেও বিচাৰ নেযায় ৰাইজ, বিচাৰ নেযায়।" এই কথাটোকে আকৌ দোহাৰি ভোগায়ে ক'লে, "ৰজানো সদায় থাকেনে ? ৰাইজ, ৰজাৰ বিচাৰহে থাকে।" কুমাৰগঞা ৰাইজে ভোগাইৰ কথাত যুক্তি দেখিলে যদিও বিশেষ ভাৰসা নাপালে। এই ৰাজভগনৰ দিনত বিষয়াবিলাকৰে যদি এনে থৰ-যুকুতি নাই—সিহঁতকনো সলাল গোহাঁয়ে কি ৰাখিব। পুৰণি সোণ কেইচিকুটমানৰ বাবেই ইমান অথন্তৰ মাতি অনাৰ বাবে সিহঁতৰ ভোগাইকে দোষী কৰিবৰ

মন গ'ল, কিন্তু সেই চিন্তা মনলৈ অনাও বিপদ। তথাপি মৰো জীওঁ নেভাবি এজনে উলিয়ালে, "দেউতা, আপুনি এতিয়া কাটকেই বা মাৰকেই- আপুনিয়েই কৰালে, আমি কৰিলোঁ। আপোনাতেই আমি শৰণ লৈছোঁ..."

তাচ্ছিল্যৰ হাঁহি এটা মাৰি ভোগায়ে ক'লে, "মই মহন্ত নে মহাজন অ', এনেকৈ কৈ শৰণ লওঁ লওঁ লগাইছ? মই তহঁতক ৰূপ অলপমান আগধন দিলোঁ ছোৱালীৰ বিয়াৰ বাবে চৰু, মলা এইবোৰৰ বাবে, আৰু তহঁতে গলি তাৰে সোণ মোকলাবলৈ। এৰা, যাবিতো, নেযাবি কিয়, বোপা-ককাৰ দিনৰ বস্তু। কিন্তু তাতে যদি কিবা অথন্তৰ ঘটে তাৰ বাবে জগৰটো মোৰ হ'লনে?"

কথাখিনি আটাইৰে অস্বাভাৱিক যেন লাগিল। ভোগেশ্বৰ বৰুৱাই সাধাৰণতে ইমান বেছি কথা নকয়। এঘাৰ বছৰ বয়সতে এওঁ ছোৱালী উলিয়াই দিবনে? আগবিয়া দিয়া প্ৰথা এওঁলোকৰ পৰিয়ালত নাই। আৰু, কাৰো জীয়েকৰ বিয়াত কুৰি পোন্ধৰজন কুমাৰে তিনি চাৰিশ টকাৰ চৰু-টেকেলি গঢ়িব নালাগে। কুমাৰবিলাকে জানে, বাখৰক লঘু কৰিবলৈকে সিহঁতক সোণ মোকলাবলৈ ধন দিয়া হৈছিল। কিন্তু ভোগায়ে সেই কথা খোলাখুলিকৈ কোৱা নাই; নকয়ো। ভোগাইৰ কথাত সিহঁত নিৰুপায় হ'ল। এফালে ভোগাই, আনফালে বাখৰ। তাৰ মাজত কুকুৰা বতাহত বিৰিণা কঁপাদি কঁপি থকাৰ বাহিৰে সিহঁতৰ আৰু উপায় নাই।

ভোগায়ে আকৌ ক'লে, "শুন, তহঁতক কথা এটা কওঁ। তহঁত সলাল গোহাঁইৰ তালৈকে যা। ময়ো বাৰু গোহাঁই দেউতাক লগ কৰিম। ইতিমধ্যে মিতিৰকো বুজাই শাঁত কৰিব পাৰিম যেন লাগিছে।"

"গোহাঁই দেউতাৰ তালৈ গ'লে জানোচা সিটোৱে—"

"কি সিটোৱে সিটোৱে বুলিছ? মোৰ আগত মিতিৰ কথা নক'বি তেনেকৈ!" ভোগাই গৰ্জি উঠিল।

"জগৰ নধৰিব দেউতা," মানুহটোৱে থোকা-থুকিকৈ ক'লে, "সিজনে গোহাঁইদেউৰ তালৈ গ'লে বা আকৌ কি মূৰ্তি দেখুৱায়...তাতে সিজনৰ আকৌ হিলৈদাৰী আছে..."

"হিলৈদাৰী ! কি ক'লি ? হিলৈদাৰী !"

"হয় দেউতা, আমাৰ মুকুন্দক হিলৈৰেহে মাৰিলে।"

"যাঃ মিছা কথা, কেনেকৈ জানিলি ?"

"আমি দেখিছোঁ দেউতা, দেখা নাই যদি এই চকুহাল ভলুকা বাঁহৰ আখি ! আৰু সিদিনা মাজগাৱঁৰ ফটীপড়া ঘৰৰ বুঢ়া দেউতাও আছিল।"

ভোগাই অলপ পৰ তভক মাৰি ৰ'ল। কথা তাৰ মানে তলে তলে বহুত দলৈকে শিপাইছে। ত'ত মটকে হিলৈ নোহোৱাকৈ টোকোন জোকাৰি জোকাৰিয়েই ৰাজ্য ল'লে। আৰু বাখৰে হিলৈও গোটাইছে। ভোগাইৰ অলপ পৰ নিজকে বৰ অসহায় যেন লাগিল। ইমান দিনে তেওঁ বাখৰক খন্তীয়া সাপৰ দৰে বিষাক্ত কিন্তু হীন বুলি ভাবি আহিছিল—কিন্তু এতিয়া বুজিলে যে তেওঁ এটা বিযাক্ত ফেঁটী গোমৰ লগত যুঁজ দিবলগীয়া হৈছে! ক'ত পালে বাখৰে হিলৈ ? ক'ত ? কিন্তু মানুহবোৰে ভোগাইৰ ভাবান্তৰ লক্ষ্য কৰাৰ আগতেই ভোগায়ে ভেকাহি মাৰি ক'লে, "তইঁত অলপ ধতুৱা মানুহমখাই বাখৰে পাদ এটা মাৰিলেও হিলৈ ফুটা বুলি ভয় খাৱ। ক'ৰবাত ল'ৰা-ছোৱালীয়ে চাগৈ পানী হিলৈ ফুটাইছিল, তাতে তইঁতে বৰ হিলৈটো দেখিলি !"

"নিস্তে কৈছোঁ দেউতা, সিবৈছা কলিয়াবৰত যে দেখিছিলোঁ কুম্পানীৰ বঙাল চিপাহীৰ হাতত—ঠিক তেনেকুৱা হাত-হিলৈ।" ক'লামণি নামৰ কুমাৰজনে ক'লে।

"বাৰু, বাৰু, মই ফটীপড়া ঘৰৰ হাজৰিকাক সুধিম বাৰু কথাটো" ভোগায়ে ক'লে। "চাওঁ বৰ্হমচৰীয়াক মাতচোন" এইবুলি তামোল কটা লিগিৰা ল'ৰাটোক পাচিলে। বৰ্হমচৰীয়া বাহিৰ চ'ৰাৰ পিৰালিতে বহি বিছনীৰ কাঠী তুলাই আছিল। ভোগাই চ'ৰাত বহিলে বৰ্হমচৰীয়া সদায় পিৰালিতে বহি থাকেই। নাম লোৱা শুনিয়েই বৰ্হমচৰীয়া দুৱাৰডলিত থিয় দিলেহি।

"ককাই" ভোগায় ক'লে, "তই পথাৰৰ বাটেৰে পোনাই মাজ গাৱঁলৈ যা। ফটীপড়া ঘৰৰ হাফিজুৰ আপক মই মতা বুলি কগৈ। আৰু চা, লগত

ল'ৰা-লুৰি কাকো আনিব নেলাগে বুলি ক'বি। তয়েই লগত লৈ আহিবি।" তাৰ পিচত অলপ বৈ ক'লে, "নেলাগে বুঢ়া মানুহ কষ্ট পাব। তই সৰু দোলাখনকে লৈ যা দোলাভাবী দুটাৰে, জোৰ আৰিয়া নিনিবি—পথাৰৰ বাটেৰেই আহিবি।"

বৰ্হমচৰীয়া গ'ল। ভোগায়ে কুমাৰ গাৱঁৰ মানুহখিনিৰ লগতে কথা পাতি থাকিল। ৰাইজৰ এনে ভাব হ'ল ভোগাই বৰুৱাও যেন ৰাইজৰহে এজন। ভোগায়েও যিমান পাৰে সিমান কোমলকৈ কথা-বতৰা হ'বলৈ ধৰিলে। তেওঁ ভাবিলে, এই মানুহমখাক হাতত ৰাখিবই লাগিব। হিলৈ-বাৰুদ নোহোৱাকৈ মটক মোৱামৰীয়াই ৰজাৰে যুঁজিলে কিহৰ বলত? টোকান জোকাৰি সিহঁতে ৰজাৰ সৈন্য খেদি নিছিল কিহৰ বলত? মানুহ। জনবল। এজনে একোচপৰাকৈ মাটি দিওঁতে ভেটি ওখ হৈছিল সাত হাত। মানুহ। মানুহেই আচল। এই মানুহখিনিক তেওঁ হাত কৰিব লাগিবই। ইহঁতে কোৱামতে বাখৰৰ যদি হিলৈ আছেও—তেওঁ এই সমূহীয়া শক্তিক বলে পাৰিব জানো?

ভোগায়ে কুমাৰহঁতৰ কাৰ কিমান ক্ষতি হৈছে সুধিলে। কন্দলী পাহাৰৰ পৰা কাঠ-বাঁহ অনাত সুবিধা কৰি দিব বুলিও আশ্বাস দিলে।

"হাতৰ বন কৰি খোৱা মানুহৰ ক'তো মৰণ নাই। বোলোঁ কি বোলা ক'লামণি?"

"দেউতাই সজ কৈছে। হাত দুখনেই আমাৰ সাৰথি। আই বসুমতীয়েই আমাৰ মূলধন। তেওঁৰে গাৰ একোচপৰা খহাই খচি পিটিকি চৰু-মলা গঢ়োঁ—আমাৰ নো কিহৰ ভয়টো? আৰু জাতে-পাতেও আমি কলিতা মানুহ। মাটি খচোঁ বুলি নো আমি কিবা কেঁচু-কুমটিনে?" ক'লামণিয়ে ক'লে, "পিচে এইবোৰ নো জানো কি কলিটো লাগিল!"

"মোৰ মনেৰে," মনধন কুমাৰে ক'লে, "কেৱকণৰ দৈৱীয়েকে বিধুতি গাৰেই মাটি খচিছিল বাবেইহে আমাৰ এই দুৰ্গতি হ'ল, আই বসুমতীয়ে নসহিলে।"

"এৰা এৰা, আৰু তেওঁৰ বেলি যে ভূইকঁপটো হৈছিল—সেই দিনাও তাই তেনে গাৰেই চৰু পুৰিবলৈ নৰা গোটাইছিল।" মনধনৰ শালপতিয়েক মহীধৰে যোগ দিলে।

ভোগায়ে জানে, কেৰকণৰ ঘৈণীয়েকজনী বৰ ধুনীয়া। তাই জীয়ৰী থাকোঁতে গাৱঁৰ আটাইমখা ডেকাই তাইলৈ চকু দিছিল। মনধন অলপ বাককৈয়ে আগবাঢ়িছিল। গা-ধন দিবলৈ বুলি সি গাখৰৰ পৰা ৰূপ একুৰিও ধাৰে আনিছিল। পিচে মনধনক দুদিনমান বান্দৰ নচুৱাই তাই কেৰকণলৈহে গ'ল। ভোগায়ে ডেকা কালত তাইক অলপ টুকুৰিয়াই চাইছিল—পিচে নাই, বিয়াৰ পৰা তাই তেনেই জাতি ছোৱালী হ'ল। পুৰণি আখেজতে মনধনে সুবিধা পালেই কেৰকণৰ ঘৈণীয়েকৰ কথা উলিয়ায়।

কেৰকণৰ খং উঠিল। সি গেঙেৰি দি উঠিল, "কিয় হ'ব? সিহঁতে ক'লেই হ'বনে? তাই গা নোধোৱা আজি পাঁচ মাহ হ'ল। ক'ৰ বিধুতিখন হ'ব?"

ভোগায়ে হাঁহি এটা মাৰি ক'লে, "থাক, থাক, এইবোৰ তিৰোতা-মেল এৰা। কিবা ক'ৰবাত দোষ লাগিছে যদি বৰসবাহ এভাগিকে পাতিব লাগিব।"

এইদৰে তেওঁলোকে কথা পাতি থাকিল। মেল ছিগাৰ কোনো লক্ষণ দেখা নগ'ল। দবাচলতে আটাইখনে বাট চাই আছিল ফটীপড়া ঘৰৰ বুঢ়া আপ অহালৈ। ভোগাই নিশ্চিত হ'ব খুজিছিল বাখৰৰ শক্তি সম্পৰ্কে আৰু কুমাৰগঞা ৰাইজে বাট চাইছিল ভোগাইক তেওঁলোকৰ কথা পতিয়ন নিয়াবলৈ। সেইবাবে মাজে মাজে আটাইখনে বাহিৰলৈ চাই আছিল।

বাহিৰত তেতিয়া ভালকৈয়ে এন্ধাৰ হৈছে। বাটচ'ৰাৰ ওচৰত ছাঁ'ৰ দৰে দেখা গ'ল এখন দোলা। ফটীপড়া ঘৰৰ বুঢ়া আপ আহি পালে।

# ৮

দোলাখন বাটচ'ৰাত ৰওঁতেই কেইজনমান মানুহ মেলৰ পৰা উঠি আগবাঢ়ি যাব খুজিলে। ভোগায়ে হাতৰ ঠাৰেৰে মানুহখিনিক বহিবলৈ দি নিজেই উঠি আগবাঢ়ি গ'ল। ফটাঁপড়া ঘৰৰ হাফিজুৰ বুঢ়া আপই দৰাচলতে হাজৰিকা বিষয়হে খাই আছে। ভোগাই উঠি নগ'লেও হ'লহেঁতেন। কিন্তু বয়স আৰু জ্ঞানৰ বাবে তেখেতক আটায়ে বৰ সন্মান কৰে।

"কি সকামত বা মতালে, বৰুৱা বোপা?" হাফিজুৰ হাজৰিকাই ক'লে, "এ এওঁলোকো দেখোন? ক'ৰ, কোন খেলৰ?"

"এওঁলোক কুমাৰ গাৱঁৰ" ভোগায়ে ক'লে, "এওঁলোকৰ কথা এটাৰ বাবেহে আপোনাক এই অসময়ত আপনি কৰিব লগা হ'ল।"

"অ শুনিছোঁ শুনিছোঁ। এওঁলোকৰ বস্তিত বোলে জুই লাগিছিল? কি কৰিবাহঁক—কপাল! জুই আৰু মাটিৰ লগতে কাৰবাৰ তোমালোকৰ—" হাজৰিকাই ক'লে।

"নহয় আপদেউ, এওঁলোকৰ গাৱঁত জুই কোনোবাই লগাই দিয়া যেনহে অনুমান হয়। নহ'লে গাৱঁৰ দুয়ো মূৰে একেলগে জ্বলিব কেনেকৈ?" ভোগায়ে ক'লে।

কুমাৰবোৰেও একেলগে চিঞৰি উঠিল, "হয়, হয়, বাথৰ বৰাই আমাৰ গাৱঁত জুই দিছে।"

হাফিজুৰ হাজৰিকা আৰু ভোগাই দুয়ো হাত দাঙি তেওঁলোকক শান্ত কৰিলে। ভোগায়ে ক'লে, "তোমালোক মনে মনে থাকাচোন। হাজৰিকাক কথাখিনি বুজিবলৈ দিয়া।"

হাফিজুৰ হাজৰিকাই ক'লে, "কুমাৰবিলাক, তোমালোকে এইটো বৰ জগৰৰ কাম কৰিছা। সাক্ষী-সাবুদ নোহোৱাকৈ কোনো কথা এইদৰে কোৱাটো ঠিক নহয়।"

"কিয় ঠিক নহ'ব দেউতা! আমি জানো বাথৰ বৰাই জুই দিয়াইছে আমাৰ গাৱঁত। কাৰণটো আপুনিও জানে।" কুমাৰবিলাকে একেলগে কৈ উঠিল।

ভোগায়ে আকৌ হাত দাঙি শান্ত কৰিব খুজি ক'লে, "তোমালোকে হাই-উৰুমি নকৰিবাহঁকচোন। হাজৰিকা আপদেউক কথাটো ক'বলৈ দিয়া, বুজিবলৈ দিয়া।"

মানুহবিলাকে ভাবিলে, এই বিষয়াবিলাকক জলজল পটপট কথাবোৰো বুজিবলৈ সময় লাগে। জনা কথাটোকে তেওঁলোকে নজনাৰ ভাও জুৰি আকৌ জানিব খোজে।

হাজৰিকাই ক'লে, "চাওক বৰুৱা বোপা, গোচৰ আনিলেই জানো চলে? সাক্ষী লাগিব, প্ৰমাণ লাগিব। অকল চোভাৰ ওপৰত কথা ক'লেই ৰজিব নে? বৰা-বাৰিকৰ কথা হ'লেও ৰজা ঘৰৰ কথা। তাতে বাথৰ বোপা ধনী-মানী মানুহ—আপোনাৰ মিতিৰ। অলপ চম্ভালি চলিব লাগিব।"

ভোগায়ে ক'লে, "ময়ো এওঁলোকক তাকেই কৈছোঁ। এই ৰাজভগনৰ সময়ত আমি সকলো সাৱধানে চলিব লাগিব। এনে গধুৰ কথাৰ বিচাৰ আমাৰ চ'ৰাত হ'ব নোৱাৰে—হ'ব লাগিব বৰফ[illegible]ন বা স্বৰ্গদেৱৰ ত'তহে। অগত্যা সলাল গোহাঁইদেউৰ দোপদৰলৈ আনিব পাৰি।" তাৰ পিচত অলপ লাহেকৈ ক'লে, "আপোনাক আমনি কৰিব খুজিছো আন এটা কথাৰ বাবেহে। আমি দুয়ো ভিতৰ চ'ৰাতে বহি[illegible]গে নেকি?"

হাফিজুৰ হাজৰিকাই ক'লে, "নেলাগে বৰুৱা বোপা, বাইজৰ মেল মুকলিকৈ হোৱাই ভাল। গুপুত মন্ত্ৰণাই ৰজা-প্ৰজা আটাইৰে হানিহে কৰে। আপুনি কি সোধে মুকলিকৈয়ে সোধক।"

ভোগাই অলপ অপ্ৰস্তুত হ'ল, কিন্তু এই বুঢ়াগৰাকীৰ জ্ঞানৰ গভীৰতাত

তেওঁ মুগ্ধও হ'ল। তেওঁ ক'লে, "এওঁলোকে চোন কয় বোলে বাখৰে মুকুন্দ কুমাৰক হিলৈৰে মাৰিলে;আপুনিও বোলে কথাটো জানে...'

এইবাৰ অপ্ৰস্তুত হোৱাৰ পাল হাফিজুৰ হাজৰিকাৰ। তেওঁ এটা মানসিক সংকটত পৰিল। মুকুন্দ কুমাৰক মৰাৰ কথাটো তেওঁ পাহৰিব নোৱাৰে। অৱশ্যে কুমাৰ এটা মৰা কথাটো কুমাৰবোৰৰ বাবে ডাঙৰ হ'লেও—মুকুন্দ কুমাৰ কেনেকৈ মৰিল সেইটোহে ডাঙৰ সমস্যা। কথাটো যে এদিন নহয় এদিন ওলাবই সেইটোহে তেওঁ অনুমান কৰিছিল। কিন্তু তেওঁ নিজেও যে তাত জড়িত হৈ পৰিব লাগিব সেইটো তেওঁৰ মনলৈ অহা নাছিল। বাখৰে হিলৈ ব্যৱহাৰ কৰা কথাটো তেওঁৰ মুখৰ পৰা ওলোৱাটো সমীচীন হ'ব জানো ? তেওঁ ভাবিলে। তাৰ উপৰি বাখৰৰ ওচৰত তেওঁ অঙ্গীকাৰতো আবদ্ধ। পকা ডাড়িকোছাত হাত বুলাই তেওঁ অলপ পৰ ৰ'ল। তাৰ পিচত ম্লান হাঁহি এটা মাৰি ক'লে, "শুনক বকুৱা খোপা, শুনাহঁক কুমাৰবিলাক, মই বুঢ়া মানুহ, সাধু এটাকে কওঁ। সাধুকথাই হে আচল কথা—বাকী চব ঘটনা।" এইবুলি তেওঁ সাধুটো ক'লে :

"তাহানি বাগদাদৰ হাৰুনাল ৰচিদ খলিফালৈ হাবৃছী ৰজাই পঠিয়াইছিল দুটা পুতলা। পুতলা দুটা হুবহু এক। চকু একে, কাণ একে, হাত ভৰি মূৰ—সকলো সমান, সকলো একে। দীঘেপথালি ওজন—একোতে হেৰফেৰ নাই। আবচলু কাঠৰ পুতলা কিচ্‌কিচিয়া ক'লা ৰং।"

বুঢ়াই অলপ ৰৈ মানুহবোৰৰ প্ৰতিক্ৰিয়া লক্ষ্য কৰিলে। প্ৰায়বোৰ চকুতেই আগ্ৰহৰ চিন। কেৱল ভোগায়েহে তলমূৰকৈ বহি আছে। হাতত থকা পাণ এখন ছিঁড়ি ছিঁড়ি সৰু কৰি থকাৰ পৰাই বুজিব পাৰি তেওঁ অলপ অধৈৰ্য্য হৈছে। হাজৰিকাই কৈ গ'ল :

"হাবৃছী ৰজাই লগতে দিছে এখন খত—চিঠি। তাত লেখিছে বোলে পুতলা দুটাৰ মাজত এটা অমিল আছে। বৰ ডাঙৰ অমিল। সেইটো গম পালেই সিহঁত দুটা কোন শ্ৰেণীৰ ফট্‌ফটীয়া হৈ যাব। এতিয়া বাগদাদৰ খলিফাই সেইটো উলিয়াব লাগে।

উজীৰ, নাজিৰ, আমীৰ, ওমৰাও সকলো আহিল পুতলাৰ ভেদ ভাঙিবলৈ। পুতলা দুটা চুই চালে, টুকুৰিয়াই চালে, জোকাৰি চালে। নাই, সকলো একে। কোনেও ক'ব নোৱাৰিলে পুতলা দুটা কিহত বেলেগ। এতিয়াতো মহা লাজৰ কথা হ'ব। হাবুছী ৰজাৰ আগত বাগদাদৰ খলিফা হাৰি যাব।

চহৰত আছিল এক বুঢ়া কচাই। মাংস বিক্ৰী কৰে। সি আহি ক'লে, 'জাহাপনা, বন্দীক যদি এবাৰ পুতলা দুটা চাবলৈ দিয়ে....'

আমীৰ-ওমৰাও সকলো গৰ্জি উঠিল, 'উজীৰ-নাজিৰ য'ত হাৰি গ'ল, বেটা কচাই আহিছে তাত বাহাদুৰি দেখুৱাবলৈ।' খলিফাই কিন্তু ক'লে, 'বুঢ়া কচাই মোৰেই প্ৰজা, হাবুছী ৰজাৰ আগত লাজত পৰাতকৈ এবাৰ চেষ্টা কৰাই ভাল।'

কচাই আহিল। সি চালে। একো এটা সি উলিয়াব নোৱাৰিলে। কিছু পৰ ভাবি সি এচৰিয়া গামলা পানী খুজিলে। গামলাত পানী আহিল। কচায়ে পুতলা দুটা পানীত এৰি দিলে। আবলুচ কাঠৰ পুতলা---গধুৰ। দুয়োটা পুতলা ডুবি গ'ল। বুঢ়া কচায়ে বহি চাই থাকিল। দেখিলে পুতলা দুটাৰ চকুৰ মণিৰ পৰা সৰু দুটা বুৰবুৰণি ওলাল। বাকী আমীৰ-ওমৰাওবিলাকৰ সেইটো নজৰত নপৰিল। বুঢ়া কচায়ে জানিলে পুতলা দুটাৰ চকুত সৰু বিন্ধা আছে। সি পুতলা দুটা পানীৰ পৰা উলিয়াই আনি এডাল খৰিকা খুজিলে। খৰিকাডাল আনি এটা পুতলাৰ চকুৰ সৰু বিন্ধাটোৰে সুমুৱাই দিওঁতে খৰিকাডাল মুখেদি ওলাই আহিল। ইটোৰ চকুৰেদি সুমুৱাই দিওঁতে ওলাই নাহিল।

কচায়ে ক'লে, 'আলমপনা, পালোঁ। এই প্ৰথম পুতলাটো ৰজাও হ'ব পাৰে, প্ৰজাও হ'ব পাৰে। আৰু এই দ্বিতীয় পুতলাটো হ'ল ৰজাৰ বিশ্বাসী নফৰ।'

খলিফাই সুধিলে, 'মানে কি হ'ল ?'

কচায়ে ক'লে, 'যিটো পুতলাৰ চকুৰ বিন্ধাৰ লগত মুখৰ সম্বন্ধ আছে

সি হ'ল ৰজা নাইবা প্ৰজা। চকুৰে যি দেখে সেই মতে মুখে কাম কৰে। ৰজা হ'লে হুকুম দিয়ে, প্ৰজা হ'লে বটনা কৰে। আৰু আনটো পুতলাই দেখে, কিন্তু নকয়। কাৰণ কথা ক'লেই বিপদ। এইটো হ'ল ৰজাৰ বিষয়া, দেখে শুনে, কিন্তু চুপচাপ কাম কৰি যায়। কথা নকয়।'

এইবুলি আকৌ হাঁহি এটা মাৰি হাজৰিকাই লগত অনা টেমাৰ পৰা পতহিওৱা তামোল এখন মুখত ল'লে।

"বুজিলানে ৰাইজ?" ভোগায়ে ক'লে, "বুজাক বুজাবা ঠাঁৰে-চিয়াৰে— নুবুজাক বুজাবা ঢকা চাপৰে। হাজৰিকা আপদেউ নিজেও এজন ৰজাৰ বিষয়া। হেন জানি এখেতক আৰু আমনি নিদিয়াই ভাল হ'ব বুলি ভাবোঁ।"

মানুহবোৰে যদিও হাজৰিকাৰ পৰা স্পষ্ট কথা শুনিবলৈ আশা কৰিছিল তথাপি হাজৰিকাৰ শান্ত সৌম্য মূৰ্তি দেখি আৰু ভোগাইৰ কথাৰ ধৰণত তেওঁলোকে পীড়া-পীড়ি নকৰিলে।

"দিন-কাল ভাল নহয়, চৰীয়া-পৰীয়া থাকিবও পাৰে ক'ৰবাত" এইবুলি ভোগায়ে বৰ্হমচৰীয়াক মাতি আনি হাজৰিকাক থৈ অহাৰ ব্যৱস্থা কৰিবলৈ ক'লে। হাজৰিকায়ো নিজৰ মান আৰু অঙ্গীকাৰ ৰাখি স্পষ্টভাবে কথা ক'বলগীয়া নোহোৱাত সকাহ পালে।

"এৰা, ব'লা বৰ্হমচৰীয়া বোপা, মই আকৌ এ'চাৰৰ নামাজ ফেৰা কৰিবগৈ লাগিব।"

হাজৰিকা গ'লগৈ। ভোগায়েও হাজৰিকা থকাটো আৰু নিবিচাৰে। ভোগায়ে এতিয়া বাখৰৰ শক্তিৰ স্পষ্ট প্ৰমাণ পালে। এতিয়া তেওঁ আঁতঘাত বান্ধি কাম কৰিব লাগিব। হাজৰিকাৰ সাধুটোৱেও মানুহবোৰক উচটোৱাত যথেষ্ট সহায় কৰিব। কিন্তু হাজৰিকাৰ দৰে বুঢ়া মানুহ এজনৰ সম্মুখত তেওঁ তেওঁৰ বৰশীৰ ধেমালি আৰম্ভ কৰিব নোখোজে।

হাজৰিকা যোৱাৰ পিচত কুমাৰবিলাকে ক'লে, "আমি তেনে এতিয়া কৰোঁ কি? সলালৈকে যাওঁ?"

"যাব পাৰো" ভোগায়ে নিৰ্বিকাৰ ভাবে ক'লে।

"পিচে তালৈ গ'লে ত'ত সিজনে বা আকৌ কি কৰে!"

সিজনে মানে বাখৰে।

বাখৰে যেন বৰশীত জোকাৰ এটাহে মাৰিলে, "তইঁতৰ একো উপায় নাই মৰাহঁত। ইফালে ক'বি বিচাৰ লাগে—সিফালে আকৌ মাৰে বুলিও ভয়। তইঁত মৰিয়েই আছ। সাহ লাগে, বুজিছ, সাহ লাগে।"

মানুহবোৰ অলপ বিবুধি হ'ল। ৰাজ বিষয়াবোৰৰ এনে দুমুখীয়া ব্যৱহাৰত প্ৰজা সদায় জুৰুলা। সিহঁতে সাপ হৈ খোটে, বেজ হৈ জাৰে। বিষয়াক নেমানিলে জগৰ, আকৌ বিষয়াই উচটায় বিষয়াৰ বিপক্ষে। "ভাল দেউতা, আমি তেনেহ'লে সলালৈলে যামহঁক, ল'ৰালুৰি আৰু তিৰোতামখা...."

"এৰা যাবিতো সলালৈলে। আৰু তিৰোতামখা থৈ যাবি বাখৰৰ লগুৱা-লিকছৌবোৰলৈ! বাখৰকো লাগিব পাৰে দুই এজনী। সাহ লাগে, বুজিছ, সাহ লাগে।" এটা অদৃশ্য টোপ যেন বাখৰে মানুহবোৰৰ আগত জোকাৰি থাকিল।

ই আকৌ কেনে কথা, কুমাৰগঞ্জা ৰাইজে ভাবিলে। এইমাত্ৰ ক'লে সলাল গোহাঁইৰ তালৈ যা, পিচ মুহূৰ্ততে বিকৰ্থনা কৰি আকৌ পাক লগায় চোন! এই বিষয়বোৰৰ কথাৰ আঁত ধৰাই টান।

কিন্তু ভোগাইৰ উদ্দেশ্য পৰিষ্কাৰ। ভোগায়ে জানে সলাল গোহাঁয়ে একো নকৰে। কৰিব নোৱাৰেও। হেলিমেলি গোহাঁইদেউৰ নিজলৈকে টনাটনি। তেৰোঁ দ্ৰোহ আচৰা বুলি ত'ত গড়গাৱঁত হেনো বু-বু বা-বা ওলাইছে। বৰফুকনে সৈতে লগ লাগি গুৱাহাটীতে নতুন ৰজা পাতিছিল বুলি উৰা-বাতৰি পাই স্বৰ্গদেৱে মানুহ পঠাইছে বোলে তেওঁক ধৰাবলৈ। এনে সময়ত তেওঁ বাখৰৰ দৰে প্ৰতাপী প্ৰজা এজনক উচটাই নলয়। কিজানি বাখৰো হেলিমেলি গোহাঁইৰ ষড়যন্ত্ৰত আছে! নহ'লেনো বাখৰে হিলৈ পালে ক'ব পৰা? বা ৰাখিবলৈ সাহ কৰে কেনেকৈ? বাখৰহঁত উজনিৰ ক'ৰবাৰ মানুহ—ঘৰত শালগ্ৰাম আছে বুলিও ভোগাইহঁতে জানে।

ভোগাইহঁত মহাপুৰুষীয়া মানুহ—একেবাৰে কালসংহতিৰ। ভাটী যোৱা নে ফাটি যোৱা গোপাল আতাৰ সত্ৰ। কালসংহতিৰে মায়ামৰা শাখাৰ ভকত বৈষ্ণৱ মটক মৰাণ মিলি সিফালে ৰজা খেদাত লাগিছে। ইস্ কমটো জীয়াতু ভুগিলেনে তেওঁলোকে বৰ ৰজাৰ আমোলত? কিন্তু ভোগায়ে জানে আহোম ৰাজ্যৰ বেলিমাৰ ইমান সোনকালে নহয়। নিজৰ মানুহৰ তলতীয়া হোৱা স্বভাৱ আমাৰ মানুহৰ নাই। তাতে স্বৰ্গদেৱে কুম্পানীৰ চিপাহী আনিছে। মিকৃগড় চাহাব আৰু তেওঁৰ হিন্দুস্থানী চিপাহীবোৰক ভোগায়ে দেখিছেও কলিয়াবৰত। বাখৰৰ হিলৈটোৰ যি বৰ্ণনা তেওঁ পাইছে, তাৰ পৰা অনুমান হয় সেইটো কুম্পানীৰ হিলৈ—সিহঁতে বন্দুক বুলি কয়। আৰু বা কিমান গোটাইছে বাখৰে! কিন্তু সলাল গোহাঁইৰ লগত জোটাশালী মাৰিব। মন ভোগাইৰ নাই। নপতা ৰজা হৈ থকাতকৈ পতা বিষয়া হৈ থকাই ভাল।

তেন্তে ভোগায়েনো কৰিব খুজিছে কি? এইদৰে দুমুখীয়া কথা কৈ তেওঁৰ লাভ? ভোগায়ে মানহবোৰক নিৰুপায় কৰি তুলিব খুজিছিল। নিৰুপায় হ'লে মানুহৰ মনত ওপজে এটা অদ্ভুত সাহস—মৰসাহ। ভোগায়ে সিহঁতক নিৰুপায় কৰি সিহঁতৰ মনত তুলিব উন্মত্ত সাহ, মৰসাহ বাখৰৰ বিৰুদ্ধে। তেওঁ নিজে পোনপটীয়াকৈ একো নকৰে। কাউৰীয়ে কাউৰীৰ মঙহ নাখায়। এই মানুহবোৰকে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব লাগিব।

কিন্তু মানুহবোৰক সেই কথা জানিবলৈ দিলেও তেওঁৰ কাম সিদ্ধি নহ'ব। প্ৰজাবোৰ মাত্ৰ ডবাখেলৰ গুটি: তাতকৈ বেছি সন্মান দিলেই বিষয়াৰ বিপদ। সেইবাবেই আজি ভোগায়ে সিহঁতৰ মন জুখি চাই, সিহঁতক ব্যৱহাৰ কৰিব খুজিছে বাখৰ ধ্বংসৰ খেলত।

বাখৰৰ মৌনতাত আসৈ পাই ধেমেলীয়া বুলি খ্যাতি থকা ফেলাই নামৰ কুমাৰটোৱে ক'লে, "দেউতাৰ কথাচোন আমাৰ নাকৰ পাকতকৈও কোৱাল।"

ফেলাই বহুৱাৰ কথাত ভোগাইৰ খং নুঠিল। বৰশী বোৱা ল'ৰাই যেন জৰীডাল ঢিলাই দিলে। তেওঁ হাঁহি ক'লে, "ফেলায়ে ঠিকেই কৈছে—মাটি

খচি খচি চাকত পেলাই কুমাৰে সাজে গাগৰি। কুমাৰৰ বুধিও গাগৰিটোৰ দৰে ফোপোলা। কথাৰ পাক ক'ত বুজিব! বোলোঁ, পকা চৰু টুকুৰিয়াই চাৱনে নেচাৱ?"

"চাওঁ দেঁতা চাওঁ, কেঁচা নে পকা চাওঁ। কেঁচা চৰুত মাত উঠে থেপেক থেপেক, পকা চৰুত টিংটিং।" আসৈ পাই ফেলায়ে বহুৱালি কৰিব খুজিল। ৰাইজেও হাঁহিলে। কিন্তু ভোগায়ে গহীন হৈ গ'ল। লগে লগে সকলো কোঢ়াল জীণ গ'ল। ভোগায়ে গহীনাই ক'লে, "তহঁতক মই টুকুৰিয়াই চাইছিলোঁ, তহঁত তেনেই কেঁচা। আৰু বহুত ভুগিবি তহঁতে। অত্যাচাৰৰ জুইত আৰু পুৰিলেহে তহঁত পকা হবি। হেৰৌ, সাহ লাগে সাহ। মই যিহকে কওঁ তাতেই হয়ভৰ দিয় কিয়?"

"আপোনাৰ কথা পেলাব পাৰি জানো, দেউতা?"

"তহঁতৰ মনবোৰক সুধি চাচোন কি কয়?"

নগঞা ৰাইজ গৈছিল এবাৰ ৰজাৰ কাষলৈ বিচাৰ বিচাৰি। গৌৰীনাথ স্বৰ্গদেউ নগাঁৱৰ বাহৰত থাকোঁতে বৰুৱা ফুকনবোৰে পাণ-তামোল, চাউল-পাতৰ যোগান ধৰিছিল বাহৰত। জীয়ৰী ছোৱালীও নি বিলাইছিল। তেতিয়া বিষয়াৰ অত্যাচাৰত জুৰুলা ৰাইজ ৰজাৰ কাষ চাপিছিল। কৈছিল, "স্বৰ্গদেউ, আৰ পৰা যাওক। নহ'লে বা-বিষয়াকে সলাই দিয়ক।" স্বৰ্গদেৱে সুধিলে, "কাক নো বিষয়া লাগে তহঁতক?" সিহঁতে ক'লে বোলে আগৰ ফুকন বৰুৱা হোৱা মানুহ আছে, আন মানুহো আছে, তেওঁলোককে দিয়ক। বিষয়া সলাবলৈ কৰা এই অনুৰোধৰ আঁৰত আছিল আগৰ বহুতো ভগা বিষয়া আৰু মৰ্যাদালিপ্সু অৱস্থাপন্ন প্ৰজা! সামান্য পাইকান মানুহ বাখৰৰ ঘৰো জানো বৰুৱা হ'ব খোজা নাছিল। মোৱামৰীয়াৰ বিৰুদ্ধে যুঁজিবলৈ তেতিয়া স্বৰ্গদেৱক মানুহ লাগে। অথচ ৰাজ্যৰ কেউফালে নপতা ৰজাবোৰৰ দপদপনি। তেনে সময়ত বিদ্ৰোহ নাচৰি ৰজাৰ কাষ চপা এই প্ৰজাবিলাকৰ কথা স্বৰ্গদেৱে ৰাখিলে। বৰফুকনকে মুখ্য কৰি ভালেমান বিষয়া সলাই দিলে, কিন্তু এই ন-বিষয়াবোৰৰ কোব আৰু চৰিল হে। চহকীৰ প্ৰতাপ

আৰু পুৰণি বিষয়াৰ খিয়লাখিয়লিৰ জুইত প্ৰজা মৰোঁমৰোঁ হ'ল। আকৌ আঠ দিনৰ মূৰত সিহঁতেই গৈ আকৌ ৰজাক খাটিলে বোলে আগৰ বিষয়াই ভাল, তেওঁলোককে ৰাখক। গতিকে নগঞা প্ৰজাই জানে বিষয়াৰ ওপৰত ভাৰসা কৰি লাভ নাই। কিন্তু মটক মৰাণৰ দৰে ফেট তুলি উঠিবলৈকো জানো সিহঁতৰ লাগতিয়াল বস্তুখিনি আছে? ভোগায়ে ক'লে সাহসৰ কথা। কিন্তু সাহেই সকলো নে? তাৰ সাহ আছে ক'ৰ পৰা? তাৰ বাবে লাগে কিবা এটা বিশ্বাস—যিটো মোৱামৰীয়া বিলাকৰ আছিল—আৰু লাগে উপযুক্ত নায়ক। মোৱামৰীয়াৰ আছিল চতুৰ্ভূজ গোসাঁই...

নগঞা প্ৰজাই বিষয়াৰ ওপৰতেই নিৰ্ভৰ কৰি থাকিবনে সদায়! সিহঁতে যেন বুজি পাইছে বিচাৰ দুৰ্বলৰ হে অস্ত্ৰ। তেন্তে নিজৰ শক্তিৰেই কিবা এটা কৰিব লাগিব নেকি? কি ক'ব খুজিছে বাৰু এই ভোগাই বৰুৱা নামৰ বিষয়াজনে? আৰু কিবা পাক লগাব খোজা নাইতো এওঁ!

আদহীয়া কুমাৰ ক'লামণিয়ে ক'লে, "দেউতা, এই বুঢ়াৰ মনত এটা কথা খেলাইছে। মই কুমাৰে এটা কথা জানো, চৰু যিমানে পুৰিয়া সিমানে টান হ'ব। সিদিনা বাখৰ বৰাই লগোৱা জুইত পুৰি আমি ভসমু হোৱা নাই—টানহে হৈছোঁ। আৰু জ্বলাওক, আমি টানহে হ'ম। শেষত হ'ম শিল। শিলত গুৰিয়াই...."

ভোগায়ে বুজিলে তেওঁৰ কথাই ফল ধৰিছে। কিন্তু নাই, আৰু বেচিলৈ যাবলৈ দিব নোৱাৰি। তেনেহ'লে হয়তো নিজৰ প্ৰতিষ্ঠাৰ বাটতো হেঙাৰ পৰিব। ভোগাইৰ মত হ'ল, সাধাৰণ মানুহৰ মনত শক্তিৰ সঞ্চাৰ কৰিবা, কিন্তু সেই শক্তিৰ মূল্য নিৰূপণ কৰিবলৈ নিদিবা। যদি সিহঁতে বুজি পায় সিহঁতৰ শক্তিৰ পৰিমাণ, তেতিয়া হ'লে সিহঁতক দমাই ৰখা টান হ'ব। নাই, আৰু বেছি পৰ মেল মাৰি তেওঁ আত্মহত্যাৰ বাট মুকলিকৈ নলয়। তামোল এখন মুখত ভৰাই তেওঁ উঠিবলৈ গা দাঙি ক'লে, "চাবি আকৌ, বেছিকৈ পুৰিলে চৰু গুচি জাওঁহে হ'ব।"

ভোগাই উঠা দেখি মানুহখিনিও উঠিল। তেনেতে উধাতু খাই ল'ৰা

এটা সোমালহি। পিন্ধি থকা গামোচাখন প্ৰায় খুলিয়েই গৈছিল। কোনোমতে মুঠি মাৰি ধৰি আছে।

"পিতাই, পিতাই নিলে ঔ।"

গোটেইখন মেল উচাপ্ খাই উঠিল। কি? মোৱামৰীয়া নে ৰজাঘৰীয়া চন্তৰী? নে প্ৰত্যক্ষ সংগ্ৰাম কৰিবৰ বাবে বাখৰ আগবাঢ়িছে অৱশেষত? হাফিজুৰ হাজৰিকাই কিবা খবৰ দিলেগৈ নেকি বাখৰক? এনে দিন-কালত কাকো বিশ্বাস কৰিব নোৱাৰি। কিন্তু হ'ল কি? নিলে কাক?

ল'ৰাটোৱে ফেঁকুৰি ফেঁকুৰি থোকাথুকি মাতেৰে ক'লে, "মই নহয়, আহি আছিলোঁ নহয়,....মাহীহঁতৰ ঘৰ পোৱাৰ....:বৌৱে নহয়... পঠিয়াইছিল চেৰেকা এটা..."

"হেৰ' কাক নিলে? কোনে নিলে? ভালকৈ নকৰ কিয়?" ক'লামণিয়ে ডবিয়ালে।

"বৌ-ক। মো' ভয় লাগে দেখি বৌ আহিছিলে নহয় মোক আগবঢ়াই দিবলৈ....কেঁকুৰিটোতে বেয়া বেয়া গোন্ধ....ঘূৰি দেখোঁ বৌ নাই!"

মানুহবিলাকৰ মাজত বৰ খৰখেদাকৈ কিবা আলোচনা হ'ল। চিপাহী-চন্তৰী হ'লে ক'লামণিৰ ঘৈণীয়েকৰ দৰে বুঢ়ী এজনী নিনিয়ে। আৰু মানুহে ইমান নিঃশব্দে ধৰি নিব নোৱাৰে। ল'ৰাটোৱে নিশ্চয় টনা-আজোৰা দেখিলেহেঁতেন। দ'ত যখে মানুহৰ জীৱহে নিয়ে—শটো নিনিয়ে। কিন্তু বেয়া বেয়া গোন্ধটো? হঠাৎ এজনে চিঞৰি উঠিল, "নিশ্চয় বনৰজা!"

ৰাইজেও দোহাৰি ক'লে, "হয়, বনৰজাই হয়।"

ভোগায়ে স্বস্তিৰ নিশ্বাস পেলালে। বাঘ। গড়গঞা বাঘটোৱে কুমাৰনী এজনী খালে। হঠাৎ বিজুলী সঞ্চাৰে তেওঁৰ মনত কথা এটা খেলালে। দিহা-দিহি যাব খোজা মানুহবোৰৰ ফালে চাই তাচ্ছিল্য মিহলি সহানুভূতিৰ সুৰত শুনা নুশুনাকৈ ক'লে, "বাঘে মৰাও মৰা, বৰাই মৰাও মৰা।" তাৰ পিচত ৰাইজৰ ফালে চাই ডাঙৰকৈ ক'লে, "দোচমনক বধিবহে লাগে। ৰাইজ ওলাব লাগে।" তাৰ পিচত বৰ্হমচৰীয়াক বাঘজাল কেইখন উলিয়াবলৈ দিহা দি তেওঁ উঠিল।

# ৯

কিছুদিন আগতে উজনি খণ্ডত আকাল হৈ গৈছিল; আকাশত পূবা-পশ্চিমাকৈ বৰ এটা নেজাল তৰা ওলাইছিল। কাকতী ফৰিঙে পথাৰ-সমাৰ টকলা কৰি পেলাইছিল। মানুহ মৰিছিল বহুতো। ৰূপ টকাত চাউল টেমি কিনি খাব পৰা মানুহ নো আছিল কেইজন? মাউৰ হাইজাত মৰাদি পালে পালে মানুহ মৰিছিল। মানুহবোৰে কচু-ঢেকীয়া বিচাৰি ফুৰিছিল পেটৰ কলমলনিত। তেতিয়া হয়তো হাবিয়ে-বননিয়ে মৰা বা বেমাৰী মানুহ দুই-চাৰিটা বাঘে খাইছিল। এবাৰ মানুহ খাবলৈ পালে বোলে বাঘে আৰু আন চিকাৰলৈ মন নেমেলে। মানুহৰ মঙহৰ যে কিবা এটা বেলেগ সোৱাদ আছে বুলি খেনোৱে ভাবে যদিও জনাই জানে আচল কথাটো বেলেগ। মানুহৰ দৰে সহজ চিকাৰ আৰু কিবা আছে জানো? মানুহৰ শিং নাই, চোকা দাঁত নাই, জোঙা নখ নাই,—ম'হ এজনীয়ে যিখিনি বাধা দিব পাৰে মানুহে অকলে তাকো নোৱাৰে। অকলশৰীয়া হৈ থাকিলে মানুহৰ দৰে নিশকতীয়া জীৱ আৰু নাই। গতিকে মানুহখোৱা বাঘে তেনে মানুহকহে ধৰে।

উজনিৰ ফালে সেই সময়ত নিশ্চয় বহুতো মানুহখোৱা বাঘ ওলাইছিল। তাৰে কোনোবা এটা বাঘেই সম্ভৱতঃ নামবৰ হাবি পাৰ হৈ আহি ডবকা হৈ খাগৰিজান সোমাইছিলহি। কিছুদিনৰ পৰা এই অঞ্চলত বাঘৰ উৎপাত বৰ বেছি হৈছিল। ইমান চোৰাংভাৱে বাঘটোৱে চলা-ফুৰা কৰিছিল যে মানুহে বহুত দিনলৈকে কিহেনো মানুহবোৰ নিয়ে ঠাৱৰকে কৰিব পৰা

নাছিল। দেও, ভূত বা চৰীয়া-পৰীয়াৰ হাততে মৰা বুলিহে ভাবিছিল। কলঙৰ ঘাটৰ পৰা হঠাৎ এদিন যেতিয়া নাৱৰীয়া এটা নাইকীয়া হ'ল, তেতিয়াহে তেজৰ চেকা আৰু বালিত বাঘৰ খোজ দেখিহে মানুহে বাঘ বুলি জানিলে। পিচত আজি শালনাত, কাইলৈ ডকমকাত, পৰহিলৈ বা চামগুৰিত এটা দুটাকৈ মানুহ হানি হ'বলৈ ধৰিলে। টেপু বহুৱাকো বহুতে বাঘে খোৱা বুলিয়েই জানিছিল।

নানান ফন্দী কৰিও বাঘটো কোনেও মাৰিব পৰা নাছিল। সাহ বা বুদ্ধি একোৰেই বাঘটোকে সৈমান কৰিব পৰা নাছিল মানুহে। বাঘটোক আটায়ে বুলিছিল গড়গঞা বাঘ। দুটা কাৰণত। গড়গাৱঁত আকালত মৰা মানুহ খাই মানুহখোৱা হোৱা বুলি ভাবি, আৰু তাৰ তলা-নলা ধৰিব নোৱাৰাৰ বাবে। বাঘটো মাৰিব বা ধৰিব নোৱাৰি পিচলৈ মানুহে তাক দেও বুলি ভাবিবলৈ আৰম্ভ কৰিলে। এবাৰ কোনোবা এজনে ক'লেহি বোলে মৃঢ়ানীত বাবাজী এজন আছেহি—মাত কথা নুবজি। কবা বিংবিং বাংবাংখন কৰে। সিয়েই ৰাতি হ'লে বাঘ অৱতাৰ হয়। বাৰে খেলৰ ৰাইজ গোট খাই এদিন বাবাজীক ধৰি বহি থকাতে হোলোঙাৰে খুচি মাৰি পেলালেগৈ। কিন্তু তেতিয়াও বাঘৰ উৎপাত নকমিল। পিচত গাৱো মানুহ এটাই ক'লে বোলে বাবাজীক পুৰিহে মাৰিব লাগিছিল—বাঘ আৰু দেও দুয়োটাই জুইলৈ ভয় কৰে। এইবোৰ হেনো কিবা মাছাদু বাঘ।

ভোগায়ে ঠিক কৰিলে, এইবাৰ বাঘটো মাৰিবই লাগিব। ইয়াৰ আগতে তেওঁ দুবাৰ মান চেষ্টা কৰি চাইছিল। পিচে ইমান তপত খবৰ নোপোৱাৰ বাবে দিহা কৰে মানে বাঘৰ চিনকে নোপোৱা হয়। লৰালৰিকৈ ভিতৰৰ পৰা পাক এটা মাৰি আহি ভোগায়ে প্ৰস্তাৱ কৰিলে বোলে ৰাতিতেই বাঘ ভেটা হওক। কাৰো উত্তৰলৈ বাট নাচাই বৰগী খেলৰ ৰতিকান্তক ক'লে, "তই টিঙিৰা বেজক খবৰ দে গৈ যা। আৰু খীৰমন, তই উকিয়াই জনাই দে কথাটো গাৱঁত।"

নিমিষতে গোটেইখন কৰ্মব্যস্ত হৈ পৰিল। ওচৰৰ পৰা দূৰলৈকে শুনা

গ'ল খীৰমন বৰাৰ লেনীয়া দীঘল ৰিং—"ব ন ৰ জা ঐ—" ইখন সিখন গাৱঁৰ পৰা আৰু তেনে ৰিং শুনা গ'ল।

ৰাতি বাঘ ভেটা সহজ কথা নহয়। তাতে মানুহখোৱা বাঘ। কিন্তু ভোগাই পিচ হুঁহকি অহা মানুহ নহয়। এজনে ভোৰভোৰালে "এনেয়ে বনৰ ৰজা বাঘ, তাতে আকৌ মানুহখোৱা, তাৰ ওপৰতে আকৌ গড়গঞা। এঃ ৰাতিখন ক'ত ভেটিব পৰা যাব।"

ভোগায়ে খঙৰ ভাবত ক'লে,"বনৰ ৰজা যদি বনত থাকক গৈ, আমাৰ গাৱঁত কিয় ?" তাৰ পিচত গহীন শান্তভাৱে যোগ দিলে, "পাৰোঁ নোৱাৰো চাওঁচোন বাৰু। আমৰ টিঙিৰা বেজে বান্ধি দিলে বাঘ যাব কলৈ? আৰু ৰাইজ, সুবিধা এৰিব নেপায়। আৰু এনেবোৰ কামত হেমাহি কৰিবও নেপায়।"

## ১০

বেচেৰা ৰতিকান্ত। ভোগাইৰ কথা শুনিয়েই সি লৰ ধৰিলে টিঙিৰা বেজৰ ঘৰ বুলি। লৰালৰিৰ ভমকত কি কাকো লগ ধৰিবও নোৱাৰিলে। বেলি কৰিলে জানোচা ভোগায়ে ডবিয়ায়। কিছু দূৰ যোৱাৰ পিচত তাৰ মনত খেলালে, যদি বাঘটোৱে ক'ৰবাত চোপ লৈ আছে। এবাৰ আগলৈ আৰু এবাৰ পিচলৈ চাই চাই সি লৰি আগবাঢ়িল। ওৰে বাটটো সি বুকুত থুৱাই থুৱাই গোসাঁইৰ নাম লৈ যাবলৈ ধৰিলে। ভয়ত তাৰ শুকান মুখৰপৰা থুকে ওলাব নোখোজে, তথাপি সি ভোৰভোৰাই গাই গ'ল :

"অ' মোৰ কলীয়া গোসাঁই, অ' মোৰ নিসিংহ থানৰ নেদেখা গোসাঁই, আউনীআটি, দক্ষিণপাট, কুৰুৱাবাহী, গৰমূৰ বেঙেনাআটি, হালধিআটি আটাইকেইখন সত্ৰৰ আটাই কেইজনা জীয়া গোসাঁই......আজি ৰলেহে ৰোৱা...আজি তৰিলেহে তৰা...ৰাম ৰাম...।"

বাটটো যেন শেষেই হ'ব নোখোজে। অৱশেষত টিঙিৰা বেজৰ দুৱাৰমুখত সি ফোপাই-জোপাই ৰ'লগৈ।

ইফালে শ্ৰীৰমন বৰাৰ উকি শুনি টিঙিৰাৰ ঘৈণীয়েকে দুৱাৰৰ ডাং যে দিলেই, চালপীৰা এখনো দুৱাৰত ভেজা দিবলৈ টনাটনি কৰি আছে। টিঙিৰা বেজে জুহালৰ কাষত টিকিৰা পুৰি বলকি আছে :

"হেৰৌ বেটী, কুঁহিয়াৰ পাব ক'ত থলি অ' ? আনৰ তিৰোতাই চকলিয়াই চকলিয়াই গিৰিহঁতৰ আগত যতনাই দিয়ে, এই বেটীয়ে কুঁহিয়াৰ অকণ বিচাৰিও দিব নোৱাৰা হলি।"

চালপীৰাখন চোঁচোৰাই চোঁচোৰাই ঘৈণীয়েকে ক'লে,—"ইস, বৰ

গোটেই বৰুৱা নে ফুকনটো ওলালহি! ইফালে গাৱঁত বনৰজা ওলাইছে—এওঁৰ আকৌ কানিৰ টিকিৰা পোৰাতেই যাব।"

ঠিক তেনেতে ৰতিকান্ত দুৱাৰমুখত। উধাতু খাই অহা ৰতিকান্তই ফোপাই ফোপাই, মাতিলে, "টিভিৰাকাই!" ঘৈণীয়েকে ভিতৰৰপৰা ক'লে, "কোন ? কি হ'লনো ?" ৰতিকান্তৰ মুখ শুকান। সি কোনোমতে ক'লে, "টিভিৰাকাই দুৱাৰ মেলা, টিভিৰাকাই, বনৰজা..."

দুৱাৰখন ভিতৰৰপৰা চালপীৰাখনেৰে হেঁচা মাৰি ঘৈণীয়েকে টিভিৰাক কঁপা কঁপা মাতেৰে ক'লে, "অ' এতিয়াহে মৰিলোঁ। বোলো উঠাচোন উঠা। মই কৈছিলোঁ নহয়—এই বেজালি-চেজালি এৰা। এতিয়া চোৱাহি...বনৰজা নিজেই আহি ওলালহি মানুহৰ মাত-কথাৰে, এতিয়াহে মৰিলোঁ, ভাল বেজৰ লগত সং হ'ল..." এই বুলি তাই ৰাউচি জুৰিলে।

"কি হ'ল হোঁ তোৰ ? কানিৰ জুতিকণ পাগ লাগি আহোঁতেই কি মৰচিঞৰখন মাৰিছ অ' ?" টিভিৰাই বহি থকাৰপৰাই ক'লে।

ঘৈণীয়েকে উধাতু খোৱাদি ক'লে, "যোৱা, তোমাৰ কৰতি পুথিখন আনা। মাছাদু বাঘৰ মন্ত্ৰ আছে যদি মাতা...মাতা!"

"কি হ'লনো ? ভালকৈ নকৱ কিয় ?"

তেনেতে বাহিৰৰপৰা ৰতিকান্তই মাতিলে, "টিভিৰাকাই, দুৱাৰ মেলা আকৌ! অ' টিভিৰাকাই!"

"সেইয়া! সেইয়া," ঘৈণীয়েকে গিৰয়েকক ফুচফুচাই ক'লে, "সেইয়া শুনা, বাহিৰত বনৰজা।" এই বুলি দুৱাৰ মুখলৈ যাব খোজা টিভিৰাৰ হাতখনত ঘৈণীয়েকে খামুচি ধৰিলে।

"এঃ ৰচোন অ', কি হায়ে বিয়েখন লগাইছ ? মই কথাটো তন্তি লওঁ।" এই বুলি টিভিৰাই টানি মাত দিলে, "কোন ? কোন সেয়া বাহিৰত ?"

"মই ৰতিকান্ত। বৰাগী খেলৰ। দুৱাৰখন মেলাচোন অলপ।" ৰতিকান্তই কাতৰ ভাবে ক'লে।

"নোৱাৰো মেলিব দুৱাৰ। কি লাগে তাৰেপৰা ক'ব লাগিব।" টিভিৰাৰ ঘৈণীয়েকে ক'লে।

নিৰুপায় হৈ ৰতিকান্তই ক'লে, "ৰাইজে বাঘ ভেটিব খুজিছে। বান্ধনী দিব লাগে।"

"ৰাতিটোৱে হাতীটোৱে সমান। মই একো খোৱাই নাই এতিয়ালৈকে। এতিয়া নহ'ব। ৰাতিপুৱা আহিবা, ৰাতিপুৱা আহিবা", টিঙিৰাই শেষ কথা কোৱাদি ক'লে।

ৰতিকান্তই বাহিৰৰ পৰাই চিঞৰি ক'লে, "ভোগাই বৰুৱাই কৈছে, বোলে তেওঁ ৰাতিতে বাঘ ভেটিবই। সিফালে জাল-জুল উলিয়ালেই।"

ভোগাই বৰুৱাৰ নাম শুনি টিঙিৰাৰ কানিৰ নিচা উৰি গ'ল।

"হেৰৌ দুৱাৰখন নেমেল কিয়? আহাঁ ৰতিকান্ত বোপা, আহাঁ। চাওঁ চালপীৰাখন গুচা। ঢাৰিখন কলৈ গ'ল?"

ঘৈণীয়েকে চালপীৰাখন চোঁচোৰাই দুৱাৰডলিৰপৰা আঁতৰাই দুৱাৰখন মেলাৰ লগে লগেই ৰতিকান্ত কঁপি-জঁপি সোমাই আহিল। টিঙিৰাৰ ঘৈণীয়েকে চালপীৰাতে কুঁহিলাৰ কঠ এখন পাৰি দিলে। ৰতিকান্তই পানী খুজি এবাটি ঢকঢককৈ পি খালে। টিঙিৰা বেজে হাতৰ ঠাৰেৰে ৰতিকান্তক বহিবলৈ দি মন্ত্ৰ মাতিবলৈ আৰম্ভ কৰিলে।

"উত্তৰ দক্ষিণ বায়ু কোণ
বাঘ নেথাকি থাকিব কোন
পূবে বান্ধো আমৈ লতা
পছিমে বান্ধো অপেচৰী সূতা
ওপৰে বান্ধো বতাহৰ আগ
তলে বান্ধো বাসুকী নাগ
জৰীৰে বান্ধো ডোলেৰে বান্ধো
দক্ষিণ ৰায় ৰজাৰ লগুণেৰে বান্ধো
হ্ৰীং ক্ৰীং নমঃ
বাসুদেবায় নমঃ!

এইদৰে আৰু কিছুপৰ ভোৰভোৰাই বেজ পাটিত পৰিল চিত ভোলোঙা খাই। ৰতিকান্তই ভয়তে টিঙিৰাৰ ঘৈণীয়েকৰ ফালে চালে।

"ওঁ, হ'ল," টিঙিৰাৰ ঘৈণীয়েকে ক'লে, "সৰুবান্ধনী দিয়া হ'ল। এওঁ পাটিত থাকে মানে সিফালে বাঘে আৰু লৰচৰ কৰিব নোৱাৰে। য'ৰ বাঘ ত'তে ৰ'ল। তুমি যোৱা। ৰাইজক বতৰা দিয়াগৈ বোলে সৰুবান্ধনী হ'ল।"

ৰতিকান্ত ভয়ে ভয়ে বাহিৰ ওলাল। সি ওলোৱাৰ লগে লগেই বেজৰ ঘৈণীয়েকে দুৱাৰত ডাং দিলে। তাৰ পিচত ভিতৰৰপৰাই চিঞৰি ক'লে, "আৰু শুনা, এতিয়া তুমি মাননী একো নানিলা। পিচে বৰবান্ধনীলৈ মাতিবলৈ আহোঁতে তামোল এঅঁৰাই পাণ কেইবিৰামান চৰতীয়া এটাৰে লৈ আহিবা।"

এইবাৰ ৰতিকান্তৰ সাহ কিছু বাঢ়িল। কাৰণ বান্ধনী দিলে বাঘে আৰু লৰচৰ কৰিব নোৱাৰে। তথাপি ইফালে-সিফালে চুচুক-চামাককৈ চাই সি ভোগাইহঁতক খবৰটো দিলেগৈ। ভোগায়ে ক'লে, "ওঁ, এতিয়া আহাহঁক। খৰখেদা কৰা ৰাইজ। জোৰ আৰিয়া নিব নালাগে। জুই দেখিলে ৰজা কেনি ভাগে ঠিক নাই। জোন ওলাইছেই। টিঙিৰাৰ বান্ধনীত কোনো বাঘেই সাৰি যাব নোৱাৰে। জুইৰ আগত মন্ত্ৰ নাফাপিবও পাৰে। বলাহক।"

কিন্তু এন্ধাৰত আগবাঢ়িবলৈকো আটাইৰে ভয়। বেলেগ বেলেগ খেলৰ সাহিয়াল মানুহবোৰহে পলাই আহিল। ৰং চোৱা ল'ৰা-বুঢ়াৰ এই ৰাতিখন গা নুঠে। মানুহজনী নিয়া কেকুৰিটোৰ ওচৰতে এখন তৰানি। তৰানিখনকে কেন্দ্ৰ কৰি ওচৰৰ কুঁহিয়াৰনি আৰু পথাৰৰ এছোৱাকৈ ধৰি গাঁৱৰ আধামান জুৰি জাল দিয়া হ'ল। ভেটা সম্পূৰ্ণ হ'লত আকৌ ভোগায়ে ৰতিকান্তক ক'লে, "যা, বেজক কগৈ, জাল দিয়া হ'ল। বৰবান্ধনী দিয়কহি।"

এইবাৰ ৰতিকান্ত অকলে নগ'ল। লগত আৰু দুটামান ডেকা ল'ৰা লৈ নাম-গুণ গাইহে গ'ল। যাওঁতে ভোগাইৰ ঘৰৰপৰা চৰতীয়া এটাই তামোল-পাণ অলপমান লৈ গ'ল।

ইফালে গাৱঁত জোৰ আৰিয়া জ্বলিল। ইফালৰ পৰা সিফাললৈ উকিয়া উকি—ঢোলৰ ধুমধুমনি—পহৰীয়াৰ জা-জলপানৰ যোগাৰ এইবোৰেৰে ঠাইখিনি উদুলি মুদুলি হ'বলৈ ধৰিলে। কিছুপৰৰ মূৰত বেজ আহিল। মন্ত্ৰ

মাতি মাতি জালৰ কাষে কাষে ধুলি ছুটিয়াই দিলে। পিচে, আগে একুৰিমান মানুহ নগ'লে টিঙিৰা আগ নাবাঢ়ে। কয়, "বেজে ৰাখিব বাঘক, বেজক ৰাখিব কোনে?" অৱশেষত কোনোমতে জালখনৰ চাৰিও কাষে পাকটো মৰা শেষ কৰি ক'লে, "দিছোঁ নহয় বাপেকে মায়ঙীয়া বৰবান্ধনী। এই যে ধুলিখিনি মাৰিলোঁ—ধুলিতো নহয় এয়া। যেনিবা বানৰজাই মৰা অগ্নিগড়হে,একেবাৰে কিষ্ণ গোসাঁয়ে অনিৰুধ কোঁৱৰক ৰখা কুন্দ্ৰাইখৰ জাল। বাঘৰ বৰ বাপেকেও চেৰাব নোৱাৰে। ঢেকীয়াপতীয়া, নাহৰফুটুকী, লতামাকৰি, হোঁকৰা, বনমেকুৰী...যিবোৰ বাঘ আছে সকলোবোৰেই ৰ'ল, আনকি গাৰোদেশৰ মাছাদু বাঘো নোৱাৰে ওলাব। জাল ফালিলেও ধুলিয়ে আগচি ৰাখিব।" তাৰ পিচত লাহেকৈ ক'লে, "পিচে বৰকৈ হাই-হুই নকৰিবা। ৰজা জীৱ। ৰজাক জোকোৱা বেয়া। আৰু, তেওঁ পৰিলে মোলৈ বুলি বাঘতেল অকণ থ'বা।"

বেলেগ বেলেগ খেলৰ ডেকা ল'ৰামখাই ৰাতিটো খপিলে। ওচৰৰ বাৰীত কল-কুঁহিয়াৰ নোহোৱা হ'ল। লাহে লাহে পূবে ফেহুজালি দিলে। ধলপুৱাৰ লগে লগে মানুহৰ জুম বান্ধিলেহি। সকলোৱে আগ্ৰহেৰে বাট চাই আছে বাঘ ওলাব।

"বুজিছ পিতৌ, ৰঙাবেলিটো ওলাই অহা দেখিলেই বাঘে এঙামূৰি দি সেৱা এটা কৰে। বেলিয়ে কয় বোলে হিংসা নকৰিবি। বাঘে তেতিয়া মাটি একামোৰ খায়। পিচত অৱশ্যে সি বেলিৰ আগত খোৱা শপতৰ কথা পাহৰি যায়।"

পুৱাৰ বেলিৰ পোহৰত বাঁহনিৰ আগবোৰ সোণালী হৈ উঠিছে।

"বেলি ওলাল, বেলি ওলাল, বাঘে উজাৰ দিব এতিয়াই।"

কিন্তু নাই। বাঘৰ কোনো উম-ঘাম নাই।

লাহে লাহে বেলি দুতাঁৰমান হ'লহি। বাঘৰ সাৰসুৰেই নাই।

নাই, ৰাতি খপাহে সাৰ হ'ল। গড়গঞা বাঘৰ তলা-নলা নগঞা বেজে ক'ত ধৰিব পাৰিব। বাঘ পলাল। —মানুহে এইদৰে কোৱাকুই কৰিলে। লাহে লাহে আৰু মানুহ-দুনুহ গোট খালে। নানান কথা ওলাল—

"সিবেছা দেওশালত ভেটিছিল—মনত নাই? পিচে দেখা গ'ল নিসিংহ থানৰ—টপা। মায়া কৰি কেনি যে ওলাই গ'ল কোনেও তৰ্কিবই নোৱাৰিলে।"

আকৌ কথা উলিয়ালে বোলে—

"কিবা বোলেনে হেৰিয়াক অ', আজিকালি টিঙিৰা বেজৰ মন্ত্ৰ নেফাপে। এই সূতকুলীয়া মানুহজনী আনিবৰেপৰা তাৰ মন্ত্ৰৰ জাল নোহোৱা হ'ল। নাই, বাঘ ৰোৱা নাই।"

পুৱাতে ভোগেশ্বৰ আহিল খবৰ কৰিবলৈ। বাঘ নোলোৱাৰ খবৰ পাই ল'ৰা এটাক মাতি আনি ক'লে, "যাচোন সেই বেজপাতক জগাই দেগৈ। সি আজিকালি বৰ টিকিৰা পোৰাটো ওলাইছে নহয়। আজিকালি তাক বোলে কানি পাণৰহে মাননী লগা হৈছে। সি নুঠিলে বাঘে ক'ত উজাৰ দিব। যা বেগাই। আৰু—" এইবুলি তেওঁ ৰাইজৰ ফালে চাই ক'লে, "ৰাইজে এতিয়া জাল ঠেকাইহে আনিব লাগে।"

প্ৰথমে আম্বিৰঙা খেলৰ ফালে জাল ঠেকাবলৈ কাৰবাৰ কৰিলে। কাৰণ সেইফালে তেনেই বকৰানি। ফটা ঢোল আৰু ভোৰতালৰ খমখমনি উঠিল।

"ধৰিবাহঁক ৰাইজ" বুলি হৈ হৈ-ধনি কৰি জালৰ খুটিবোৰ উভালি দুনলমান ভিতৰলৈ নি তাতে পুতি আকৌ তৰিলেগৈ। গোটেই সময়খিনি ঢোল-তাল আৰু হৈ-ধনিৰ শব্দ চলি থাকিল। তেনেকৈ দয়ালৰ চুকৰ ফালেও জাল ঠেকি পেলোৱা হ'ল।

তেনেতে ফুটকানি এডৰাৰ মাজত এটা খচমচনি। জাঠি-জোং লৈ জালৰ চাৰিওফালৰ মানুহখিনি সষ্টম হ'ল। এটা দীঘল মুহূৰ্ত। ধৈৰ্য্যৰ বান্ধ ছিঙি যাব খোজা উত্তেজনা। তাৰ পিচত শুনা গ'ল এটা গোঁজৰ। কেঁচা হালধি ৰঙৰ উজ্জ্বল কিবা এটা ফুটুকানিবপৰা ওলাই গহীন খোজেৰে আন এটা জোপলৈ গুচি গ'ল।

বাঘ। বাঘ।

ৰাইজে চিঞৰি ক'লে, "চাবাহঁক! চাবাহঁক!"

"কানীয়া বেজটো চাগৈ উঠিল সিফালে," ভোগায়ে ক'লে। তাৰ পিচত গহীনাই ক'লে, "জালত পৰিল, এইবাৰ জালত পৰিল উজনীয়া বাঘ।"

## ১১

বাঘ জালত পৰিল। ভোগাইৰ ইচ্ছা, বাঘটো যিমান সোনকালে পাৰে খতম কৰাই ভাল। বাঘটো মৰাৰ লগতে তেওঁ বহুতো কথা পাঙি থৈছে, যিবোৰ কথা স্পষ্টকৈ কাকো ক'ব নোৱাৰে তেওঁ। কিন্তু বাঘ ভেটাটো এটা সামাজিক উৎসৱৰ দৰে। ইয়াৰ ৰং চাবলৈ দূৰ গাৱঁৰ মানুহো ভাগি, -ভুঁহৰি আহে। সাধাৰণতে তিনি-চাৰিদিনমান বাঘটো জালৰ ভিতৰতে ৰখা হয়। জালৰ কেউকাষে যেন মানুহৰ মেলাহে বহে। জালৰ কাষে কাষে টঙি সাজি তাৰ ওপৰত বহি ডেকা ল'ৰামখাই বাঘৰ আলেখ-লেখ চাই থাকে। টঙি সাজিবলৈ কাৰ বাঁহ কোনে আনে ঠিক নাই। তাত হুকাবধা কৰিবৰো কাৰো এক্তিয়াৰ নাই। ৰাতি বৰ জুই একোকুৰা ধৰি মানুহ বহি থাকে। ৰখীয়া-পৰীয়াৰ বাবে ভাত-পানীও ৰন্ধা হয়। ওচৰৰ মানুহৰ পাণ-তামোল কল-কুঁহিয়াৰ খান্তাং হয়। আনকি ওচৰৰ গাৱঁৰ হাঁহ পাৰ-ছাগলী আদিও হেৰায়। সেইবোৰ কোনেও বিচাৰিবলৈ সাহ নকৰে। ৰাতি কিৰিলি পাৰি ল'ৰাহঁতে বনঘোষা গায়। অবাইচ মাতৰ কোবত গোটেইখন মহগুৱালৰ মেল যেন হয়। পিচে, সকলো সময়তে জালৰ কাষে কাষে জাঠি-জোং লৈ মানুহ সষ্টম হৈ থাকে। বাঘ যদি কেনেবাকৈ ডাগিল—বৰ জগৰৰ কথা। যিটো খেলৰ জালৰ ফালে বাঘ পলায় সেই খেলে দন্দ ভৰিব লাগে। সাত্তে-সোতৰে ডেকাহঁতে ভাল পালেও ওচৰ গাৱঁৰ মানুহে যিমান সোনকালে পাৰি খেলখন ডাঙিলেহে ভাল পায়।

লাহে লাহে ঢোল-দগৰ আৰু হৈ ধনিৰ মাজেৰে জালখন ঠেকাই অনা হ'ল। শেষত গৈ গোট বাঁহ একোডালেৰে যেৰৰ মাজখিনি ঢুকি পোৱা

হ'ল। তেতিয়াহে খেমালিয়ে চৰম সীমা পালেগৈ। গোট বাঁহৰ ঢেকি সাজি তাৰে বাঘটোক খুচি দিয়ে, সি গৈ আনটো ফাল পায়গৈ, সেই ফালৰপৰা খোচ খাই আকৌ আনফালে যায়, গোঁজৰে। বাঘৰ হুমি, মানুহৰ উকি, ভোৰতাল আৰু ফটা ঢোলৰ মাত—কেউফালে কোঢ়ালৰ উপৰি কোঢ়াল। একো একোবাৰ বাঘে বাঁহডালত কামোৰ মাৰি ধৰে—বাঘে-মানুহে টনাটনি। সেই জোটাপুটিত বাঁহো চিৰাল ফটা দিয়ে আৰু বাঘৰো কোৱাৰি ফাটি তেজ ওলায়।

বাইজক ৰং চাবলৈ এৰি দি ভোগাই বৰুৱা ঘৰলৈ গ'ল। আৰু কৈ গ'ল, মাৰিবৰ সময়ত যেন ক'লামণি কুমাৰকে প্ৰথম আৰু শেষ খোচটো মাৰিবলৈ দিয়া হয়। কাৰণ, তাৰ তিৰোতাক খোৱা দোচমন-টোক সিহে মাৰিব লাগে। আৰু লগতে ক'লে, দিন-কাল বেয়া পৰিছে। আৰু মানুহ বাঢ়িলে খেতি-বাতিও নাশ হ'ব। উজনিৰ আকালৰ কথা পাহৰাটো অগিয়ানীৰ কাম হ'ব। গধূলিৰ আগে আগেই তাক বধিব লাগে।

গাৱঁৰ ল'ৰাবোৰে কথাটো ভাল নাপালে যদিও ভোগাই বৰুৱাৰ কথাৰ ওপৰত আৰু কাৰো মাত নাই। তাতে কালি তেওঁৰ গোটেই ডৰা পুৰা কুঁহিয়াৰ পৰীয়া মানুহক খাবলৈ দি গৈছে। ভোগাই বৰুৱাই যে সিহঁতক মতা-বোলা কৰি দিহা-ভৰসা দিছে সেয়েই সিহঁতৰ বাবে বহুত। কিন্তু ভোগায়ে সিহঁতৰ মন বুজি সিহঁতক শান্ত কৰিবৰ মনেৰে ক'লে, "বুজিছোঁ ল'ৰাহঁত তহঁতৰ কথা। পিচে মানুজনীৰ কথা ভাবিছ নে নাই?"

মানুহজনী? আটায়ে পাহৰিয়েই গৈছিল—বাঘে নিয়া মানুহজনী—ক'লামণিৰ ঘৈণীয়েকৰ কথা। তাইৰ শটোও যে জালৰ ভিতৰতে কোনোবা খিনিত আছে। বাহিৰৰপৰা একো দেখা যোৱা নাই। কিন্তু নিশ্চয় আছে—ক'লামণিয়ে কেউফালে বিচাৰ কৰিও শটো পোৱা নাই।

ভোগাইৰ কথাৰ যুক্তিযুক্ততাত সকলোৱে হয়ভৰ দিলে। ভোগাই ঘৰলৈ গ'ল। সন্ধিয়াৰ লগে লগেই বাঘটো মাৰিব লাগিব। বৰ আগতেও নহয়,

ভোগায়ে ভাবিলে, দিনৰ পোহৰত বহুতো কাম কৰিব নোৱাৰি।

কামটোত খৰখেদা কৰাত ভোগাইৰ আন এটা কাৰণো আছিল। বাখৰ তেতিয়ালৈকে বাঘচোঙলৈ অহা নাই। ন নৈ সিপাৰৰ ৰাঙলুৰ পৰাও মানুহ আহিছে। বাঘ ভেটাত কুমাৰ গাৱঁৰ মানুহেই আগভাগ লৈছে আৰু ভোগাই বৰুৱাও তাত লাগিছে—হয়তো সেই কাৰণেই তেওঁ অহা নাই। কিন্তু দেখদেখকৈ কোনো শত্ৰুতাতো বাখৰে কৰা নাই। একো নজনাৰ ভাও জুৰিও চোন বাখৰে এই ধেমালিত যোগ দিবহি পাৰে। তেতিয়া মানুহক দেখুৱাই ভোগায়েও বাখৰৰ লগত কথা-বতৰা পাতি মিতিৰালি দেখুৱাব লাগিব। গতিকে তেওঁ এনে এটা কাম কৰিব যাতে ইচ্ছা থাকিলেও বাখৰ বাঘচোঙৰ ফালে নাহে। কিন্তু কি উপায়েৰেনো সেইটো কৰা যাব পাৰে সেইটো তেওঁ ভাবি নাপালে। সময়ো হাতত কম। হঠাৎ বিজুলী সঞ্চাৰে তেওঁৰ মনত কথা এটা খেলাই গ'ল। তেওঁ ল'ৰালৰিকৈ কাপ-মৈলাম উলিয়াই ল'লে।

নুবিয়াই থোৱা নেৱাৰী তুলাপাতৰপৰা এছোৱা কাটি লৈ তেওঁ বাখৰলৈ চিঠি এখন লেখিলে। চিঠিৰ সাৰমৰ্ম হ'ল এই: বাখৰে চাগৈ গম পাইছেই এটা মানুহ খোৱা বাঘ ভেটা হৈছে। এনে বাঘ ভেটাটো বিপদজনক। গতিকে বাঘটো সোনকালে মাৰি পেলোৱাই ভাল। জাঠি হোলোঙাৰে মাৰিব পৰাকৈ জাল ঠেকোৱা হোৱা নাই এথোন। মানুহ খোৱা বাঘ বুলি জানি কোনো সোমাবলৈকো সাহ কৰা নাই...ইত্যাদি ইত্যাদি অলপ লেখি শেষত এষাৰ কথা জুৰি দিলে...গতিকে যেন বাখৰে তেওঁৰ হিলৈদাৰী এজন আনি সোনকালে বাঘটো মৰাই পেলায়।

চিঠি লৈ বৰ্হমচৰীয়া ন-নৈলৈ গ'ল। বাখৰ তেতিয়া ক'ৰবালৈ যাবলৈ ওলাইছে। সম্ভৱতঃ বাঘচোঙলৈ। মুগাৰ পাগটোৰ শেষ খোচাটো দি বাখৰ ওলাই আহিল।

"কি হ'ল হোঁ বৰ্হমচৰীয়াকাই, বাঘ ভেটিছে বোলে? ময়ো যাবলৈ ওলাইছোঁ।"

"হয় ডেকাদেউ, ৰাতিতে ভেটিলে।"

"পিচে, কি কথা? কি বতৰা? কিবা সকামত আহিলি হ'বলা?"

"হয় ডেকাদেউ, আমাৰ বোপাইদেউতাই পতীয়া এডুখৰি দিছিলে?" এই বুলি বৰ্হমচৰীয়াই হাঁচতিৰে মেৰিয়াই অনা বিজুলী বাঁহৰ চুঙা এটা আগবঢ়াই দিলে।

বাখৰে চুঙটোৰপৰা উলিয়াই চিঠিখন পঢ়িলে। চিঠি পঢ়ি যাওঁতে হোৱা ভাবান্তৰবিলাক বৰ্হমচৰীয়াৰ চকুত নপৰাকৈ নাথাকিল। প্ৰথমে বাখৰৰ মুখত সন্দেহৰ ছাঁ। তাৰ পিচত ক্ৰমে প্ৰসন্নতাৰ আভাস—তাৰ পিচত, সদৌ শেষত বাখৰৰ মুখখন নুমাই যোৱা চাকি এটা যেন হ'ল।

তেনেহ'লে কথাটো বেয়াকৈ সদৰি হ'ল, বাখৰে ভাবিলে। তিলটোৱেই তালটো হৈ কথাটো গোটেইখন জনাজাত হ'ল। কুম্পানীৰ বঙাল চিপাহীক ফটিকা খুৱাই বশ কৰি আঢ়ৈ কুৰি ৰূপ ভাঙি তেওঁ এই হাতহিলৈটো জোগাৰ কৰিছে কোনোমতে। এতিয়া মানুহে ভাবিছে তেওঁৰ হিলৈদাৰী চিপাহী আছে। ৰজাঘৰীয়া চিপাহীৰ বাহিৰে আনৰ হাতত হিলৈ থকাটো কিমান অপৰাধ সেইটো কোনে নাজানে? যি নিৰ্বিকাৰ ভাবে ভোগায়ে হিলৈদাৰীৰ কথাটো লেখিছে সেইটো যেন ভাত-মাছৰ লগৰহে বস্তু। কোনোমতে সংযত হৈ বাখৰে ক'লে, "চিঠিৰ কথা বাৰু পালোঁ। মুখ জেবানে কিবা কৈছে নেকি?"

"নাই ডেকাদেউ, মোক একো কোৱা নাই।"

"বাৰু যা। হেৰ' তহঁত কোনো এটাই বৰ্হমচৰীয়াক তামোল এখনো দিব পৰা নাইনে?" ভাওজোৰা আত্মীয়তাৰ সুৰত বাখৰে কথাখিনি শেষ কৰিলে।

স্বৰূপতে চিঠিত নো কি হাতী-ঘোঁৰা আছে বৰ্হমচৰীয়াই গম নাপায়। কিন্তু কিবা এটা পাক কঁৰবাত থকা বুলি তাৰ মনে গোন্ধালে? সেইবাবে বাখৰৰ টোলৰ পৰা ওলাই পোনে পোনে মিকিৰ হাটলৈ নগৈ আলি কেকুৰিতে গছৰ আঁৰত অলপ থিয় দিলে। ভাবিলে, বাখৰ হয়তো

এইফালেদিয়েই আহিব। আৰু তেতিয়া হ'লে সি সৰুপানী ছুবলৈ বহাৰ ভাও জুৰিব। কিন্তু নাই, কোনো নাহিল। বহুত পৰ ৰৈও সি কাকো দেখা নাপালে। আৰু বেছি পৰ ৰ'লে সন্দেহৰ কাৰণ হ'ব পাৰে বুলি সি গছৰ আঁৰৰপৰা ওলাল। তেনেতে দেখিলে বাখৰৰ ঘৰৰপৰা থোলোক নামৰ লগুৱাটো ওলাই আহিছে। বৰ্হমচৰীয়া ৰ'ল থোলোক আহিলে তাৰ লগত যাব বুলি। পিচে থোলোকে দেখোন বাঁহনিৰ সিপাৰৰ সৰুবাটটোৰেহে বাট লৈছে। সেইফালে নৈ পাৰ হৈ ডকমকা পায়গৈ। তাৰপ'ৰাই পথাৰেৰে পোনালে সেয়াই সলাল।

বৰ্হমচৰীয়াই ভাবিলে, কথাই কিবা ভালকৈ পাগ লৈছে দেই। বাখৰে চাগৈ থোলোকক সলালকৈ পাচিছে। কিন্তু কিয়বা। বৰ্হমচৰীয়াৰ খোজ খৰ হ'ল।

"চিঠি দিলি?"

"দিলোঁ বোপাদেউতা।"

"কিবা কৈছে নে?"

"নাই, চিঠি পঢ়ি যাওঁতে মাথোন মন কৰিলোঁ মুখে বাৰে বাৰে বৰণ সলাইছে। কি বা আছিলে তাত?" বৰ্হমচৰীয়াৰ মাতত কৌতূহল।

"জেঠেৰি ক'ৰবালৈ গ'ল নেকি?" ভোগায়ে সুধিলে।

"বাঘচোঙলৈ ওলাইছিল যেন পাওঁ। পিচে, নাহিলেচোন" বৰ্হমচৰীয়াই ক'লে। তাৰ পিচত সৰুকৈ ক'লে, "থোলোকক ক'ৰবালৈ পাচিছে হ'বলা। সলালৰ ফালে পোনাই যোৱা যেন পালোঁ।"

হাঁহি আৰু উৎকণ্ঠাৰ সুৰেৰে ভোগায়ে ক'লে, "শুন ককাই, চিঠিত আছিল খেতৰ খেদোৱা কৰতি মন্ত্ৰ। সলালৰ বেজে জৰাৰ আগতেই দিহা লাগিব।"

বৰ্হমচৰীয়াই ক'লে, "একো নুবুজিলোঁ, বোপাদেউতা।"

ভোগায়ে ক'লে, "চাই থাকচোন। আৰু শুন, তই দুটামান মানুহ পঠাই আলেঙৰপৰা আলেখ-লেখ চাই থাকিবি। জেঠেৰি ঘৰৰপৰা ওলায়নে

নোলায় চাবি। ওলালে আগতীয়াকৈ খবৰ দিবি—মোক দিবি আনক কোৱাৰ আগতে।"

ভোগায়ে অৱশ্যে জানে, তেওঁৰ চিঠি পাই বাখৰ আৰু বাঘচোঙলৈ নাযায়। কিন্তু সলাল গোহাঁইৰ তালৈ বা আন ক'ৰবালৈ যোৱাৰ সম্ভাৱনাটো তেওঁৰ মনলৈ অহা নাছিল। বাখৰ জানো এলাপেচা মানুহ। কি বা পাং পাতিছে বাখৰে! ভোগাইৰ মনটো অশান্ত হৈ উঠিল। উকমুকনিতে দুপৰীয়া ভাতসাজো ভালকৈ খাব নোৱাৰিলে। মনটো শান্ত কৰিবৰ বাবে তেওঁ এটা উপায় বিচাৰিলে। নমাই থোৱা কাপ-মৈলামযোৰ তামূলী পীৰাতে আছিল। হঠাৎ তেওঁৰ মনত পৰিল, গুণমালা পুথিখনৰ সাঁচিপতীয়া নকল এটা আৰম্ভ কৰিছিল সুমলাক আখৰ চিনাবলৈ। শেষ আধ্যাত পৰিছিলগৈ কাম। সুমলাক মাতি আনি তেওঁ লেখি লেখি আখৰ চিনাই যাবলৈ ধৰিলে?

"অমৃতে নৈৰাশ। যেন বিষগ্ৰাস॥
পাপে চাপি ধৰে। নাম নুসুমৰে॥"

"এইটো অ, মত খ কাৰ দিলোঁ চা, কি হ'ল?"

"মৃ" সুমলাই ক'লে।

"আৰু এইটো দন্তীয়া ত। অমৃত। বুজিলি?"

এই পৰিয়ালত গুণমালা পুথিখনৰ জৰীয়তেই ল'ৰা-ছোৱালী আটায়ে লেখা-পঢ়া শিকে। ছোৱালীয়েও গুণমালাখনৰ নকল এটা নিজে কৰিব পৰা বিদ্যা সকলোৰে থাকিবই লাগিব। সেয়াই হ'ল শিক্ষাৰ নিম্নতম জোখকাঠী। সুমলাৰ আখৰ এতিয়াও পোন হোৱা নাই। পিতাদেৱেকে এই নকলটো ডাঙৰ আখৰেৰে কৰি দিছে। এইটো চাই চায়েই তাই প্ৰথমে ফলিগুটিত, পিচত তুলাপাতত লিখিবলৈ শিকিব।

এইদৰে কিছু সময় গ'ল। ভোগাইৰ মনটোও অলপ শান্ত হৈ আহিল। কিন্তু এই শাৰীটো লেখোঁতে তেওঁৰ মনটো আকৌ কেনেবা কেনেবা লাগি গ'ল।

আত্মঘাত কৰে। কৌতুকত মৰে॥

তেওঁ জানো কৌতুকতে আত্মঘাত কৰিবলৈ ওলোৱা নাই? তেওঁ সুমলাক ক'লে, "আজিলৈ হ'ব দে আৰু আই। তই বৌৱেৰৰ ওচৰতে থাকগৈ।"

সুমলা ভিতৰলৈ যোৱাৰ পিচত ভোগাই কিছুপৰ বহি থাকিল। পুথি সামৰিবলৈ গৈ দেখে আৰু মাত্ৰ ছশাৰী পদ আছে। এই ছশাৰী হ'লেই গুণমালা শেষ। নকলটো সম্পূৰ্ণ হয়। ছশাৰীৰ বাবেই কামটো আধৰুৱা কৰি থবনে? ভোগায়ে লেখাত মন দিলে।

তামোল কটা লিগিৰাটোৱে খবৰ দিলে, "টিঙিৰা বেজে বান্ধনী কাটি দিলেহি।"

বান্ধনী মন্ত্ৰ আন এটা মন্ত্ৰেৰে কাটি নিদিয়ালৈকে বাঘ মাৰিব নোৱাৰি। পুথিৰপৰা ভোগাইৰ মনটো বাঘলৈ আৰু তাৰপৰা বাখৰলৈ গৈ আকৌ ঘূৰি আহিল। আৰু অলপ বাকী আছে, ছশাৰী মাত্ৰ পদ। ওঁহো, নেজত বিষ এৰিব নোৱাৰি।

তেওঁ লেখি গ'ল:

কত তপসাই। নৰ তনু পাই।

তেওঁৰ চকুত তেতিয়া জালৰ কাষৰ মানুহবোৰৰ ছবি। তেওঁ দেখিলে মানুহবোৰে বাঘটোক খুচি দিছে, বাঘটোৱে গোঁজৰ মাৰি আনফালে বৈছেগৈ। তেওঁ দাবি চিনটো দি দ্বিতীয় শাৰীটো আৰম্ভ কৰে।

চিন্তামনি প্ৰাই। হাততে হৰাই।

আকৌ এবাৰ বাঘ, আকৌ এবাৰ বাখৰ। বাঘ লুকাইছে জোপত, বাখৰে উৎকণ্ঠাৰে ঘনাই তামোল খাইছে—উৎকণ্ঠাৰে চাইছে থোলোক আহি পালেনে নাই। দাবি।

জানিয়া সম্প্ৰতি। কৰি থিৰমতি।

ভোগাই শান্ত হৈ বহিল। বাঘটোৱে এচুকত বহি ফোপাইছে। বাখৰে মূৰ গুজি ভাবিছে...দাবি।

অগতিৰ গতি। ভজা যদুপতি॥

বেলি লহিয়াইছে! মানুহবোৰে আগ্ৰহেৰে চাই আছে বাঘটোৰ ফালে। এজন দুজনকৈ মানুহ সোমাই গৈছে জালৰ ভিতৰলৈ।

মাধৱৰ নাম। ধৰ্ম অনুপাম ॥

ক'লামণিয়ে জাঠিডাল তুলিছে।' বাখৰে এসোপা চূণে সৈতে তামোল এখন আকৌ মুখত ভৰাইছে।

এৰি আন কাম। বোলা ৰাম ৰাম ॥

ক'লামণিয়ে বাঘটোৰ গাত খোচটো মাৰিলে। আনবোৰেও টঙনিয়াইছে। দুটামানে ক'লামণিৰ ঘৈণীয়েকৰ শটো চোঁচোৰাই লৈ আহিছে...

তামোল কটা লিগিৰা উধাতু খাই এইবাৰ ভিতৰ সোমাল।

"দেউতা, বাঘ পৰিল।"

ভোগাই নুঠিল। যেন জনা খবৰ এটাকে লিগিৰাই দিলেহি। পুথিখনৰ নকল সম্পূৰ্ণ হ'ল। তেওঁ লেখিলে, 'যথা দৃষ্টং তথা লিখিতং লিখকস্য নাস্তি দোষম্।' তাৰ পিচত তাৰিখটো দি নাম চহী কৰিলে। তাৰ পিচত লিগিৰাক ক'লে, "চাওঁ, এঙা চোলাটো।"

## ১২

এঙা চোলাটো পিন্ধি ভোগাই চ'ৰাৰ মুখত থিয় হ'ল।

লিগিৰাই সুধিলে, "দেউতা, দোলা নে ?"

"ঘোঁৰা" ভোগায়ে ক'লে।

লিগিৰাৰ মুখ ক'লা পৰিল। কাৰণ দোলাত হ'লে তামোলৰ টেমা লৈ সিও কাষে কাষে যাব পাৰিলেহেঁতেন। ঘোঁৰাত গ'লে দেউতাই কাকো লগত নলয়।

ঘোঁৰা আহি চোতাল পোৱাৰ পিচত ভোগাই আকৌ ভিতৰ সোমাই গ'ল। ভিতৰলৈ চাই মাতিলে, "সুমলাৰ মাক!"

সুমলা আৰু সুমলাৰ মাকে অৰ্থাৎ মাহিন্দ্ৰীয়ে দুৱাৰ ডলিত দেখা দিলে।

"মোৰ অহাত অলপ পলম হ'ব পাৰে। চাওঁ আঙঠিটো।"

সুমলাই ভয়ে ভয়ে মাকৰ চকুলৈ চালে। এই বাখৰামি আঙঠিটো উকাকৈ মাকে পিন্ধি থকা তাই দেখিছে। বাখৰবোৰ কি হ'ল এদিন তাই সুধিছিলো। মাকে মাথোন কৈছিল পিতাদেৱেহে জানে বুলি। এইবাৰ তাই দেউতাকৰ ওচৰত লেন চেলাই ক'লে, "বাঘ চাবলৈ যাব পিতাদেউ ? ইয়ালৈকো আনিবলৈ দিবি, আমিও চাম।"

"বাৰু আই। সিহঁতে আনিবই নহয়।"

মাহিন্দ্ৰীয়ে বাখৰ নোহোৱা জেঠীনেজীয়া আঙঠিটো মাজৰ আঙুলিৰ পৰা সোলোকাই হাতৰ তলুৱাত লৈ থিয় দি থাকিল। ভোগায়ে লাহেকৈ যেন পাতল বস্তু এটাহে তুলি লৈছে, তেনেকৈ তুলি ল'লে। মাহিন্দ্ৰীৰ

চকুৰ পানী এটোপ নিজকৈ মচি থোৱা শুকান মজিয়াত পৰি তৎক্ষণাৎ শোষ গ'ল। ভোগায়ে এবাৰ মাহিন্দ্ৰীৰ ফালে চাই সুমলাৰ চুলি কোছাত হাত ফুৰাই দি ওলাই গ'ল। মাহিন্দ্ৰী তাতে থিয়দি ৰ'ল। বহুত পৰ।

সুমলাই ক'লে, "ৰ'ল বৌ, সাধুটো কওঁগে। দ'তটোৱে তেতিয়া কি কৰিলে ?"

"দ'তটোৱে তেতিয়া বুজিলে কোনোবাই তাৰ জীউলাওটো পালেগৈ" বুলি কৈয়েই টান মাৰি জীয়েকক লৈ মাহিন্দ্ৰী পাটিত পৰিলগৈ। চকুৰ পৰা নামি আহিল ধাৰাষাৰ চকুপানী। সুমলায়ো কান্দিবলৈ ধৰিলে মাকে কন্দা দেখি।

মাহিন্দ্ৰীয়ে ভাবিলে, ভোগায়ে কি কৰিব খুজিছে বাৰু ? ভোগাইৰ সকলো কথা আৰু কামতে মাহিন্দ্ৰীয়ে এটা অশুভ ইংগিত দেখা পাইছে। কিন্তু ভোগাইৰ কোনো কথাই তাই ভালভাবে বুজিব পৰা নাই। আজিনো বাৰু আঙঠিটোৰ কি প্ৰয়োজন হ'ল ? ভোগায়ে কোনকালে ক'ৰবালৈ গ'লে মাত লগাই নাযায়। আজি কিয় মাত লগাই গ'ল ? সেই আঙঠিটো। মাহিন্দ্ৰীৰ শিৰৰ সেন্দুৰকণ যিদৰে তাইৰ সধবাৰ চিন, সেইদৰেই সেই আঙঠিটোও হ'ল তাই যে বৰুৱাৰ ঘৰৰ বোৱাৰী—তাৰ চিন। কি কুক্ষণত জানো শাহুৱেকে সেই আঙঠিটো সুমাই দিছিল তাইৰ আঙুলিত। তাইৰ মনত আছে তাইৰ আঙঠি পিন্ধা আঙুলিত আঙঠিটো খোৱা নাছিল—ডাঙৰ হৈছিল—তেতিয়া শাহুৱেকে মাজৰ আঙুলিতে আঙুঠিটো পিন্ধাই দিছিল। ননন্দেকে হাঁহি মাৰি কৈছিল, "ককাইদেৱেনো কি পুতলা এটা বিয়া কৰালে জানো, আঙঠি এটাও আঙুলিত নেখায়।"

নাই, ছিঃ, নাই। এইবোৰ কথা ভাবিলে স্বামীৰ অকল্যাণ হ'ব, তাই ভাবিলে। তাই ভোগেশ্বৰৰ ঘৈণী, বৰুৱাৰ বোৱাৰী, বৰুৱাৰ গিৰিহঁতনী। কুশ ফালি সম্প্ৰদান কৰি দিছিল ককায়েকে। অৰ্ধাঙ্গী বেমাৰত পৰি থকা দেউতাকৰ মুখত সেই দিনা ফুটি উঠিছিল হাঁহি। দুঘৰ বৰ্দ্ধিষ্ণু পৰিয়ালৰ মিলনৰ মাজেদি দুয়ো ঘৰতে শ্ৰী বাঢ়ি আহিব। কিন্তু কি হ'লগৈ ! ধন আৰু মান, প্ৰতিষ্ঠা আৰু প্ৰতাপ...এইবোৰৰ পাশাখেলত দুয়োঘৰ ধ্বংসৰ

বাটলৈ আগবাঢ়িছে। কিন্তু এই খেলা কেনেকৈ চলিছে তাই যেন ঠিক ধৰিব পৰা নাই।

তাইৰ মূৰৰ ভিতৰ খনত কিবা খেলিমেলি লাগি যায়। ভোগাই-বাখৰব এই মাৰাত্মক পাশাখেলৰ চালখন যেন লাগি যায় তাইৰ নিজক। এইখন ইমান দিনে পাশাখেল আছিল, এতিয়া যেন ই বাঘ চাল খেলা য'ত গুটিবোৰ গৰু নহয়, মানুহ। মানুহ কিছুমান লৈ খেলাৰ বাবেই যেন খেলখন ইমান মাৰাত্মক হৈ উঠিছে। কিন্তু কোনেও গম পোৱা নাই খেলখন কিমান মাৰাত্মক, কিমান আত্মক্ষয়ী, আৰু তাই কেৱল নীৰৱ দৰ্শক।...

...মাহিন্দ্ৰীয়ে কিমান দিন সপোন দেখিছে...বাখৰ আৰু ভোগায়ে লাউখোৱা হাবিত পহু চিকাৰ কৰিছে! বাঘৰ মুখৰ পৰা পহু কাঢ়ি আনিছে দুয়ো—বাখৰৰ বুদ্ধি আৰু ভোগাইৰ সাহ। তাৰ পিছত সেই পহুৰে ভোজ দিছে ৰাইজক। মাহিন্দ্ৰীয়ে আগমঙহখিনি বেলেগে ভাজি দিছে দুয়োকে। কিন্তু যোৱা ৰাতি তাই কি দেখিলে? একেই চিকাৰ, একেই ভোজ। তায়ো আগমঙহখিনি ৰান্ধি দিছে হিং আৰু জালুকেৰে। দুয়ো বহিছে। ভোগাই আৰু বাখৰ। তাই যেন তেনেই সৰু ছোৱালীজনী। ককায়েকে মাতি নি তাইক ওচৰতে বহুৱাই তেওঁৰ ভাগৰে আগমঙহ অকণ তাইক খুৱাই দিব খুজিছে। লাজতে তাই খাব খোজা নাই। গিৰিয়েকে তেতিয়া কৈছে, "খোৱা, খোৱা।" বাখৰে তাইৰ মুখত অকমান আগমঙহ দিছে। মুখত লৈয়েই তাই দেখিলে সেইবোৰ মঙহ নহয়, মাটি—দলি চপৰা। দলিচপৰাবোৰকে সজাই দিছে তাই দুয়োকে। থুতুকুৰিয়াই থুতুকুৰিয়াই তাই সাৰ পাই উঠিছিল।

তাইৰ দৰে অসহায় আৰু যেন কোনো ক'তো নাই। আজি বা কি ঘটে! ভোজ খোৱা সপোন হেনো দেখা বেয়া। তাই লৰালৰিকৈ গাটো ধুই ল'লে। যেন সকলো দুশ্চিন্তা নাগফুটা কুঁৱাৰ শীতল পানীয়ে ধুই লৈ যাব—শাঁত পেলাব। গোসাঁই ঘৰলৈ গৈ ৰূপৰ চাকিটো জ্বলাই দি সেৱা কৰি উঠি তাই অলপ ভাবিলে। তাৰ পিচত দুটা মাটিৰ চাকিত দুডাল শলিতা সজালে, শকত গাৰো কপাহৰ শলিতা। তাৰ পিচত চাকি দুটাত তেল ঢালি দি চাকি দুটা জ্বলাই আৰু এটা সেৱা কৰি ওলাই আহিল।

# ১৩

মুগাবৰণীয়া যোঁৰাটোত উঠি ভোগাই যেতিয়া বাঘ-চোং পালেগৈ তেতিয়া মানুহ-দুনুহ ভালেখিনি ভাগিছে। জাল সামৰাই জাল সামৰিছে আৰু বৰুৱাৰ ঘৰত বাঘটো দেখুৱাবলৈ সাঙী কৰি নিবলৈ বুলি দুজনমানে বাঁহ কাটিছে। সকলোৱেই বাঘটোৰ কথাকে চৰ্চি আছে।

"ভোগাই দেউতাৰ কথামতে ৰাতিতে ভেটিলোঁ বুলিহে। নহলে আৰু বা কিমান হানি কৰিলেহেঁতেন এওঁ!" এজনে ক'লে।

দা-ৰ ঘাপে ঘাপে একোটাকৈ শব্দ কৈ কৈ বৰাগী খেলৰ ৰতিকান্তই ক'লে, "সেই ৰাতিখন গৈ মই টিঙিৰা বেজক খবৰ দিলোঁ গৈ বুলিহে! নহ'লে কোনে ভেটে?"

"জানো দে তোৰ সাহৰ গোটটো। তইতো সাহত যোৱা নাছিলি, গৈছিলি ভয়ত—ভোগাই দেউতাৰ ভয়ত।" ডেকা ল'ৰা এটাই ক'লে। আন এজনে আকৌ তাত যোগ দিলে, "এৰা এৰা, আমি শুনাত ৰতিকান্তই বোলে খবৰ দি আহি তিয়নি সলাইছিলহি!"

আটাইখনে গিৰ্জনি পাৰি হাঁহিলে! ৰতিকান্তই দা জোকাৰি ক'লে, "ভাল নহ'ব দেই কৈ দিছোঁ, দুছেও কৰিম একে ঘাপে।"

"হেৰ' হেৰ' কি কৰিছ?" ফেলায়ে ক'লে, "মানুহৰ গালৈ দা টোঁৱাব নেপায়। মাটিত আঁক তিনিটা মাৰ। কোনে কৈছে তোৰ সাহ নাই বুলি! তেনেই শামুকৰ সাহ—গোটেই গাটো ভৰি আছে।"

ল'ৰাবোৰে আকৌ হাঁহিলে। নিৰুপায় ৰতিকান্তই বাঁহ কটাত মন দিলে।

"কথাটো যা হক ভালেৰেই হৈ গ'ল", বুঢ়া এজনে ক'লে। "এৰা,

পিচে ল'ৰাহঁতেতো কথা নুবুজে। ক'লামণিৰ ঘৈণীয়েকৰ শটো ফুটুকানিৰ মাজতে আছিল। আৰু এটা দিন থকা হ'লে গোন্ধ ওলালহেঁতেন। ভোগাই দেউতাই সেইবাবেহে খৰখেদা লগালে।"

"কথাটো হওঁতে হয়। বিষয়া মানুহ—জানে বুজে। নহ'লেনো ৰজাই বিষয়া পাতেনে?"

এজন বুঢ়াই ক'লে, "পিচে, আৰু কিবা পাক থাকিবও পাৰে দেই। বিষয়াৰ আঁহ পোৱা টান।"

আনজনে ভেকাহি মাৰি ক'লে, "তুমিও আৰু ভাল কথা কোৱাহে গায়ন। কথাইপতি পাক দেখিলে কেনেকৈ চলিব। ৰজা থাকে উজনিত, বৰফুকন ভাটিত। এই বিষয়াবোৰ নেথাকিলে তোমাক কেতিয়াবাই কছাৰী বৰাহীয়ে শেষ কৰি থলেহেঁতেন।"

ডেকা এজনে ক'লে, "তোমালোকে যিহকে নোকোৱা লাগিলে, এইদৰে ৰাইজক বন্‌চিত কৰাটো হক কথা হোৱা নাই। বাঘ ভেটা যেন ৰং-ধেমালিৰ কথা কিবা সদায় হোৱা বস্তুনে? আৰু কিনো গোন্ধ ওলোৱাৰ কথা কৈছা, আমি দুজন মানে ছান্দি আছিলোঁ—জালৰ মাজৰ পৰাই ক'লামণিৰ ঘৈণীয়েকৰ শটো টানি আনিলোঁহেঁতেন। তাৰ পিচত সাদিন জুৰি ৰং-তামাচা চালোঁহেঁতেন।"

"পিচে নগলি কেলেই?" গায়নে ক'লে।

"কেনেকৈ যাবা? এই টিঙিৰাটো!" ডেকাই ক'লে।

"টিঙিৰাইনো আকৌ কি কৰিলে?"

"কি কৰিব আৰু? বান্ধনী কাটি দিলে। বান্ধনী কটা বাঘৰ চোঙতনো কেনেকৈ সোমোৱাগৈ—কোৱাচোন।" ল'ৰাটোৱে ক'লে।

টিঙিৰা বেজ অলপ আঁতৰতে আছিল। তাৰ নাম লোৱা শুনি সি কাষ চাপি আহিল।

"বোলোঁ কি কৈছ? কি কৈছ? এই টিঙিৰাই হাতী বন্ধা ফয়ৰে নিগনি বান্ধি থলেহে তহঁতে সাহ দেখুৱাব পাৰ হবলা! ইস্, বৰ বীৰ যহাবলৈ

আহিছে!" তাৰ পিচত নিজকে কোৱাৰ দৰে ক'লে, "এটা কথাহে বেয়া হ'ল। ক'লামণিয়ে খোচাটো জাঠিৰে মাৰিলে। হোলোঙাৰে মাৰিব লাগিছিল। বান্ধি থোৱা বাঘ লোৰে মাৰিব নেপায়।"

গায়নে ক'লে, "একো নহয়, একো নহয়। তুমি বান মাৰি মন্ত্ৰ কটাৰ পিচতহে মাৰিছে। আৰু,—" এইবুলি তেওঁ ডাঙৰকৈ ফুচফুচাই ক'লে, "বাঘ ভাগৰাই নাছিল নহয়। ভোগাই দেউতাই খৰখেদা লগালে বুলিহে...জাঠিৰে নেমাৰিলে ক'ত মৰিব। হোলোঙাৰে মাৰিলে জানোচা উভতি ধৰে...ঘৈণীয়েকৰ শোকত সি জৰ্জৰিত...ভোগাই দেউতাৰ কথাতহে সোমাইছিল চোঙত..."

তেতিয়া বেলি মাৰ গৈছিল। এন্ধাৰ হওতে নহওঁতেই পূব ফালেদি কৃষ্ণা প্ৰতিপদৰ জোন ওলাই আহিছে। ঠিক তেনে পৰতে ভোগাই আহি সেইখিনি পাইছিল। ভোগাইৰ ঘোঁৰা তাত থিয় হোৱাৰ লগে লগে ভালেখিনি মানুহ ভোগাইৰ কাষ চাপি আহিল। এটাই আহি ঘোঁৰাটো ধৰিলেহি। ভোগাই নামিল।

"বৰ বিয়াগোম বাঘ দেউতা, একেবাৰে চাৰিহাত!" ফেলায়ে ক'লে।

"কিহৰ চাৰিহাত অ'? হোঁকৰা, নাহৰফুটুকীও চোন তাতকৈ ডাঙৰ হয়—কি জুখিলি নো তই?"

"পেটটো দেউতা, পেটটো। যিমানবোৰহে মানুহ খাইছিল!"

"এৰা, তইঁত কুমাৰে পেট জুখিবহে জান—গাগৰিৰ ঘেৰ জোখাদি"—এইবুলি ভোগায়ে গায়ন বুঢ়ালৈ চাই সুধিলে, "কিমান?"

গায়ন বুঢ়াই ক'লে, "নাকৰ পৰা নেজলৈ আঠ হাত এমুঠন—ক'লামণিৰ হাতেৰে।"

"গাত যি একোপাহহে টেকীয়া—চ'কহি আহক। হেই—গুচ আঁৰকৈ"—এইবুলি বাৰিক এটাই বৰুৱাক আগবঢ়াই লৈ গ'ল।

বৰুৱাই কিন্তু চালে আন এফাললৈহে।

ক'লামণি আৰু এজুম মানুহ তাত থুপ খাই আছিল। ক'লামণিৰ ঘৈণীয়েকৰ শটো লৈ—ক'লামণি। বাঘটোৱে বেছি একো খাবলৈ সময়কে

পোৱা নাছিল। মাত্র কান্ধৰ কাষৰ মঙহখিনিহে খাইছিল। ক'লামণিৰ পুতেকহঁত আমন-জিমনকৈ বহি আছিল। মানুহবোৰে জোৰ এটা জ্বলাই মানুহজনীৰ বাবেও চাঙী এখন কৰি আছিল।

ভোগায়ে কিছুপৰ চাঙী সাজি থকা মানুহবোৰলৈ চাই ৰ'ল ; তাৰ পিচত বাঘটোলৈ চালে। আকৌ মানুহবোৰলৈ চাই মাত দিলে,

"ক'লামণি!"

"দেউতা," ক'লামণি আগবাঢ়ি আহিল।

"বাঘ মাৰিলা ?"

"মাৰোঁতে মাৰিলোঁ দেউতা। কিন্তু মানুহজনীতো আৰু..."

"দোচমনক মাৰিবই লাগে," ক'লামণিৰ কথা শেষ নহওঁতেই ভোগায়ে ক'লে, "কিমান ডাঙৰ বাঘ ?"

"মোৰ হাতেৰে ন হাততকৈ চাৰি আঙুল কম, দেউতা।"

ভোগায়ে মানুহবোৰলৈ চাই ক'লে, "কিমান মানুহ পৰিছিল ইয়াৰ হাতত, ৰাইজ ?"

"দহ-পোন্ধৰ মান হ'ব কিজানি—সেই ডকমকাত দুটা, শালনাত তিনিটা...কন্দলীত..." মানুহ এটাই আঙুলি পাবত গণি নির্ভুল হিচাপ এটা দিয়াৰ চেষ্টা কৰিলে। সিহঁতৰ কথা শেষ হোৱাৰ আগতেই ভোগায়ে আকৌ ক'লে, "কিমান হ'ব আৰু ? একুৰি ? তাকো সৌ দেওশালৰ পৰা বামুণি হৈ খাগৰিজান, নাজিৰাজান—এই গোটেই এ...কাটো ধৰি—নহয় জানো ? হুঁহ, এইটোওনো এটা বাঘ হ'ল নে ?" এইবুলি তেওঁ বাঘটোৰ নেজডাল দাঙি আকৌ এৰি দিলে, থেপেককৈ শব্দ এটা হ'ল। মানুহবোৰে ভোগাইৰ মুখলৈ চালে। কোনো ফালে নো...ৰাকৈ ভোগায়ে কৈ গ'ল,

"কুমাৰগাৱঁত কিমান ঘৰ জ্বলিল ?"

"সূতাৰগাৱঁৰ কেইজনী ছোৱালী ৰজাৰ চিপাহীয়ে নষ্ট কৰিলে ?"

"ৰামমল সোণাৰিৰ ঘৰ লুটি চিপাহীৰ মাজত কোনে বাঁটি দিছিল ? কিয় দিছিল ?"

ৰাইজ নিস্তব্ধ।

"ভেবেৰা কলিতাৰ সেই ধুনীয়া ছোৱালীজনী কাৰ ঘৰত বান্দী কৈ নিদিয়াৰ বাবে তাক মাটি বেচি খোৱা জগৰত পেলাই কোনে তাৰ নাইত কুমটি মেলাইছিল?"

"বেচেৰা মুকুন্দৰ দৰে বৰকঁগীয়া এটায়ো কাৰ চোতালৰ পৰা ওলাই আহিবলৈ বাট নেপালে?"

ৰাইজ নিস্তব্ধ। ধুমুহাৰ আগৰ নিস্তব্ধতা।

"কুম্পানীৰ হিলৈ আনি নপতা ৰজা হ'বলৈ মন মেলিছে কোনে?"

মানুহবোৰে একেলগে চিঞৰি উঠিল?

"বাখৰে!!"

তাৰ পিচত আকৌ নিস্তব্ধ। ভোগায়ে হাঁহি এটা মাৰি ক'লে, "তহঁত মৰিবই লাগে, তহঁত মৰিয়েই আছ। বাঘে মৰাও মৰা—বৰাই মৰাও মৰা। বাঘে মঙহ খাই...বৰাই কি খায়?"

"নহব দেউতা। আমাক বাঘেও নামাৰে। বৰায়ো নোৱাৰে মাৰিব।" ক'লামণিয়ে উত্তেজনাত কৈ উঠিল, "এটা বাঘ পৰিল, আৰু এটা পৰিব লাগে, ৰাইজ! আৰু এটা পৰিব লাগে! বাখৰ বাঘ পৰিব লাগে!"

"পৰিব লাগে! পৰিব লাগে!" ৰাইজে হৈ-ধনি কৰাদি চিঞৰি উঠিল।

ভোগায়ে নিৰ্বিকাৰ ভাবে ক'লে, "জানো, কি কৰিব খুজিছাহঁক তোমালোকে।" তাৰ পিচত ক'লামণিলৈ চাই ক'লে, "তই যাব নেলাগে। ঘৈণীয়েৰক খৰি দিব নেলাগিব জানো?"

বাকী ৰাইজ ওলাল। হাতত জাঠি-জোং-হোলাঙা যি পালে তাকে লৈ। মাছ মৰা পছাও বাদ নপৰিল। জোনৰ ফটফটীয়া পোহৰত সকলো আগবাঢ়িল ন-নৈৰ ফালে। বাটত আন মানুহেও যোগ দিলে।

"এটা বাঘ পৰিল। আৰু এটা পৰিব লাগে!"

সকলোৰে মুখত একেটা কথা।

বহুতে আনটো বাঘৰ ৰহস্য বুজিও নাপালে। কিন্তু যোগ দিলেহি।

"আনটো বাঘ ক'ত ওলাইছে নো?" সৰল চিতীয়া দুই-এজনে সুধিছিল। কিন্তু একো সমিধান নাপালে। মাথোন একেটা ৰহস্য সনা কথা, "ওলাহঁক। ওলাহঁক। এটা পৰিল। আৰু এটা মাৰিব লাগে।"

মানুহবোৰ গ'লগৈ। মৰা বাঘটো, মৰা মানুহজনী, ভোগাই, ক'লামণি আৰু দুই-চাৰিজন তাতে থাকিল। ভোগায়ে জানে যে সি তাত বেছি পৰ থকা উচিত নহ'ব! তথাপি নিশ্চিত কিবা এটা নোহোৱালৈকে সি তাত থকাটোকে ঠিক কৰিলে। এবাৰ ক'লামণিয়ে ক'লে, "দেউতা, পুতিয়েই থম নেকি? দেউৰে কৈছিলে বোলে অপঘাতত মৰিলে পুতিহে থ'ব লাগে।"

"নহয়" ভোগায়ে ক'লে, "খৰি দিবি। জুয়ে নুপুৰিলে বাঘৰ চুৱা নাযায়।"

মানুহকেইটাই ওচৰতে চিতা এখন সাজি মানুহজনী তুলি জুই দিলে। জুইৰ পোহৰত ওচৰত থকা মৰা বাঘটো একোবাৰ বেছিকৈ জিলিকি উঠে! লৰচৰ কৰা যেন দেখি। ভোগাই এবাৰ চঁক খাই উঠিছিল! মুঠিটোমাত থকা মাহিন্দ্ৰীৰ বাখৰ নোহোৱা আঙঠিটো ভোগায়ে লাহেকৈ হাতত লৈ হাত ফুৰাই চালে। বাখৰৰ গাঁতবোৰ বৰ দ' যেন লাগিল তেওঁৰ। সেই গাঁতবোৰৰ ভিতৰতে যেন তেওঁ নিজেও পোত যাব—এনেকুৱা এটা অদ্ভুত ধাৰণা তেওঁৰ মনলৈ আহিল। কিবা এটা অদ্ভুত ভয়ৰ শিহৰণৰ মাজেদি তেওঁ আঙঠিটো আকৌ মুঠিটোমাত থৈ দিলে।

ওচৰত চিতাৰ জুই। দূৰত, বহু দূৰত অস্পষ্ট কোলাহল। যদি বাখৰে আগতে গম পালে! কিজানি বাখৰ পলাই গ'ল। অথবা, যদি বাখৰে হিলৈ উলিয়াই লয়—এই মানুহবোৰ জানো ফৰিংছিটিকা দি ছিটিকি নপলাব? ভোগাইৰ গাটো আকৌ এবাৰ শিৰশিৰাই গ'ল।

অসহায় ল'ৰা এটাক বুজোৱাদি ভোগায়ে নিজক বুজালে: মানুহবোৰেতো জানে বাখৰৰ হিলৈ আছে বুলি। আনকি সিহঁতে হিলৈদাৰী থকা বুলিও ভাবে। তথাপিতো সিহঁত গৈছে। সিহঁত জানি বুজিয়েই গৈছে। এজন-দুজন তো নহয়, হেজাৰ জন। ইহঁতক ভেটিব পাৰিবনে বাখৰৰ

মানুহে! হিলৈ-বাৰুদ নোহোৱা মোৱামৰীয়া কেইটাই জানো টোকোন জোকাৰি ৰজাৰ সৈন্য খেদি পঠোৱা নাই?

চিতাৰ জুই লাহে লাহে নুমাই আহিছে।

বহুত ৰাতি হ'ল নেকি? তেনেতে হঠাৎ দেখিলে কাষত থকা জুৰমনেও চিতাৰ ফালে নাচাই আন এফালে চাই আছে। পূব ফালে। পূব আকাশত ৰঙা পোহৰ। বেলি ওলাবৰ হ'ল হ'বলা। ফেহুজালি দিবৰ হ'লেই চাগে। ভোগায়ে ভাবিলে। কিন্তু জোনটো চোন মাজ আকাশতে আছে। কৃষ্ণা প্ৰতিপদৰ জোন। ৰাতি পুৱাবৰ নৌ। তেন্তে?

সেয়া জুই। জুই জ্বলিছে। বাখৰৰ ঘৰ জ্বলিছে। হঠাৎ মাহিন্দ্ৰীলৈ মনত পৰি ভোগাইৰ নাকৰ আগটো জনজনোৱা যেন লাগিল।

# ১৪

ভোগাই ওলাই যোৱাৰ পিচত মাহিন্দ্ৰী আৰু সুমলাই বহুত ৰাতিলৈকে বাট চাই আছিল। মাহিন্দ্ৰীয়ে বাট চাইছিল ভোগাই অহালৈ আৰু সুমলা বৈ আছিল বাঘ চাবলৈ। দেউতাকে বাঘ লৈ আহিব বুলি তাই বৰ আশা কৰিছিল। নিশা মাহিন্দ্ৰীহঁতে একো খাব নোৱাৰিলে। সুমলা যদিও এঘাৰ বছৰীয়া ছোৱালী তথাপি দেউতাকৰ অত্যাধিক আদৰ পাই তেনেই পানী কেঁচুৱাৰ দৰে হৈ আছে। সেই সিদিনালৈকে দেউতাকে মাছৰ কাঁইট বাছি দিব লাগে। তাই সাধাৰণতে দেউতাকৰ লগতে শোৱেও। সেইদিনা সুমলাৰ ডিঙিত মাছৰ কাঁইট লাগিল। শুকান ভাত আৰু পকা কল খাই তাইৰ ডিঙিৰ কাঁইট যেতিয়া গ'ল তেতিয়া আৰু তাইৰ খোৱাৰ ৰুচি নাইকিয়া হ'ল। কেউফালে অথন্তৰ, মাহিন্দ্ৰীয়ে ভাবিলে।

দেউতাক নাই কাৰণে সেইদিনা সুমলা মাকৰ লগতে শুলে। মাহিন্দ্ৰীৰ চকুত টোপনি নাই। ইমান ৰাতিলৈকে বাৰু ভোগায়ে কি কৰিছে, ক'ত আছে? চিলমিলকৈ একোবাৰ টোপনি আহিলেও অকণমানি শব্দ এটাতে সাৰ পাই উঠে। ঘৰটোত ইমান শলিয়া হৈছেনে? কিবা এটা দিহা কৰিব লাগিব। ভোগাই আৰু বাখৰৰ চিন্তাৰ পৰা তাই মনটো আনফালে যোৱাৰ লগতে তাই যেন অলপ সকাহ পালে। তাইৰ জীয়ৰী কালতে এবাৰ দেউতাকহঁতৰ ঘৰত ডাল শলিয়াৰ উৎপাত বৰ বেছি হৈছিল। বেজে কিবা এটা দিছিলে যিলা পিঠাত সানি পাভতি চাঙত থৈ দিবলৈ। পিচদিনাৰে পৰা চৰীয়া, শলিয়া আনকি কঠালগুটীয়া নিগনি এটাও দেখিবলৈ নোহোৱা

হ'ল। কিন্তু তাৰ দুদিন পিচত—যিহে গোন্ধ! ধোঁৱা চাঙত, চোৰচাঙত—সকলোতে। গোন্ধটো মনত পৰাৰ লগে লগে মাহিন্দ্ৰীৰ ওকালি অহা যেন লাগিল। লগতে চাঁট কৰে মনত পৰিল আৰু এটা কথা—বোৱাৰী কালৰ। তাই ন-ছোৱালী হিচাপে সত্ৰলৈ গৈছিল শাহুৱেকৰ লগত। লগত যোৱা মুনিহ মানুহবোৰে গোসাঁইক সেৱা কৰিছে চ'ৰাৰ ভিতৰলৈ গৈ। তিৰোতা মানুহবোৰ বহিছে বাহিৰত। সাধাৰণ মানুহবোৰ খেনো কলপাতত, খেনো মাটিত বহিছে। শাহুৱেক আৰু তাইক বহিবলৈ দিয়া হৈছে দুখন কুঁহিলা কঠ। ৰীতি অনুসৰি ৰূপ এটকি, খনিয়া, গামোচা আৰু গুৱাপাণেৰে সিহঁতে গোসাঁইক সেৱা কৰিলে বাহিৰৰ পৰাই। সিহঁতলৈ নিৰ্মালি লৈ আহিছিলে পাচনি এটাই। আঁচল পাতি নিৰ্মালিখিনি লবৰ পৰতেই হঠাৎ তাইৰ নাকত লাগিছিলহি এটা গোন্ধ। সেই গেলা নিগনিৰ গোন্ধৰ দৰেই। ওবণি তলেৰে তাই দেখা পাইছিল—পাচনিজনৰ ভৰিত কিবা দেগ্‌দেগীয়া ঘা। তাইৰ মনটো অশুচি অশুচি যেন লাগিছিল। এতিয়া তাইৰ মনত খেলালে সকলো অশুভ। তাইৰ জীৱনৰ সকলোতেই কেৱল অমঙ্গলৰ চিন। গোসাঁইৰ নিৰ্মালিখিনিও তাইৰ ওচৰলৈ আহিছিল অপৱিত্ৰতাৰ গোন্ধ লৈ। তাইৰ মনত পৰিল গোসাঁই ঘৰত দিয়া চাকি দুগছলৈ। তাই কাষতে শুই থকা জীয়েকলৈ চালে : এইৰ গাত বাখৰৰ উপৰি পুৰুষ আৰু ভোগাইৰ উপৰি পুৰুষৰ তেজ, তাইৰ আৰু ভোগাইৰ। সুমলাতেই আছে তাই আৰু ভোগাই। এদিন মহ এটাই তাইৰ গাৰ পৰা উৰি গৈ ভোগাইৰ তেজ খাইছিল। দুয়োৰে তেজ খাই মহটো ৰঙা হৈ জিলিকি উঠিছিল। ভোগায়ে মহটো মাৰি পেলাইছিল। তাইৰ আৰু ভোগাইৰ তেজ মিহলি হৈছিল সেই মহটোত!

হঠাৎ সুমলাজনীৰ ঠাইত তাই যেন দেখা পালে এটা বিৰাট তেজৰ চেকা। তাই চকু দুটা মুদি দিলে। সুমলাই টোপনিতে উচুপিছে নেকি? তাই চকু মেলি চালে। নাই, শুইছে। শুই আছে।

মাহিন্দ্ৰী লাহেকৈ উঠিল। চুকত পিতলৰ গছাটোত চাকিটোৰ শলিতাডাল বঢ়াই দি তাই দুৱাৰৰ শলখাডাল খুলিলে। বাহিৰত জোনাক। গছৰ ছাঁবোৰ

চুটি চুটি। কেৱল গছৰ তলতে আছে। বাঁহৰ চিলিঙৰ মাজেৰে তাই দেখিলে টোলৰ বাটচ'ৰাত নাহৰ গুটিৰ আৰিয়া জ্বলাই দুটা উৰীয়া লাঠিয়াল শুই আছে। দিন-কাল বেয়া পৰিছে দেখি ভোগায়ে এই ব্যৱস্থা কৰিছে। সাধাৰণতে সিহঁত সাৰেই থাকে। সিহঁতৰ মাত-কথাবোৰ শুনিলে কিবা পুৰণি পদপুথি পঢ়া যেন লাগে। আজি চাগৈ সিহঁত বাঘচোঙলৈ গৈছিল। এতিয়া ভাগৰত শুইছে। জোনাক যদিও অভ্যাসতে আৰিয়া কেইটা জ্বলাইছে। আকৌ ঘূৰি ভিতৰ চোতাললৈ আহি মাহিন্দ্ৰী গোসাঁই-ঘৰ পালেহি। গোসাঁই-ঘৰৰ জাপখন মেলি তাই দেখিলে—দুটা, দুটা মাথোন চাকি জ্বলি আছে। সেই সদায় দিয়া ৰূপটো, আৰু এটা মাটিৰ। তাইৰ মূৰটোৰ ভিতৰত কি হ'ল তাই ক'ব নোৱাৰিলে। কোনোমতে দুৱাৰৰ বাৰডালত ধৰিহে তাই নপৰাকৈ থাকিল। মূৰ্চ্ছা কিয়, তাই এই মুহূৰ্ত্ততে মৰি যোৱাহে উচিত আছিল। কিন্তু তাই এতিয়াও সজ্ঞানে আছে। তাইৰ মনত পৰিছে সুমলালৈ। বৰঘৰত অকলে শুই থকা সুমলালৈ। যদি সাৰ পাই উঠি চিঞৰ-বাখৰ লগায়। বান্দী-বেটীবোৰ যদি সাৰ পাই উঠে! তাই কোবাকুবিকৈ গৈ বৰঘৰত সোমাল। সুমলাই সাৰ পাইছিল। বিছনা সলনি হোৱা বাবে তাইৰ ভাল টোপনি অহা নাছিল। মাক অহা দেখি তাই ক'লে, "কলৈ গৈছিলি, বৌ?"

"নাই, দেউতা আহিছেনে নাই চাইছিলোঁ।"

"মোৰ ভয় লাগিছিল বৌ, আহ শুই থাকহি।...পিতাদেউটো যে ক'লৈ যায়...বাঘটোনো আনিব নেপায়নে এতিয়ালৈকে।" মাহিন্দ্ৰীয়ে সুমলাক সাৱটি ধৰি শুবৰ চেষ্টা কৰিলে। কিন্তু ক'ত শুব পাৰে।...কোনটো চাকি বাৰু নুমাল? ভোগাই কিয় বাৰু এতিয়ালৈকে অহা নাই? নাই নাই, তাই আৰু শুব নোৱাৰে। নোৱাৰে। ক'ববাত জিলি এটাই মাতিছে। জিলিৰ মাতটো যেন খুলি খুলি তাইৰ মগজটোৰ ভিতৰলৈ সোমাই গৈছে—সোমাই গৈছে—ৰমাই সূতাৰৰ ভোমডালৰ দৰে...

# ১৫

“তহঁতে গা-পা ধুই বাঘটো মোৰ টোললৈ লৈ যাবিহঁক। ওহোঁ, নেলাগে দে। চালখন চেলাই খাবনি সানি থ'লেই হ'ব...” এই দিহা দি ভোগাই ঘোঁৰাত উঠিল। লাহে লাহে ঘোঁৰাটো আগবাঢ়িল। ধুলিয়ৰি বাটত ঘোঁৰাটো আৰু তেওঁৰ ছাঁটো পৰিছে। দুয়োটা ছাঁ একেলগে দেখি কিবা এটা অদ্ভুত জন্তুৰ ছাঁ যেন লাগিল তেওঁৰ। দুখন হাত, চাৰিখন ভৰি, দুটা মূৰ—যেন অদ্ভুত এটা দৈত্য।...

...বাখৰ তেনেহ'লে গ'ল। ইমানবোৰ মানুহৰ বেহ্ পাৰ হৈ পলোৱা অসম্ভৱ। কিন্তু বাখৰৰ ল'ৰা-তিৰোতা? মানুহবোৰে লুহিত-লপংহঁতৰ বা কি কৰিলে? সুমলালৈ মনত পৰি তেওঁৰ মনলৈ এটা আতঙ্কৰ ভাব আহিল। সুমলাৰ সমনীয়া লগৰীয়া সিহঁত। তেওঁ বাখৰৰ ঠাইত এবাৰ নিজকে থৈ চালে। মানুহবোৰে যেন তেওঁক বেঢ়ি ধৰিছে। তেওঁৰ চকুৰ আগতে সুমলাক টানি চোঁচোৰাই লৈ গৈছে...ওহোঁ, কিয় হ'ব? তেওঁ মূৰটো জোকাৰি ভাবটো মনৰ পৰা নাইকিয়া কৰিবলৈ চেষ্টা কৰিলে। তেওঁতো বাখৰ নহয়। বৰাৰ পুতেক বৰাক খিতাপ লাগে, খিতাপ! ৰাখকচোন এতিয়া তাক তাৰ হিলৈয়ে বা সলাল গোহাঁয়ে।

আলি-কেঁকুৰিত গৈ ঘোঁৰাটো তাৰ স্বাভাৱিক বাটেৰে আগবাঢ়িব খুজিছিল, মিকিৰহাটলৈ। ভোগায়ে লেকামডাল টানি সোণাৰি গাৱঁৰ ফালে ঘূৰাই দিলে। ঘোঁৰা গৈ সনাতন সোণাৰিৰ ঘৰৰ মুখত ৰ'লগৈ। ভোগায়ে সোণাৰিক জগালে। ধৰমৰকৈ উঠি কঁপি কঁপি সোণাৰি ওলাই আহিল।

কিবা জগৰ লগালে হ'বলা বেচেৰাই! নহ'লেনো ৰাতিখন দেউতা আহি...

"গৰশাল জোৰ সনাতন। হোঁ, ইয়াৰ বাখৰকেইটা খাজি দে।" এইবুলি মুঠিটেমাৰ পৰা আঙঠিটো উলিয়াই দি আকৌ ক'লে, "আছে নহয় বাখৰকেইটা? নে বেচিলি ক'ৰবাত? মাকৰ কাণৰ সোণখোৱা সোণাৰি, কি ঠিক আছে তইঁতৰ?" ভোগাইৰ ভাল মুখে কথা কোৱাৰ প্ৰয়োজন শেষ হৈছে আকৌ।

"ভাল কৈছে দেউতা, আইৰ কাণৰ খালোঁ বুলি আইদেউৰ হাতৰো খাবলৈ মোৰ কিবা কলিজা দুটানে?" আঙঠিটো শালত ফুৰাই ফুৰাই সনাতনে ক'লে।

"বাৰু হৈছে। সোনকালে কৰ এতিয়া।"

সনাতনে জপাৰ পৰা কাঠৰ টেমা এটা উলিয়ালে। তাৰ পৰা উলিয়ালে সৰু টোপোলা এটা। টোপোলাত বাখৰ। জুপি জুপি সি এটাকৈ বাখৰবোৰ খাজিবলৈ যত্ন কৰিলে। এবাৰ একুওৱা বাখৰ খজা টান।

"দেউতা, বন্দীয়ে কাইলৈ পুৱাতে নি ভেটিমগৈ। পাত সোণেৰে খাজিলেহে হ'ব।"

"ওহোঁ নহয়, এতিয়াই, এই মুহূৰ্ততে।"

নিৰুপায় হৈ সনাতনে কাম আৰম্ভ কৰিলে। ভোগাইক বহিবলৈ ক'বলৈকো তাৰ সাহস নাই। অথচ ভোগাই ওচৰতে থিয় হৈ থকা বাবে অতি সন্থম হৈ কাম কৰিবলৈ যাওঁতে তাৰ হাতৰ পৰা বাখৰবোৰ সৰি সৰি পৰে।

ভোগায়ে একদৃষ্টিৰে বাখৰবোৰৰ ফালে চাই আছে। সৰু হাতুৰিটোৰ ঠুক্‌ঠুকনি, জুই চুঙিটোৰ দীঘল ফু, পোৰা লা-ৰ গোন্ধ—আৰু সেই—ৰঙা ৰঙা বাখৰকেইটা। চাই থাকোঁতে সি দেখিলে বাখৰবোৰ যেন পনীয়া জুলীয়া হৈ গৈছে। সনাতনৰ আঙুলিৰ মাজেৰে যেন টোপাটোপে বৈ আহিছে।...সেইখনতো সনাতন সোণাৰিৰ হাত নহয়—সেইখন মাহিন্দ্ৰীৰ হাত!

"দেউতা!"

সনাতনৰ মাতত ভোগাইৰ চমক ভাগিল।

"হ'ল দেউতা।"

সোণাৰিৰ হাতৰ পৰা আঙঠিটো লৈ ভোগাই আহিল। আহোঁতে কৈ আহিল সি যেন দুদিনমান পিচত গৈ বাকীখিনি গহনাৰ বাখৰবোৰা লগাই দিয়েগৈ আৰু তাক লগা ধনখিনিও লৈ আহেগৈ। এৰী তেলৰ টেকেলি দুটাও আনিব পাৰে।

আঙঠিটো লৈ ভোগাই লাহে লাহে ঘৰৰ ফালে আগবাঢ়িল। ধুলিয়ৰি বাটত ঘোঁৰাৰ খুৰাৰ থপ থপ শব্দৰ বাহিৰে আন শব্দ নাই, তেতিয়া জোন লহিয়াইছে। পশ্চিম আকাশত গৈ জোনটোৱে অলপ ৰঙা বোল সানি ভোগাইলৈ যেন ভুমুকি মাৰি চাইছে মৰা মদাৰৰ শুকান ডাল এটাৰ মাজেদি। এইডাল মদাৰত আৰু ফুল নুফুলে। কাঁইটবোৰ আছে হয়—কিন্তু সিহঁতৰ আৰু সাৰ্থকতা কি? সিহঁতে ৰক্ষা কৰিবলৈ ফুল যে আৰু নুফুলে। তাত যে আৰু কুঁহিপাত নোলায়, আৰু যে কলি নেপেলায়।

তাৰ মনটো কিবা হতাশ হতাশ লাগিল। বাখৰ যদি গ'ল—তাৰো চোন জীৱনৰ এটা ডাঙৰ উত্তেজনা, ডাঙৰ অৰ্থ নাইকিয়া হ'ল। শত্ৰু নোহোৱাকৈ জীয়াই থকাত আনন্দ নাই, উত্তেজনা নাই, অৰ্থও নাই...

কিন্তু, সি জানো কামটো ঠিক কৰিলে। তাৰ নিজৰ জেঠেৰীয়েকক—মাহিন্দ্ৰীৰ ককায়েকক—সুমলাৰ মোমায়েকক সি হত্যা কৰালে— কেৱলমাত্ৰ প্ৰতিষ্ঠাৰ বাবে। তাৰ এই প্ৰতিষ্ঠা জানো চিৰকাল থাকিব?...মাহিন্দ্ৰীৰ মুখলৈ সি আৰু কেনেকৈ চাব? মানুহবোৰে হয়তো বাখৰৰ লগতে লুহিত-লপংহঁতকো শেষ কৰি দিছে। সিহঁতক সুমলাই বিচাৰিলে সি কি ক'ব? তাৰ মন গ'ল—সি যেন এতিয়াও গৈ আকৌ মানুহবোৰক ওভতাই আনিব। অন্ততঃ সুমলাহঁতৰ পুৰুষত যেন এই নিৰৰ্থক খিয়লাখিয়লিবোৰ আৰু নাথাকে।...কিন্তু পলম হৈ গ'ল। তাৰ আৰু সাহস নাই সেই মানুহবোৰৰ কাষ চাপিবলৈ। এতিয়া সি সিহঁতৰ কাষ চাপিলে

প্ৰমাণ হৈ যাব সিও সিহঁতৰ লগত জড়িত। এতিয়ালৈকে সি যে ঘটনাটোৰ লগত পোনপটীয়াকৈ জড়িত ৰজাঘৰত তাৰ কোনো প্ৰমাণ নাই। এতিয়া সি গ'লে হ'ব। সি নিৰুপায়। বাখৰক সি আৰু বচাব নোৱাৰে—আনকি লপং লুহিতকো। ভগা সুতুলি এটা হাতত লৈ বজাবলৈ বৃথা চেষ্টা কৰা ল'ৰা এটাৰ দৰেই তাৰ মনটো হতাশাৰে ভৰি পৰিল। সি নিৰুপায়, নিৰুপায়।

বাখৰক যিবোৰ দোষত দোষী কৰি সি আজি ৰাইজক উত্তেজিত কৰিলে, সেই একেবোৰ দোষেই জানো কম-বেছি পৰিমাণে তাৰ নিজৰ গাতো নাই? সূতাৰ গাৱঁৰ বান্দী কেইজনীৰ প্ৰতি তাৰ ব্যৱহাৰ গৃহস্থসুলভ নে? কেওঁট গাৱঁত দুই-চাৰিটা ল'ৰা-ছোৱালীৰ গাত তাৰ তেজ নাই নে?

টেপু বৰুৱা কেনেকৈ নাইকিয়া হৈছিল?

কিন্তু সিহঁত বিষয়া, সিহঁত ডাঙৰ মানুহ। এইবোৰ দোষ সিহঁতৰ নেথাকি কাৰ থাকিব। বাখৰ আক্ৰোহী, সি জানিবা নহয়। বাখৰ নতুন—সিহঁত পুৰণি। বাখৰৰ দৰে সি বল দেখুৱাব নালাগে—একোটা ইংগিতেই যথেষ্ট। আৰু, বাখৰৰ আছিল ধন—সি চিনি পাইছিল ধন। মানুহক সি চিনা নাছিল। মাটিক সি হেয় জ্ঞান কৰিছিল—সি ভাবিছিল তাক ধনে তৰিব। ধনেৰে কিনা হিলৈয়ে তাক ৰক্ষা কৰিব। মাটি আৰু মানুহৰ মহিমা সি বুজি পোৱা নাছিল। মানুহতকৈ ডাঙৰ অস্ত্ৰ আৰু একো নাই—বাখৰে সেইটো জনা নাছিল।

আৰু এটা কথা ভাবি সি সান্ত্বনা ল'লে, সি যদি বাখৰক উচ্ছেদ নকৰিলেহেঁতেন হয়তো, হয়তো কিয় নিশ্চয়েই বাখৰেই চেষ্টা কৰিলেহেঁতেন, মাহিন্ৰীক বাঁৰী কৰাৰ। বাখৰৰ প্ৰতিষ্ঠাৰ বাটত সিয়েই জানো হেঙাৰ নাছিল? আঠদিনৰ বাবে বৰুৱা হৈ সি যদি প্ৰজাৰ ওপৰত অত্যাচাৰৰ মাত্ৰা বঢ়াই নিদিলেহেঁতেন, তেতিয়া হ'লে সিও বৰুৱা হৈ থাকিব পাৰিলেহেঁতেন। তাৰ মনত পৰিল বাণেশ্বৰ কটকীৰ খৰিকাৰ সাঁথৰটো। বাণেশ্বৰ কটকীয়ে দুডাল খৰিকা লয়, এডাল দীঘল, আনডাল চুটি। চুটিডাল দীঘল কৰি দিব লাগে। সিহঁতে কোনেও নোৱাৰিলে। তেতিয়া

কটকীয়ে দীঘল খৰিকাডালৰ এছোৱা ভাঙি ইডালতকৈ চুটি কৰি দি কয়, "চোৱা এতিয়া সিডাল ডাঙৰ হ'লনে নাই ?" বাখৰো আছিল ঠিক তেনে। ভোগাইক সৰু কৰিব নোৱাৰিলে সি ডাঙৰ হ'ব নোৱাৰিব—এইটোৱেই আছিল তাৰ বিশ্বাস !

নাই, ভোগায়ে ভাবিলে, সি যি কৰিছে বাধ্য হৈহে কৰিছে। জীয়াই থাকিবলৈ হ'লে মাৰিবই লাগিব। মাৰিবই লাগিব। কাঁড়ী পাইকে মাৰে, তেজ ছিটিকি পৰে। নিজৰ গাত চেকা লাগে। বিষয়াই মাৰিলে তেজৰ চেকা নিজৰ গাত নেলাগে, নিলগে নিলগে শেষ হয়।

কথাষাৰ ভবাৰ লগে লগে তাৰ গাটো শিয়ৰি উঠিল। এই যে সাধাৰণ মানুহবোৰ—যিবোৰৰ গাত সি আজি তেজৰ চেকা সানি দিলে, যিবোৰৰ অন্ধ শক্তিক ব্যৱহাৰ কৰিলে তাৰ নিজৰ স্বাৰ্থৰ কাৰণে—সেইবোৰ জানো চিৰকাল অন্ধ হৈ থাকিব ? এদিন জানো সিহঁতে সিহঁতৰ মূল্য বুজি নাপাব। সেই শক্তিৰ অন্ধতা জানো এদিন লোপ নাপাব। ইহঁতে যদি নিজক নিয়ন্ত্ৰণ কৰিব পৰা হয়—তেতিয়া সিহঁতৰ চকুত জানো ভোগাই বাখৰ সকলো একে হৈ নাযাব। কল্পনাতেই তাৰ গা শিয়ৰি উঠিল। ফটাঁপড়া হাজৰিকাৰ সাধুটো মনত পৰিল—ৰজা প্ৰজা একে বস্তু। প্ৰজা কেতিয়াবা যদি ৰজা হয়, সিহঁতে বিষয়াবোৰৰ—এই ভাল মানুহবোৰৰ কি হ'ব।

ঘোঁৰা আহি টোলৰ মুখত ৰ'লহি। উৰ্বীয়া লাঠিয়াল দুটা শুই আছে। ভোগায়ে চাবুকডালেৰে সাৱৌপ কৰে বতাহতে কোব এটা মাৰিলে। সিহঁত খক্‌মক্‌কৈ সাৰ পালে।

"আমি শোৱা নাই, দেউতা !"

ঘোঁৰাটো সিহঁতৰ হাতত দি ভোগাই টোলৰ ভিতৰ সোমাল। বৰঘৰৰ পানীপোতাতে পানী লোটা আৰু গামোচা আছিল। তাৰে হাত-মুখ ধুই ল'লে। বৰঘৰৰ দুৱাৰ কানি-দুৱৰি হৈ থকা দেখি ভোগাই সোমাই গ'ল। সুমলা সাৰে আছিল।

"পিতাদেউ আহিলি ? বাঘ ?"

মুখত আঙুলি দি মনে মনে থাকিবলৈ ইংগিত কৰি ভোগায়ে সুমলাক দাঙি ল'লে। ওচৰতে মাহিন্দ্ৰী শুই আছে। হাতত থকা আঙঠিটো মাহিন্দ্ৰীৰ হাতত পিন্ধাই দিব খুজি ভোগাই ৰৈ গ'ল। তাৰ পিচত গাৰুৰ তলত আঙঠিটো থৈ লাহেকৈ ওলাই আহিল।

খক্‌মক্‌কৈ সাৰ পাই মাহিন্দ্ৰীয়ে দেখিলে কাষত সুমলা নাই। তেতিয়া পুৱাৰ পোহৰ বাৰজলঙাইদি আহি এৰীতেলৰ চাকিৰ পোহৰ মোলান কৰি আনিছে। সুমলা নাই। ঘৰৰ চুকত থকা হাঁকলীয়া জপাকেইটাৰ ফালে চালে। কেতিয়াবা সুমলাই তাতে উমলি থাকে। সুমলা নাই, ঘপকৈ উঠি দুৱাৰখন চালে। ডাং দিয়া নাই, এনেয়ে জপাই থোৱা আছে। তাই গোসাঁই ঘৰৰ পৰা আহোঁতে লৰালৰিতে ডাং দিবলৈ পাহৰি গৈছিল চাগে। কিন্তু সুমলা কলৈ গ'ল ? তাই দুৱাৰখন মেলি ওলাই আহিল। ভোগাইৰ শোৱনি কোঠাৰ দুৱাৰখনো কানি দুৱৰি হৈ আছিল। বুকুৰ ধপ্‌ধপনি বাঢ়ি আহিল মাহিন্দ্ৰীৰ। তাই কোনোমতে গৈ দুৱাৰখন মেলি দিলে। ভোগাই শুই আছে। ভোগাইক সাৱটি ধৰি শুই আছে সুমলা। ভোগাইৰ টোপনি গৈছিল নে নাই তাই ক'ব নোৱাৰিলে ; কাৰণ, ভোগাই বেৰমুৱা হৈ আছিল।

ভোগাই তাৰ মানে ৰাতিয়েই আহিল আৰু মেলা দুৱাৰ দেখি সুমলাক লৈ আহি শুই থাকিল। স্বস্তিৰ নিশ্বাস এটা পেলাই মাহিন্দ্ৰী আকৌ উভতি আহিল নিজৰ কোঠালৈ। লৰালৰিকৈ শোৱা-পাটিৰ পৰা উঠি আহোঁতে গাৰুটো মাটিত পৰিছিল। তুলি থবলৈ গৈ বিচনাতে দেখা পালে—সপোন নে সচিত বাৰু ?—সেই আঙঠিটো। গুলপীয়া বাখৰবোৰ জলঙাইদি পৰা বেলিৰ পোহৰত জিকমিকাই উঠিছে। বাখৰ। তাইৰ আঙঠিত আকৌ বাখৰ ! কেনেকৈ ?

তাইৰ কাণত ৰি-ৰি কৰে বাজি উঠিল ভোগাইৰ কথা এষাৰ... "সেই এটা বাখৰ থাকে মানে মোৰ ঘৰত আৰু বাখৰ নোসোমায়..."

এক মুহূৰ্ততে সকলো কথা পৰিষ্কাৰ হৈ আকৌ সকলোবোৰ ধূৱলি-কুঁৱলী হৈ গ'ল। এতিয়াও তাই আশা কৰিলে সেইটো যেন আঙঠিটো নহয়—সেইটো মায়া, ছায়া, ছায়াবাজী। তাই চুবলৈ গ'লেই আকৌ নাইকিয়া

হৈ যাব। তাই ভয়ে ভয়ে হাত মেলিলে। চেচাঁ সোণৰ নিমজ স্পৰ্শত তাই জিকাৰ খাই উঠিল....সাপ সাপ! তাইৰ আঙঠিত বাখৰ। সাপৰ শিৰত মাণিক। বাখৰ আৰু নাই। বাখৰৰ কলিজাটো তিৰবিৰাই আছেহি সাপৰ মূৰত মণিত! তাইৰ ডিঙিৰ পৰা ওলাল এটা অৰ্থহীন বিকট শব্দ—যাৰ নাম নিঃসহায় আৰ্তনাদ!

নিমিষতে বান্দী-বেটীৰে ঘৰ ভৰি পৰিল। ভোগাই উঠি আহিল। বান্দী-বেটীয়ে কোঢ়াল লগাইছে। সুমলাই উঠি আহি এবাৰ চালপীৰাৰ কাষত পৰি থকা মাকলৈ, এবাৰ দেউতাকলৈ আৰু একোবাৰ মানুহবোৰলৈ চাইছে। সকলোৱে ডাং-কোলাকৈ মাহিন্দ্ৰীক চালপীৰাত শুৱাই দিলে। পিতিকি বায়ে চকুত পানী মাৰিবলৈ ধৰিলে। মাটিত পৰি থকা আঙঠিটো তুলি বৰ্হমচৰীয়াই ভোগাইৰ হাতত দিলে। ভোগায়ে বৰ্হমচৰীয়াক ক'লে,

"যা বাণেশ্বৰ কবিৰাজক খবৰ দে গৈ।"

বাণেশ্বৰ কবিৰাজে আহি মহানীলকণ্ঠ এফাল মাৰি খুৱালে।

"আৰুনো কি ক'ম বোপাই?" আইতাৰ মাতত মই আকৌ বৰ্তমানলৈ ঘূৰি আহিলোঁ, "মাহিন্দ্ৰী সেই শোৱাতে গ'ল।"

"তাৰ পিচত, আইতা, তাৰ পিচত," মই সুধিলোঁ।

কি কাৰণত, কিহৰ বাবে আজি ভোগাই বাখৰৰ কাহিনী ওলাল সেইটো মই পাহৰিয়েই গৈছিলোঁ। দুশ বছৰ আগৰ খুঁটি-নাটিবোৰ মই যেন তেনেই বুজি গৈছিলোঁ। হয়তো আইতাও। কিন্তু নাই, আইতা হেৰোৱা নাছিল। নিজৰ সাধুত নিজে মুগ্ধ হোৱা দিন আইতাৰ নাই। কাৰণ, আইতাই ক'লে,

"মাহিন্দ্ৰীৰ কথা ভাবিয়েই মই নমিতাক বোৱাৰী কৰিব খোজা নাই বোপাই। ভোগাই বৰুৱাৰ শাওপাত কিজানি তহঁতৰ গাৰ পৰা যোৱা নায়েই। আকৌ জানোচা সিহঁতৰ..."

"আইতা, সেই ৰাজভগনৰ দিন আৰু এতিয়া নাই নহয়। নমিতাৰ দেউতাক ককায়েকৰ লগত তেনে কোনো কাজিয়া হোৱাৰো ভয় নাই। দিন সলনি হ'ল, আইতা।" মই কলোঁ।

"ওহোঁ বোপাই, দিন সলনি হৈছে, ধৰণ সলনি হৈছে, কিন্তু মন

সলনি হোৱা নাই মানুহৰ। এতিয়াও শত্ৰুতা আছে, অৰিয়াঅৰি আছে। কেৱল এতিয়াৰ দিনত সহজে 'জান' মাৰিব নোৱাৰি 'মান'কে মাৰিব খোজে। মামলা-মোকৰ্দমা তৰি কষ্ট দিয়ে, কষ্ট খায়। ছলচাতুৰী কৰি ঠগ খায়। সকলো একেই আছে বোপাই।"

এতিয়াৰ ভদ্ৰ সমাজত আইতাৰ কথাৰ সত্যতা নুই কৰিব নোৱাৰি। আইতাই নিজৰ ভাষাৰে এতিয়াৰ চৰিত্ৰ নিধনৰ কথা ক'ব খুজিছে। হয়তো বুজাব খুজিছে এতিয়াৰ ভোগাই বাখৰবোৰ দৈহিক হত্যাত লিপ্ত নহ'ব পাৰে, কিন্তু আত্ম-প্ৰতিষ্ঠাৰ বাবে চৰিত্ৰ নিধন কৰে। এৰা, এতিয়াৰ দুজন ৰাজনৈতিক নেতাই অথবা যি কোনো সামাজিক প্ৰতিযোগীয়ে আত্ম-প্ৰতিষ্ঠাৰ বাবে যেনে আচৰণ কৰে, ভোগাইহঁতেও তাকেই কৰিছিল। মাত্ৰ সময়ৰ লগত খাপ খোৱাকৈ সিহঁতৰ প্ৰকাশভঙ্গী আছিল উগ্ৰ আৰু আজিৰ তুলনাত স্থূল। এতিয়াও জানো নেতাবিলাকে সাধাৰণ মানুহৰ জীৱন লৈ হেতালি নেখেলে?

"মিনা কৰোৱা গহনাৰ কথা হে কৈছিল...," আইতাৰ মাতে মোৰ সামাজিক চিন্তাৰ আৱেগ উচ্ছ্বাসময় চিন্তাৰ আঁত হেৰুৱাই দিলে। বাখৰৰ ঘটনাটোৰ পিচৰে পৰা বহুদিনলৈকে হেনো আমাৰ পৰিয়ালত বাখৰ খটোৱা গহনা কোনেও নিপিন্ধিছিল। প্ৰথমে উকা গহনাকে পিন্ধিছিল। পিচলৈ ঢাকাৱলীয়া সোণাৰীৰ হতুৱাই মিনা কৰোৱা গহনাৰ চল হ'ল। মগলু সোণাৰীয়ে কৰা ফোপোলা সোণৰ নক্সাকটা গহনাও চলিছিল। পিচলৈ অৱশ্যে সেইবোৰ কথা পাহৰিলে। কেৱল এটা নিয়মৰ দৰে মিনা কৰোৱা গহনা ব্যৱহাৰৰ প্ৰচলন বেছি হ'ল।

এই গহনা-গাঠৰিৰ কথাবোৰ শুনি মোৰ কি লাভ? কিন্তু মোৰ ভাবি আচৰিত লাগিল এই খুঁটি-নাটিবোৰত লুকাই থকা অতীতৰ কাহিনীবোৰৰ কথা ভাবি। আইতাৰ কথাত মই এটা খুঁত দেখা পালোঁ। বাখৰ যদি মৰিলেই, নমিতাহঁত?

"তই কি ভাবিছ মই বুজিছো বৰমইনা। এইবোৰ মৰি যোৱা দিনৰ কথা ইয়াতেই শেষ কৰিম বুলি ভাবিছিলোঁ। পিচে শেষ নহব যেন পাওঁ।

তহঁতৰ বহুত খু-দুৱনি হৈ যাব। ক'ম দে এদিন। তই এতিয়া হেমন্তক বুজাই ক'বি—সি যেন আৰু এজনী মাহিন্দ্ৰী তহঁতৰ ঘৰত নুসুমুৱায়।" কথাখিনি কৈ কৈ আইতাই হঠাৎ কান্দি দিলে। ইমান পৰ আইতাই বুৰঞ্জীৰ পুথিৰ দৰে নিৰ্বিকাৰ ভাৱে কথাবোৰ কৈ গৈছিল। এতিয়া হঠাৎ কান্দি দিলে অসহায় শিশু এটিৰ দৰে।

মাহিন্দ্ৰীৰ কথাতে দেখোন আইতাৰ দুখ বেছি।

আইতাও যে মাহিন্দ্ৰীৰ দৰে বোৱাৰীহে।

মই আইতাৰ হাত দুখন খামুচি ধৰিলোঁ।

আইতাৰ কোঠালিৰ পৰা যেতিয়া মই ওলাই আহোঁ তেতিয়া বাহিৰত কাহিলি কাহিলি পোহৰ। পূৱ আকাশত ভোটা-তৰাটো জ্বলি আছে। বাহিৰ ওলোৱাৰ লগে লগে মোৰ মুখত লাগিলহি পুৱাৰ কেঁচা বতাহজাক। মই যেন বৰ ডাঙৰ নৰীয়াত পৰি আছিলোঁ ইমান পৰ। ইমান পৰ অতীতৰ সেই দুৰন্ত সময়ৰ মাজত মোৰ উশাহ যেন বন্ধ হৈ গৈছিল। ভোগাই, বাথৰৰ উপৰিও বগা চাপলিৰে ভৰা মুকুন্দ কুমৰ মেদেউ, কুমাৰনী, টেপু বৰুৱা, ক'লামণি—ইহঁতৰ মুখবোৰ মোৰ চকুৰ আগত ভাঁহি উঠিল। ডাঙৰ মানুহৰ খিয়ালৰ জুইত ইহঁতবোৰ জানো জাহ গ'ল ?

আৰু, আইতা। আইতাৰ মনটো যে অতীততেই বাস কৰে। সেইবাবেই হয়তো ভোগাই বৰুৱাৰ কাৰ্য্যৰ প্ৰতিফলৰ আশংকাত আইতাৰ মনত চিন্তাৰ জাল। আইতাৰ মনত মিনা কৰোৱা গহনাৰ দৰেই সত্য এই অভিশাপৰ আশংকা। আইতাহঁত সেই শ্ৰেণীৰ মানুহ, যিবোৰে বিশ্বাস কৰে অতীতত। বৰ্তমানৰ ৰহস্য ভেদ কৰিবৰ বাবে তেওঁলোকৰ একমাত্ৰ অস্ত্ৰ হ'ল অতীত। অতীতৰ পোহৰ নপৰিলে তেওঁলোকে বৰ্তমানক চিনি নাপায়। বৰ্তমানত তেওঁলোকে দেখে পূৰ্বপুৰুষৰ দীঘল ছাঁ। বৰ্তমানৰ সকলো ছাবি-কাঠি যেন অতীততেই, পূৰ্বপুৰুষৰ মাজতেই আছে। এই আইতা-মনৰেই আধুনিক বৈজ্ঞানিক ৰূপ ক'ৰবাত ক'ৰবাত দেখিছোঁ—যি বোৰে সমাজতন্ত্ৰৰ চৰ্চা কৰে নৃতত্ত্বৰ আলমত—racial memory মাহাত্ম্যত যিবোৰ মুগ্ধ, ভীত ; উৎফুল্ল, শংকিত।

পূৰ্বপুৰুষে আৰু কিমান দিব ? আইতাক কি দিলে ? দিলে কেৱল গোবৰ, দিলে কেৱল শংকা। এই শ্ৰেণীৰ আৰু এচাম মানুহে পূৰ্বপুৰুষত বা দৈহিক, সামাজিক অতীত আশ্ৰয় বিচাৰি নাপায়। তেওঁলোক আৰু আন এক প্ৰকাৰ অতীতলৈ যাত্ৰা কৰে—আত্মাৰ অতীত, চেতনাৰ অতীত। তেওঁলোকে ভাবে পূৰ্বজন্মৰ কথা, জন্মান্তৰৰ কথা। পূৰ্বজন্মৰ পাপ, প্ৰাক্তন—এনে এটা অমোঘ সান্ত্বনাৰে বহুতে জানো নিজৰ ভাগ্য, নিজৰ কৰ্মক হত্যা নকৰে ? শংকা, শংকা। কেৱল এটা ভয়ৰ মাজতেই আমি সকলোবোৰ জীয়াই আছোঁ নেকি ?

হেমন্তই আজি যদি নমিতাক বিয়া কৰায়, আৰু ঈশ্বৰে নকৰক—যদি সিহঁতৰ জীৱনলৈ কিবা বিপৰ্যয় নামি আহে—তেতিয়া ভোগায়ে এৰি থৈ যোৱা শাওপাতৰ ফল বুলি ক'লে আইতাক কেইজনে দোষ দিব ? ভয়, ভয়! কিজানি হেমন্তহঁতৰ মনলৈকো তেনে এটা ছাঁ আনি দিব। কিন্তু, ভোগাই-মাহিন্দ্ৰীৰ জীৱনৰ যি যাতনা—তাৰ বাবে দায়ী কোন? সমাজতাত্ত্বিকে কি ক'ব ?

গণকে ? আইতাই ? ধৰ্মগুৰুৱে ?

সুবিধাৰ ভিত্তিত পতা বিয়াৰ ব্যৰ্থতা।

জন্ম কুণ্ডলীত সপ্তমত পাপগ্ৰহ।

পূৰ্বপুৰুষৰ অভিশাপ।

পূৰ্বজন্মৰ কৰ্মফল।

দিনৰ পোহৰ বাঢ়ি অহাৰ লগে লগে যোৱা ৰাতি কাহিনীটো মোৰ এটা দুঃস্বপ্নৰ দৰে লাগিল। এই অতীতৰ আমি হাত সাৰিব লাগিব। যি ধাৰণাত মুকুন্দ কুমাৰৰ জীৱন অৰ্থহীন হৈ গৈছিল—সি জানো আজি ভ্ৰান্ত বুলি প্ৰমাণিত হোৱা নাই ? Leucoderma সোঁচৰা ব্যাধি নহয়, মাৰাত্মকো নহয়। এনেকৈয়ে অতীতৰ বহুতো ধাৰণা ক্ৰমে নাইকিয়া হৈ যাব। কোনবোৰ যাব বাৰু ? আইতাৰ অমতে হ'লেও হেমন্তই নমিতাক বিয়া কৰাওক। হেৰাই যোৱা অতীত এটাৰ ভয়ত সিহঁতে নিজৰ পৰা পলাই যাবনে ?

মৰি যোৱা অতীতটোকৈ জীয়াই থাকিব খোজা ভৱিষ্যতটো বেছি ডাঙৰ বেছি প্ৰয়োজনীয়। কিন্তু, অতীতক ছিঙি পেলাম নে অতীতকো আমাৰ লগতে আগবঢ়াই লৈ যাম আমাৰ বাটেদি। হেমন্ত আৰু নমিতাই বাখৰ আৰু ভোগাইক কৈ দিয়ক, সিহঁতে কাজিয়া কৰি একো ভাল কৰা নাই!

এনেকুৱা এটা অদ্ভুত পৰিস্থিতি কল্পনা কৰি মোৰ নিজৰে হাঁহি উঠি গ'ল। সেইটো সম্ভৱ নহয়। অতীত বন্ধ কিতাপ। অতীতৰ দুৱাৰ বন্ধ। আমি তালৈ যাব নোৱাৰোঁ। ভোগাই-বাখৰৰ সকলো কাৰ্য্যকলাপ চিৰদিনৰ বাবে অপৰিৱৰ্তনীয়ভাৱে সংঘটিত হৈ গ'ল। তাত আৰু আমাৰ প্ৰৱেশৰ অধিকাৰ নাই। (কি আচৰিত! অথচ অতীত সদায়ে আহি থাকিব আমাৰ ওচৰলৈ!) আমি কিয় নোৱাৰো, কিয় নোৱাৰো অতীতলৈ যাব, অতীতক আমাৰ দৰে কৰি তুলিব?

দুপৰীয়া এবাৰ আইতাৰ ওচৰলৈ গৈছিলোঁ, কিবা কিবি ক'ম বুলিয়েই। ভাবিছিলোঁ, আইতাৰ অমতে হ'লেও হেমন্তই নমিতাক বিয়া কৰোৱাটো উচিত হ'ব বুলিয়েই। কিন্তু আইতা শুই আছে। কালি আইতাৰ টোপনি খতি হৈছিল। শুই থকা আইতাজনীলৈ চাই মনটো সেমেকি গ'ল। শীৰ্ণ হাত দুখন ঠিক বুকুৰ তলতে মুঠিয়া-মুঠিকৈ ধৰি আইতা শুই আছে। শুই আছে আমাৰ অতীত। কলঙৰ ক্ষীণ সোঁতৰ দৰে মৃদু হৃদস্পন্দন। আইতা আমাৰ অতীত।

আইতা আমাৰ অতীতেই নে? আইতা জানো বৰ্তমানো নহয়। কি? আইতাতকৈ মই বেছি বৰ্তমান। আইতা কম বৰ্তমান। মোৰ ছোৱালীটিৰ ওচৰত মই জানো অতীত নহয়? আমাৰ মাজত কিমানখিনি অতীত আৰু কিমানখিনি বৰ্তমান? আৰু ভৱিষ্যত? অতীত সমাপ্ত, কিন্তু অনাদি। ভৱিষ্যত অনাগত, কিন্তু অনন্ত? বৰ্তমান? বৰ্তমান ক'ত?

মোৰ কিবা ভয় লাগি গ'ল। আইতাক নজগালোঁ। আইতা শোৱক।

তাৰ পিছত দিনৰ নানা কামত, বৰ্তমানত, মই হেৰাই গ'লোঁ।

গধূলিৰ লগে লগে মোৰ পৃথিৱীখন আকৌ সংকুচিত হৈ আহিল। মোৰ

পিচফালে যেন থিয় দিলে অতীত নামৰ এটা ছাঁ। কিছু চিনাকি, কিছু অচিনাকি। দিনৰ পোহৰত যিবোৰ কথা অৰ্থহীন যেন, নিৰৰ্থক যেন লাগিছিল—সেই আটাইবোৰে এটা সুবিকাশ পৰিমাপ লৈ মোক যেন আগচি ধৰিলে। সকলোবোৰে অতীত—বৰ্তমানৰ বিন্দু এটা যেন অতীতৰ মাজেৰে গৈ আছে। অতীতৰ মাজেৰে নগলে যেন আমাৰ কেনিও এখোজো আগ -বাঢ়িবৰ উপায় নাই। নিজৰ সময়খিনি বুজিবৰ বাবে আমাক অতীতৰ খবৰ লাগে। অতীত জানিব লাগে।

প্ৰায় প্ৰেমত পৰা মানুহৰ দৰেই মই আইতাৰ ওচৰলৈ গলোঁ। মোক খবৰ লাগে। মোক অতীতক লাগে। অতীতৰ খবৰ লাগে। জানো, আইতাৰ খবৰ আধুনিক সংবাদ পত্ৰৰ 'বিশুদ্ধ' খবৰ নহয়। শ্ৰীনাথ দুৱৰা বৰবৰুৱাই লেখোৱা বুৰঞ্জীৰ গুপুত খবৰ নহয়। আধা সাধু, আধা অভিজ্ঞতা, আধা কল্পনা, আধা কিম্বদন্তীৰে আপোনমনে সাজি লোৱা তেওঁৰ অতীতৰ খবৰ—বিশ্বাসে সৃষ্টি কৰা পৃথিবী-খনৰ খবৰ। আইতাই আকৌ মোক লৈ গ'লে তালৈ—তেওৰ কৰুণ কণ্ঠস্বৰৰ সাঁকোৰে....

মানুহবোৰে গৈ বাখৰৰ টোল ঘেৰি ল'লে। বাখৰে তেতিয়া চোতালত বহি মুহুদি কৰি আছিল। বাহিৰত কি হৈছে চাবলৈ বুলি উঠিব খোজোতেই মানুহ চোতাল সোমাল। "থোলোক, হিলৈটো" বুলি তেওঁ চিঞৰি উঠিল। তেওঁৰ কথা শেষ হোৱাৰ আগতেই পিছফালৰ পৰা মাছ মৰা পচা এডাল আহি তেওঁক শালি ধৰিলেহি। বাখৰ হামখুৰি খাই পুৰি গ'ল। তাৰ পিচতেই হুলস্থুল। কোনোবাই ঘৰত জুই দিলে, এফালৰ পৰা ঘৰবোৰ পুৰি যাবলৈ ধৰিলে। সেই জুইত বোলে পিছত মানুহে লাৰু বান্ধি থকা বহুতো চিকাৰূপ পাইছিল।

বাখৰৰ ঘৰ পোৰা কথাটোৰ বাহিৰে আন সকলোবোৰ কথা অস্পষ্ট হৈ থাকিল। বাখৰৰ সঠিক খবৰ বা তেওঁৰ ল'ৰা-তিৰোতাৰ—এইবোৰৰ ভোগায়ে খবৰ লোৱাইছিল। কিন্তু, আলেঙে আলেঙে। কুমাৰ গঞা ৰাইজৰ কাষ চাপিবলৈ তেওঁৰ ইচ্ছা বা সাহস কোনোটোৱেই নাছিল। ঘটনাটোত

তেওঁ জড়িত থকা কথাটো ওলাই পৰে বুলি লোকক দেখুৱাই বেচ উস্ উস্ আস্ আস্ কৰিলে। সলাল গোহাঁইদেউক তাতো খবৰ দিলে, ললে। খবৰৰ হত্যাত সলাল গোহাঁই চিন্তিত হ'লেও বৰ বেছি আগ্ৰহ নেদেখুৱালে। কাৰণ, তেওঁৰ নিজৰ গাৰ্লৈকে চিন্তা। বুঢ়াগোহাঁয়ে হেনো তেওঁক ধৰিবলৈ মানুহ পঠাইছেই।

মাহিন্দ্ৰীৰ দহা হৈ গ'ল। ভোগাইৰ ঘৰত শোকৰ ছাঁ ক্ৰমে পাতলি আহিছে। সুমলা প্ৰথম কেইদিনমান জলকা লগাদি আছিল। শবাধৰ যোগাৰ-পাতি আৰু ঘৰখনৰ ব্যস্ততা দেখি তায়ো ক্ৰমে স্বাভাৱিক হৈ আহিছিল।

ভোগাইহঁতৰ পৰিয়ালৰ মানুহে আন ফালেদি ভোগাইলৈ অ'ত ত'ত ছোৱালীও চাইছে। সুমলাৰ পিচত আৰু মাহিন্দ্ৰীৰ ল'ৰা-ছোৱালী হোৱা নাছিল। মাহিন্দ্ৰীয়ে ডোল কহঁতি দুই-এডাল লৈছিলোঁ ল'ৰা এটা পোৱাৰ আশাৰে। ভোগায়েও দুই এবাৰ সবাহ পাতিছিল। পৰিয়ালৰ দুই এজনী বুঢ়ী মানুহে মাহিন্দ্ৰীক কাউৰী-বাঁজী বুলি আঁতৰে আঁতৰে চৰ্চাও কৰিছিল। মাহিন্দ্ৰী থকা কালতেই সেইবাবে ভোগাইৰ দ্বিতীয় বিবাহৰ কথা ওলাইছিল মাজে মাজে। কিন্তু, ভোগায়ে বিশেষ মন দিয়া নাছিল।

এতিয়া শবাধৰ পিচতেই দিন-বাৰ চোৱাই ছোৱালী এটি আনি থবলৈকে বন্দুতো দিহা দিলে। সুমলাও আজি বাজে কাইলৈ ডাঙৰ হবৰ হ'ল। গতিকে তিৰোতা মানুহ এজনী ঘৰত থকা ভাল ইত্যাদি ইত্যাদি কাৰণত ভোগায়েও একো আপত্তি নকৰিলে। মাহিন্দ্ৰীৰ শবাধ, সুমলাৰ মানসিক অৱস্থা, নিজৰ দ্বিতীয় পক্ষক ঘৰত সুমুওৱাৰ ব্যৱস্থা—এইবোৰে ভোগেশ্বৰক যিমান চিন্তাত পেলাইছিল তাতকৈ বেছি চিন্তাৰ কাৰণ আছিল আন এটাহে। ভোগাই আৰু বৰ্হমচৰীয়াৰ বাহিৰে আনে তাৰ ভু নাপায়।

# ১৬

বৰ্হমচৰীয়া দুৱাৰদলিত সোমাওঁ নোসোমাওঁ কৈ ৰৈ আছে।

ভোগায়ে মাত দিলে, "সোমাই আহ ককাই।"

বৰ্হমচৰীয়া সোমাই আহিল। আজি ভোগায়ে বৰ্হমচৰীয়াক বহুতদিনীয়া পুৰণি সম্বোধন এটাৰে মাতিলে।

"পোৱা নগ'ল ডেকা দেউতা।" বৰ্হমচৰীয়াই আজি দহ কি পোন্ধৰ বছৰৰ আগৰ ধৰণে উত্তৰ দিলে। আজিকালি বুঢ়াই সাধাৰণতে দেউতাহে বোলে।

"নাই যদি থক দে আৰু", ভোগাইৰ মাতত বিমোৰত পৰা সক ল'ৰা এটাৰ সুৰ।

"আজি সাদিনে হেনো খলা দিছে। পিচে এটাও হেনো সেই মুৱা হোৱা নাই। আগতে এনে দিনত সৰিয়হ তলি ভৰি থাকেহি। এতিয়া গোটেইখন লাওখোৱা হাবিত এটা পহুও পৰিব নেপায় নে?" বৰ্হমচৰীয়াই আক্ষেপৰ সুৰত কৈ গ'ল।

"অ', পৰহি হেনো সুগৰী এজনীয়ে কান্দিছিল। পিচে মাউতে বোলে বাট উলিয়াব নোৱাৰিলে! পকৱাই পাইছিল নেকি জানো।"

বৰ্হমচৰীয়াই কোৱা কথাবোৰলৈ ভোগায়ে মন দিয়া নাছিল! কেৱল সুগৰীজনীয়ে কন্দা কথাটোত অলপ জিকাৰ খাই উঠাদি উঠিল।

"ক'ত?"

"সেই লেতেৰীৰ পাৰতে।"

"মাইকী পহু নেলাগে অ' ককাই।"

তাৰ পিচত অলপ বৈ ভোগায়ে আকৌ ক'লে, "পহু নেলাগেই দে। ক'ৰবাত মাইকী পহু আনিব।"

এবাৰ ভোগায়ে মৰা পহু এজনীৰ পেটত পোৱালী ওলাইছিল। সেই সময়ত ভোগাইৰ বিশেষ ভাবান্তৰ হোৱা নাছিল। আজি সেই কথাটোৱেই মনত পৰি বেয়া লাগি গ'ল। পহুৰ মতা-মাইকী সাধাৰণতে বিচাৰ কৰা নহয়। গতিকে বৰ্হমচৰীয়াই অলপ আচৰিত হৈ ভোগাইলৈ চালে। তাৰ পিচত চকু নমাই ক'লে, "খাইৰেই হব তেন্তে। আৰু, কিবা বোলেনে পুতলা নাচ এজোৰা আছে। অনাম নেকি?"

"নেলাগে অ' ককাই, কিনো ৰং-ধেমালিৰ দিন আছে অ' এতিয়া?" তাৰ পিচত সুমলালৈ মনত পৰি ক'লে, "বাৰু, পাৰ যদি অনাবি। যি কৰ কৰ—তোৰেই হাতত সকলো।" তাৰ পিচত শেষ কথা কোৱাদি ক'লে, "কিন্তু কুমাৰ গাৱঁৰ মানুহ নামাতিবি।"

কুমাৰ গাৱঁৰ লগত ভোগায়ে আৰু কোনো সংশ্ৰৱ ৰাখিব নোখোজে। সিহঁত যেন ভোগৰ পায়স ৰন্ধা টৌ-খুটি। ভোগো হ'ল টৌ-খুটিৰো আৰু প্ৰয়োজন শেষ হ'ল। আধাপোৰা টৌ-খুটি চুলে হাতত ছাঁইহে লাগে। ৰজাঘৰে যদি জানে ভোগাইৰ ঘটনাত তেওঁৰো হাত আছে, তেতিয়া হ'লে তেওঁৰ বিপদৰ সম্ভাৱনা। ভোগাইহঁতৰ গোসাঁইৰ ফালৰ পৰা অলপ ৰজাঘৰীয়া সন্দেহৰ ছাঁ পৰিছেহি। কাল সংহতিৰ সমূহ সত্ৰৰ লগতে মোৱামৰীয়াৰ সংযোগ আছে বুলি আটাইৰে ধাৰণা। প্ৰভু ঈশ্বৰকো এই বিষয়ে সাৱধান কৰি দিব লাগিব। আৰু, আৰু, ভোগায়ে দৃঢ়তাৰে ভাবিলে, কুমাৰ গাৱঁৰ মানুহখিনি বিদ্ৰোহী বুলি প্ৰমাণ কৰিব লাগিব। বাখৰৰ পৰিয়াল ভগাজনা ৰজাৰ আদেশতেই মৰন্তীৰ পৰা আহিছিল। তেনে এঘৰ মানুহক উচ্ছেদ কৰিবলৈ যোৱা প্ৰজা নিশ্চয় বিদ্ৰোহী। উচটনি? যাৰে উচটনিত নহওক লাগে। উচট্ খোৱা মানুহে উকুটিও খাব লাগে। কুমাৰ গাৱঁৰ প্ৰজাৰ হতুৱাই নিজৰ প্ৰজা ভাগ কৰাই লৈ বাহী ফুলৰ দৰেই সিহঁতক আকৌ পেলাই দিব লাগিব। এতিয়া মাত্ৰ এটা কাম আছে। বাখৰৰ ঘৰৰ মানুহখিনি

বিচাৰি উলিয়াব লাগিব। তেওঁলোকক বিচাৰি উলিয়াই আকৌ থাপি সাঁচি থলেই ৰজাঘৰ মিতিৰৰ ঘৰ ক'তো সন্দেহৰ ছাঁ নাথাকিব।

ভোগায়ে এইদৰে ভাবি থাকোতেই সুমলা সোমাই আহিল।

"পিতাদেউ, পেট কাটিলে মধণীয়া ষ হয়নে ৰ হয়?"

সুমলাৰ কোমল মাতত ভোগায়ে যেন অলপ সকাহ পালে। ধেমালিৰ সুৰত তেওঁ ক'লে,

"বিধে আছে আই। কঁঠালৰ পেট কাটিলে বাদু, কোমোৰাৰ পেট কাটিলে গুটি, কেতিয়াবা আকৌ কাছৰ পেট কাটিলে কণী...."

হঠাৎ তেওঁ মৰা পদ্মজনীৰ পেটৰ পৰা মৰা পোৱালিটো ওলোৱাৰ কথাটো মনত পৰি এবাৰ গাটো জিকাৰ খাই উঠিল। কোনোমতে সংযত হৈ ক'লে—

"য-ৰ পেট কাটিলে ষ, ব-ৰ পেট কাটিলে ৰ, লেখচোন বাৰু ৰ টো।"

"ব ৰে বৰা হয়—নহয়নে পিতাদেউ?"

বৰা শব্দটো শুনিয়েই ভোগাইৰ বুকুখন চাঁত কৰে গ'ল।

একে কথাৰ সোঁৱৰণতে বোধকৰো সুমলাও তভক মাৰি ৰ'ল। তাৰ পিছত লাহে লাহে ক'লে, "পিতাদেউ, কাইলৈ মোমাইহঁত নাহে নেকি বাৰু? লুহিত লপংহঁত নাহিলে মোৰ বৰ বেয়া লাগিব।"

"নাহিব কিয় আই, আহিব-মই খবৰ পঠাইছোঁ নহয়।" ভোগায়ে ক'লে।

"মোমাই জানো আহিব?" সুমলাই যেন ৰহস্যময় সন্দেহ এটাৰে কথাষাৰ সুধিলে। ভোগাই থতমত খাই গ'ল। সুমলাই জানে নেকি তেন্তে কথাবোৰ? তেওঁ অতি যত্নেৰে সকলো কথা সুমলাৰ পৰা গোপন কৰি ৰাখিবলৈ চেষ্টা কৰিছে। মুহূৰ্ততে এইটো ভাবি ভোগায়ে সান্ত্বনা ললে, বোধকৰোঁ সুমলাই পুৰণি কথাৰে খেও ধৰি কথাষাৰ কৈছে। কাৰণ, ভোগাই আৰু বাখৰৰ ভিতৰত বৰকৈ আহ-যাহ নাছিল—সেইটো ল'ৰা-তিৰোতাৰ পৰ্যায়তহে চলিছিল। কিন্তু, যদি বাখৰৰ পৰিয়ালটোক আনি আকৌ বহুৱাই দিব পৰা নাযায় কথা বৰ বিষম হ'ব। জুই লগাৰ পিচৰে পৰা পৰিয়ালটোৰ কোনো খা-খবৰ নাই। বাখৰৰ বাহিঁৰে আন কোনো মৰাৰো কোনো চিন

পোৱা হোৱা নাই। বাখৰৰ আধাপোৱা শ-টো ওলাইছিল হেনো। কিন্তু আন কাৰো নাই। ভোগায়ে বহুত খবৰ কৰাইছে। একো শুংসূত্ৰ পোৱা নাই। বহাৰে যোৱাটো সম্ভৱ নহয়—চকীয়াল বৰুৱাই নিশ্চয় গম পালেহেঁতেন। গ'লে এটা বাট আছে। ডবকাৰ হাবিৰে কামপুৰ ওলাই যদি আকৌ কপিলীৰে ভটিয়াই যায়। পিছে জাগীত গম নেপাব জানো? কিজানি জাগীয়াল বৰুৱা বা বহাৰ চকীয়াল বৰুৱা কোনোবাই আশ্ৰয় দিছেই!

"বৰ্হমচৰীয়া পিতলৰ চৰিয়া,

থুতৰিত নোম নাই লোকে বোলে দৰীয়া"

সুমলাই ঠেও ধৰি গোৱা মাত-ভোগায়ে দুৱাৰৰ ফালে চালে। বৰ্হমচৰীয়া আকৌ দুৱাৰডলিত। ভোগায়ে সুমলাক চকুৰে শাসন কৰিলে। বৰ্হমচৰীয়া সোমাই আহি লাহেকৈ ক'লে,

"পালে...পাইছিল"

"কি পিতাদেউ, পহু?" ভোজৰ কাৰণে পহু বিচৰা কথা সুমলায়ো জানে। সুমলাৰ কথালৈ কাণ নকৰি ভোগাই থিয় হ'ল।

উত্তেজনাত কঁপিব খোজা মাত কোনোমতে সংযত কৰি ক'লে,

"আহিল নেকি?"

"সিহঁত হে আহিছে, তেওঁলোক নহয়। সেই দুই মানুহ, জাগীলৈ পঠোৱা।"

"কোন পিতাদেউ, মোমাইহঁত?" সুমলা কাষ চাপি আহিল।

"নহয় আই, আন মানুহ। তই ইয়াৰ পৰা যাচোন।" যথেষ্ট বিৰক্তিৰে ভোগায়ে ক'লে।

সুমলা যাওঁ নাযাওঁকৈ ওলাই গ'ল। যাওঁতে কৈ গ'ল,

"পিতাদেউ, টিপচীৰ মাকে কৈছিল—বোলে মোমাইহঁত মৰিল। মৰিলে জানো মানুহ আহিব পাৰে? আৰু বৌও বোলে—"

কাণৰ বমৰমনিত ভোগায়ে গোটেইখিনি কথা নুশুনিলেই। বৰ্হমচৰীয়ালৈ চোকাকৈ চাই ক'লে, "বান্দী-বেটীবোৰে কি কথা কৈছে এইবোৰ সুমলাৰ আগত, বৰ্হমচৰীয়া? বেয়া আছে হ'লে দেই। টিপচীৰ মাকক..."

“কাৰ মুখতনো সোপা দিম ডেকা দেউতা? মাইকী মানুহৰ মুখ।” বৰ্হমচৰীয়াৰ ‘ডেকা দেউতা’ সম্বোধনত ভোগায়ে বুজিলে বৰ্হমচৰীয়াই তাৰ প্ৰাচীন কৰ্তৃত্ব খটুৱাবই।

“তথাপি—” ভোগায়ে ক’ব খুজিলে।

“ডেকা দেউতা, সুমলা আইটি ইমান কেঁচুৱা নহয়। তেওঁনো মৰা-জীয়াৰ কথা নেজানে নে কিবা। তেওঁ নিজে সকলো জানে, বুজে।”

ভোগায়ে তলমূৰ কৰিলে। সকলোৰে আগত যেন তেওঁ ধৰা পৰি গৈছে। কাউৰীৰ দৰে যেন তেওঁ নিজে চকু মুদি থাকি আনে দেখা নাই বুলি ভাবিছে।

“বাৰু যা, মানুহ দুটা পঠাই দে গৈ।”

মানুহ দুটা আহিল। সিহঁতৰ চকু-মুখত কথা ক’ব খোজা ব্যস্ততা।

“পাইছিলা?”

“হয় দেউতা।”

“ক’ত?”

“কাজলী চেৰাই, লুইতত।”

“লৈ নাহিলা কিয়?”

“নাহিল দেউতা, কৈছিলোঁ।”

“নাহিল?”

“হয় দেউতা। তেওঁলোকে হেনো কিবা সকলো গম পাইছে...”

“কি গম পাইছে! কি গম পাবলৈ আহিছে? বাৰু, সেইবোৰ নেলাগে। কোন কোন আছিল?”

“বৰাণী আইদেউ, ল’ৰা-ছোৱালী হাল, গুৰিয়ালে সৈতে নাৱৰীয়া পাঁচোটা—”

“সিহঁতক ভয় খুৱাই লৈ নাহিলা কিয়?” ভোগায়ে ৰুক্ষভাৱে ক’লে।

“আৰু আছিল দেউতা, আৰু এজন আছিল। তেওঁহে আহিবলৈ নিদিলে। যিটোহে ফকৰা আওৰালে, বোলে সাপ হৈ খোটে, বেজ হৈ জাৰে...”

ভোগাইৰ বুকুখন ধপ্‌ধপাই উঠিল। বাঘৰ নহয়তো? কিজানি সেইদিনা বাঘৰ নমৰিলেই! কোনোমতে সংযত হৈ তেওঁ ক'লে,

"নকব্‌ কিয়, কোন?"

"সেই—"

"কোন?"

"ক'লামণি—"

"ক'লামণি? ক'লামণি কুমাৰ?"

"হয় দেউতা। তেওঁ আমাক ভাঙি-পাতি সকলো ক'লে। ৰাইজে হেনো বাঘৰ বৰাক মৰাৰ পিচত বুঢ়ী কুমাৰণী মেদেউৱে পোৱালি দুটিৰে বৰাণী আইক লুকুৱাই ৰাখিলে। ক'লামণিৰ বোলে বৰ বেথা লাগিল ল'ছালী দুটালৈ। সি হাবিয়ে-বননিয়ে ডাং-কোলাকৈ নি ৰহাৰে কলঙেদি—"

"বাৰু হৈছে হৈছে" ভোগায়ে ক'লে আৰু ভাবিলে—

মেদেউ কুমাৰণীয়ে বাঘৰৰ ঘৈণীয়েক আৰু ল'ৰা-ছোৱালীক আশ্ৰয় দিলে। যি বাঘৰে মুকুন্দ কুমাৰক মাৰিলে, যি বাঘৰে কুমাৰ গাৱঁত জুই দিছিল, কুমাৰবোৰৰ ধন-সোণ যি চাঁহি-চুঁহি নিছিল—সেই বাঘৰৰ ল'ৰা-তিৰোতাক সাধাৰণ কুমাৰণী এজনীয়ে আশ্ৰয় দিলে, ৰক্ষা কৰিলে। তেওঁৰো মন গৈছিল লুহিত লপঙক ৰক্ষা কৰাৰ। কিন্তু তেওঁচোন নোৱাৰিলে, সাহ নকৰিলে। আকৌ ক'লামণি কুমাৰেই সিহঁতক বাট দেখুৱাই লৈ গ'ল।

এই সাধাৰণ মানুহবোৰৰ কাম-কথাবোৰ ভোগায়ে যেন ঠিক বুজিব নোৱাৰিলে। মুখেৰে ক'লে, "তাক, ক'লামণিক ধৰি নানিলা কিয়? কটা দগাবাজ!"

"সিহঁত ছটা দেউতা, আমি দুটা। নাৱৰীয়া কেইটাও বৰ মদ্দগজ একোটা। তাতে মাজ পানী। আমাৰ নাওঁ টুলুঙা, সিহঁতৰ চ'ৰা।"—মানুহ দুটাই আত্মৰক্ষাৰ সুৰত ক'লে।

"যোৱা বাৰু। পিচে জিভাত শলখা মৰা আছে বুলি জানিবা।"

মানুহ দুটা ওলাই গ'ল। ভোগায়ো থিয় হ'ল।

# ১৭

আৰু এটা নিশা মই আইতাৰ কাহিনী শুনিলোঁ।

কেইবাটাও পুৰুষৰ জীৱন যাত্ৰাৰ ছবি এখন এখনকৈ দ্ৰুত গতিৰে মোৰ চকুৰ অগেদি গুচি গ'ল। ঐতিহাসিক নথি-পত্ৰৰ প্ৰমাণ য'ত নাই, অথচ কল্পনা বুলিও যাক উৰাই দিব নোৱাৰি—এনে এটা কাহিনী মই শুনি গ'লো আইতাৰ পৰা...

মাহিন্দ্ৰীৰ শৰাধৰ এমাহৰ পিচতেই ভোগায়ে ন-ছোৱালী আনিলে। কাকতী বৰাৰ ঘৰৰ ছোৱালী, নাম সুভদ্ৰা। দেউতাকৰ বিয়াত সুমলাৰ মনত ৰং। দৰাৰ লগত অৱশ্যে তাইক নিনিলে—বাপেকৰ বিয়া চাব নেপায় নহয়। খোবা-খুবুনীৰ দিনা তাই ন-ছোৱালীক জোকালেও। সেই দিনা ৰাতি বহুত পৰলৈকে তাই—দেউতাকৰ শোৱনি ঘৰতে বহি থাকিল, আন তিৰোতা মানুহৰ লগতে। এজনী-দুজনীকৈ মানুহবোৰ যাবলৈ ধৰিলে, ন-ছোৱালীক অকলে থৈ। সুমলা যোৱা নাই। তাই দেউতাকৰ বিচনাতে বহি আছে। ভাবিছে মানুহ কিজনী গ'লেই তাই শুব পাৰে।

"ব'ল আই সুমলা, মোৰ লগত শুবি গৈ।"

পেহীয়েক এজনীয়ে সুমলাক ক'লে।

"মই ইয়াত শুম।"

সুমলাই কথাষাৰ কোৱাৰ লগে লগে আটাইখনে হাঁহি দিলে। আনকি ওৰণি তলৰ পৰা সুভদ্ৰায়ো। হাঁহি শুনি সুভদ্ৰাই কুছি-মুছি বহিল। সুমলাই অঁকৰাৰ দৰে ইফালে সিফালে চালে। পেহীয়েকে ক'লে, "তই মোৰ লগতহে শুবি।"

হঠাৎ কিবা এটা বুজি সুমলাৰ গাটোৰেদি অদ্ভুত এটা শিৰশিৰণি বগাই গ'ল। তাই একো নোকোৱাকৈ কোঠাৰ পৰা ওলাই আহিল।

সেইদিনা ৰাতি ভোগাইৰ টোপনি নাহিল। বাৰে বাৰে মাউৰা ছোৱালীজনীলৈ মনত পৰি আহিব খোজা তন্দ্ৰাও ঘনে ঘনে ভাগি গ'ল। আৰু সুমলাইও চকুৰ টিপ এটা মাৰিব নোৱাৰিলে। দেউতাকৰ কথা ভাবি ভাবিয়েই তাই ৰাতি পুৱাই দিলে। দেউতাকৰ লগত যে তাই আজিৰ পৰা শুব নোৱাৰিব।

তাৰ পৰাই সুমলা কিবা গহীন হৈ গ'ল। দিনটো পুথি-পাঁজি লৈয়েই থাকে। গুণমালা যে মুখস্থ হলেই—কীৰ্তনখনৰো দুই চাৰিটা আধ্যা নোচোৱাকৈয়ে গাব পৰা হ'ল। পেহীয়েক আৰু মাহীমাকে তাঁত-সূত অলপ শিকালে। শিকোৱা খিনি শিকে। কিন্তু একোতে যেন আগ্ৰহ নাই। ঘৰখনৰ সকলোতেই তাই আছে—অথচ যেন একোতে নাই। দেউতাকে তাইৰ ছাঁটোও দেখা নাপায়, অথচ তাইৰ উপস্থিতি অনুভৱ কৰে সকলোতে। মাতিলে আহে, সুধিলে কথা-বতৰা কয়। বৰ্হমচৰীয়াক পঠাই সত্ৰৰ পৰা কিবাকবি পুথি খোজাই আনে। তাই বৰাগী বিৰাগী হৈ যায় বুলি সকলোৱে অলপ ভয়ো কৰিবলৈ ধৰিলে। এদিন ভোগায়ে সুধিছিল, মাহীমাকক তাই কেনে পাইছে বুলি। তাই মাত্ৰ কৈছিল :

"মাহী নহয়, বৌ।"

সুমলা ডাঙৰ হোৱাৰ বছৰেক পিচতেই সুভদ্ৰাৰ ল'ৰা এটা হ'ল। পেহীয়েকে নাম থ'লে জুৰাই। কোষ্ঠীতো হেনো জৰে নাম পৰিছিল। সুমলাই দিনৰ দিনটো তাইতকৈ চৈধ্য বছৰে সৰু ভায়েকক লৈয়েই কটায়। দুবছৰীয়া হোৱাৰে পৰা জুৰাই সুমলাৰ লগতে থাকে, খায়, শোৱে। বিদ্যাৰম্ভ কৰোৱাৰ পিচৰে পৰা জুৰাইৰ শিক্ষকো হ'ল তায়েই। দেউতাকৰ হেৰোৱা কিবা এটা তাই যেন ভায়েকৰ মাজতে পালে।

সুমলাৰ বিয়াৰ কথা যেতিয়া উঠিল আটায়ে ভাবিছিল তাই আপত্তি কৰিব। পিছে নাই—তাই হাঁ-না একো নক'লে। সুমলাৰ বিয়া হৈ গ'ল।

ওচৰৰে ভীমৰ গাৱঁৰ ল'ৰা—নাম ৰত্নধৰ। দেউতাকে আগতে হাজৰিকা বাব খাইছিল—ল'ৰাই বিষয় পোৱা নাই। কিন্তু অৱস্থা ভাল। সত্ৰই দিয়া উপাধিকেই এই পৰিয়ালটোৱে ভাল পাই গ্ৰহণ কৰিছে। কৰতিপাৰ ন সত্ৰৰ বৰা।

বিয়া বেছ ধুম ধামেৰেই হৈ গ'ল। দৰা আহিবলৈ ভোগায়ে হাতী পঠিয়াব খুজিছিল। পিছে তেওঁলোক তেনেকৈ আহিব নুখুজিলে। সাত্ত্বিক পৰিয়াল। কিন্তু আঠমঙলাত অহাৰ পিচত সুমলা গিৰিয়েকৰ ঘৰলৈ অকলে যাব নুখুজিলে। "নাযায় মানে?" ভোগায়ে চিন্তিতভাৱে সোধাসুধি কৰিলে, "কিবা লাগিছে নেকি?" কিন্তু যেতিয়া শুনিলে যে সুমলা নোযোৱাৰ কাৰণটো হ'ল জুৰাই—তেতিয়া তেওঁ হাঁহি এটা মাৰি ক'লে, "জুৰায়ো যাওক লগতে, কিনো হ'ল!"

তাইতকৈ চৈধ্য বছৰে সৰু জুৰাইক এৰি থাকিব নোৱাৰে। জুৰায়েও তাইক এৰি নিদিয়ে।

তাই গ'ল, কিন্তু লগতে জুৰায়ো গ'ল। জুৰাই ঘৰলৈ আহিলে তায়ো গুচি আহে। পিচলৈ গৈ সেইটোৱেই অভ্যাসৰ দৰে হ'লগৈ, পিচলৈ আটাইখনে কথাটো মানি লোৱাদি ল'লে। সুমলাই গিৰিয়েকৰ লগত ঘৰ কৰি নেপালেই। গিৰিয়েকেও কথাটো তেনেই সহজভাৱে ল'লে!

"এই ৰত্নধৰৰ পৰিয়ালটো আবাৰ জোঁৱাইৰ ঘৰ বুলিয়েই সদায় কোৱা হৈছিল—" আইতাই ক'লে, "সুমলা মৰাৰ পিচত সুমলাৰ ভনীয়েক অৰ্থাৎ সুভদ্ৰাৰ জীয়েক ৰহিমলাকো তেওঁলৈকে দিয়া হৈছিল। ল'ৰাটো হেনো বৰ ভাল আছিল।"

এনেকৈয়ে দিন গৈ থাকিল। ভোগাইৰ আৰু কেইবাটাও ল'ৰা-ছোৱালী হ'ল। জাকৰুৱা ঘৰখনত "বাইদেউ" নামৰ ৰহস্য এটা হৈ সুমলা থাকি গ'ল। ঘৰৰ সকলোৱে, আনকি ভোগাই আৰু সুভদ্ৰাইও 'বাইদেৱেক'ৰ হাতত ঘৰখনৰ সকলো এৰি দিলে। বুঢ়া বৰ্হমচৰীয়াইও 'দেউতা' বা 'আইদেউ'ক নুসুধি 'সুমলা আইটি'ক হে দিহা-ভাৰসা সোধে।

তাৰ পিচতেই হেনো দেশখন মানৰ দিনৰ ধামখুমীয়াত পৰিল। সৰ্বব্যাপী এই উৎপীড়নত ব্যক্তিগত সমস্যাবোৰ যেন তল পৰিল। সকলো ছেদেলি-ভেদেলি হ'ল। উজনিত হোৱা অত্যাচাৰৰ বতৰা পায়েই ৰাইজ ভাগিবলৈ আৰম্ভ কৰিলে। ভোগাইৰ তেতিয়া বয়স তিনিকুৰিৰ ওপৰ। তেওঁলোকো ভটীয়াই যোৱাটোকেই ঠিক কৰিলে। সন্তোষ বঙাল নামৰ কোনোবা এজনে বোলে ভাটী ৰংপুৰলৈ যোৱাৰে দিহা কৰি দিলে। সকলো সাজু হ'ল। সুমলা কিন্তু যাব নুখুজিলে। তাই কওঁতে একো নক'লে, আনকি জুৰাইকো যাবলৈ হকা-বধা নকৰিলে। কিন্তু দেউতাকৰ তাৰপৰা ওলাই গৈ তাই গিৰিয়েকৰ ঘৰ পালেগৈ। জীৱনত প্ৰথম বাৰৰ বাবে তাই নিজৰ আগ্ৰহতে গিৰিয়েকৰ ঘৰলৈ গ'ল। এইবাৰ আৰু মাজত তাইৰ মৰমৰ চেৰাব নোৱাৰা দেওনা—তাইৰ ভায়েক আৰু নাই। প্ৰথম বাৰৰ বাবে তাইৰ আৰু গিৰিয়েকৰ মাজত থকা নিষেধ এটা যেন আঁতৰি গ'ল। গিৰিয়েকেও এনে দুৰ্যোগৰ দিনতো ঘৰ এখন পাতিবলৈ পাই এটা অদ্ভুত আনন্দ পালে।

"তহঁতে নেজান জানো," আইতাই ক'লে, "খৰঙি চুকত ৰাইজে এবাৰ মানক ভেটিছিল। মহগড়ৰ দৰে তাত ৰজাঘৰীয়া মানুহ তেনেকৈ নাছিল। ৰাইজেই ভেটিছিল। তাত সুমলাই আগ ভাগ লৈছিল। ৰত্নধৰেও। তাই তিৰোতা মানুহ হৈয়ো যিহে ৰণচালি ধৰিছিল—আটাইখনে তাইক মোৱামৰীয়া ৰাধাৰুকুণীৰ অৱতাৰহে বুলিছিল।"

আইতা অলপ ৰ'ল। তাৰ পিচত আকৌ ক'লে, "পিচে দোৱনীয়াহঁতে ছল কৰি সুমলাক ধৰালে। তেতিয়া প্ৰায় দুকুৰি বছৰ বয়সত প্ৰথম বাৰৰ বাবে সুমলা সগৰ্ভা আছিল। তাৰ পিচততো কৈছোঁৱেই মানে কেনেকৈ সুমলাক মাৰিলে।"

তাৰ পিচত আইতাৰ মুখত শুনিলোঁ মানৰ দিনৰ কাহিনী। সৰুতে বুৰঞ্জীত পঢ়া আগৰ ঘটনা কিছুমানে যেন একোখন জীৱন্ত ছবিৰ ৰূপ ল'লে। যোৰহাট গুৱাহাটীতে ৰজা ভঙা পতা। উজনি নামনিত এটা ৰাজপৰিয়ালৰ মাজত

শেষ হৈ যোৱা ৰাজ্য এখনৰ ভাগবটৰা....ইত্যাদি।

তাৰ পিচত খাচপুৰৰ কছাৰী প্ৰজাৰ গাত হাত দিয়াত কোম্পানী আহিল। চাহাববোৰে হিন্দুস্থানী চিপাহী আনি মানবোৰক খেদিলে। কোম্পানীৰ দিন হ'ল। লাহে লাহে ৰাজ্যখনেই কোম্পানীৰ হ'ল। দিহাদিহি ভাগি যোৱা মানুহবোৰৰ কোনো উভতি আহিল, কোনো নাহিল। ইয়াৰ মানুহ গৈ ভাটী ৰংপুৰত বহিল গৈ। কোনো গৈ পালেগৈ খাচপুৰ, তাৰাপুৰ। খৰাঙি অঞ্চলতো কেইঘৰমান নতুন 'ভালমানুহ' বহিল।

মানুহ নামৰ তাচপাত কিছুমান যেন নতুনকৈ সজাই নতুন খেল আৰম্ভ কৰিলে বুৰঞ্জীয়ে।

ভোগাই জুৰাইহঁত উভতি আহিল ভাটী ৰংপুৰৰ পৰা। কিন্তু জৰাজীৰ্ণ ভোগাই আৰু বেছিদিন নাবাচিল। একাঙ্গী বেমাৰত ছমাহমান পৰি থকা ভোগাইক দেখি তেতিয়া সাত শতুৰুৰেও চকুলো টুকিছিল।

দেশ শান্ত হ'ল। ৰঙা টুনীবোৰৰ পিচত আহিল ক'লা কোটচোলা পিন্ধা চাহাব কিছুমান। ৰঙা টুনী অৰ্থাৎ চিপাহী চাহাববোৰে দেশৰ কোনো শাসন পদ্ধতিৰ ফালে চকু দিয়া নাছিল। এই ক'লা কোট পিন্ধাবোৰ অহাৰ পৰাহে আচল কোম্পানীৰ ৰাজত্ব আৰম্ভ হ'ল। দেশ চলাবলৈকে হেনো তেওঁলোকক ধন লাগে। এটা নতুন ব্যৱস্থাৰ প্ৰচলন হ'ল। অৰ্থাৎ খাজনা। প্ৰথমে লগালে মানুহমূৰী খাজনা। মুনিহৰ পৰা তিৰীৰ আধা, গামোছা নিপিন্ধাৰ মাফ। এই নতুন ব্যৱস্থা মানুহৰ কিবা অসজা লাগিল। তাহানি বঙালৰ চুবাদাৰৰ চিপাহীয়েও বোলে কোচ হাজো পৰগণাত মানুহ মূৰী খাজনা তুলিছিল। খৰাঙি, মৰঙি, উজনিৰ কোনেও এনে কৰৰ কথাকে শুনা নাছিল। ধনী দুখীয়া সকলোৱে এই খাজনা দিবলগীয়া হোৱাত দুখীয়াৰ হ'ল হাহাঁকাৰ আৰু ধনীয়ে বোধ কৰিলে সন্মানৰ হানি। ছালছিগা এটায়ো আমাৰ সমানে ৰাজকৰ দিবনে! তাৰ পিচত আৰম্ভ কৰিলে নাঙলৰ কৰ। নাঙলৰ কৰে অৱশ্যে অৰ্থনৈতিক ভাৰসাম্য কিছু আনি দিলে। যাৰ নাঙল যিমান তাৰ খাজনাও সিমান। যাৰ নাঙল নাই, তাৰ কৰো নাই। নাঙলৰ পৰিমাণেৰে

মাটিৰ পৰিমাণ নিৰ্ণয় কৰিছিল হবলা। তাতো ৰজাঘৰ প্ৰজাঘৰ ক'তো স্বস্তি নহ'ল। জুৰাই বৰুৱালৈ যেতিয়া কেইখন নাঙল আছে তাৰ অনুসন্ধান আহিল, তেওঁতো খঙেৰে কৈয়েই দিলে,

"মই কিবা হাল বাওঁনে কেইখন নাঙল আছে জানিবলৈ? দঢ়ীয়া ৰামচৰণে জানে নেকি সোধাহঁক।"

দঢ়ীয়া ৰামচৰণ বৰ্হমচৰীয়াৰ ল'ৰা। মানভগনতে বুঢ়া বৰ্হমচৰীয়া মৰিল। আচলতে ৰামচৰণ আছিল গাইমুৰা—দাঢ়ি গোঁফ নাই। সেই বাবে গাৱঁৰ আটায়ে তাক দঢ়ীয়া বুলি জোকায়। বৰ্হমচৰীয়াৰ দৰেই জুৰাই বৰুৱাৰ ঘৰৰ দায়িত্ব এতিয়া তাৰেই।

নাঙলৰ কৰো নিটিকিল। ইতিমধ্যে দেশলৈ আৰু বহুতো শৃঙ্খলা আহিছে। আৰম্ভ কৰিলে মাটিৰ খাজনা। তাহানি মোমাইতামুলী বৰবৰুৱাৰ আৰ্হিতে মাটিৰ ভাগ বিভাগ কৰিলে ৰূপিত, ফৰিঙতি ইত্যাদি। বঙ্গদেশৰ দৰে চিৰস্থায়ী বন্দৱস্ত নকৰি ৰায়ৱাৰী নিয়ম কৰিলে। পুৰণি ভাল মানুহ চাই একোজন মৌজাদাৰ পাতি খাজনা তোলাৰ দায়িত্ব দিলে বছৰেকীয়া হিচাপত। সেই বাবেই জমিদাৰী প্ৰথাই সৃষ্টি কৰাদি এদল উপস্বত্ত্বভোগী মানুহৰ সৃষ্টি ইয়াত নহ'ল।

ভোগাইহঁতৰ ভাগতো পৰিল এনে এটা বাব। তিনিখন মৌজাৰ তেওঁলোক মৌজাদাৰ হ'ল। নগাৱঁৰ মানুহে মৌজাদাৰক বিষয়া বোলে, কাৰণ, আগৰ বিষয়া শ্ৰেণীৰ পৰাই মৌজাদাৰ পতা হৈছিল।

জেদী অমিতব্যয়ী স্বভাৱৰ কাৰণে জুৰাই বৰুৱাৰ মৌজা এখন এখনকৈ আনৰ হাতলৈ গ'ল। ভৰ বয়সতে এবাঁহ ল'ৰা-ছোৱালী থৈ জুৰাই বৰুৱা ঢুকাল। পুতেক নিৰাময়ৰ হাতত থাকিল মাত্ৰ এখন মৌজা-মিকিৰৰ হাট।

তাৰ পিচতেই পৰিয়ালটোৰ ক্ষয়িষ্ণুতাৰ কাহিনী। অতীতক লৈ গৰ্ব আৰু অমিতব্যয়িতা। বিৰাট পৰিয়ালটো থান-বান হৈ পৰিল। ইতিমধ্যে ইংৰাজ চৰকাৰৰ সদৰ পুৰণিগুদামৰ পৰা খাগৰিজানত পতা নতুন সদৰ নগাঁৱলৈ উঠি গ'ল। কলিয়াবৰ অঞ্চলত চাহ বাগিছা খোলা হ'ল। আটাইবোৰ

চাহাবৰ কোম্পানী। উজনিৰ পুৰণি বহুতো পৰিয়ালে যেনেকৈ চাহৰ ব্যৱসায়ত হাত দিলে—এওঁলোকে নিদিলে। নোৱাৰিলেও। তাৰ বাবে তেওঁলোকৰ নাছিল মানসিক প্ৰবৃত্তি বা ধৈৰ্য্য। দুই এজন বাগিছাৰ চাকৰিত সোমাল। কোনো কোনো খেতিয়কৰ পৰ্য্যায়লৈ নামি গ'ল। অলপ লেখা-পঢ়া শিকি কোনো কোনো চৰকাৰী চাকৰিত সোমাল—পেচকাৰ, নাজিৰ, দুই এজন চিৰস্তাদাৰ।

"আৰু বাখৰ বৰাৰ ঘৰ?" আইতাক সুধিলোঁ।

"মানৰ দিনৰ কালছোৱা তেওঁলোক ক'ত কেনেকৈ থাকিল বৰকৈ গম পোৱা নগ'ল,"—আইতাই ক'লে, "তেওঁলোক কিছুদিন গুৱাহাটীত, তাৰ পিচত গোলাঘাটৰ মৰঙীয়াল শইকীয়াৰ আশ্ৰয়ত আছিল বোলে। শইকীয়াৰ ঘৰৰ লগত কিবা বিয়া-বাৰুৰ সম্বন্ধও হৈছিল।"

তাৰ পিছত আইতাই কৈছিল দুপুৰষৰ পিচত কেনেকৈ দুজন ভাই-ককাই বাখৰৰ পুৰণি ভেটিলৈ, ন-নৈ লৈ উভতি আহিল। বাখৰৰ ঘৰৰ প্ৰতাপৰ কোনো চিন আৰু তেতিয়া নাই। ন-নৈ মৌজাটোও তেতিয়া খৰঙি ঠাকুৰে তুলাৰাম নামৰ এজনে খাইছিল।

সেই ভাই-ককাই দুজনৰ ডাঙৰজন অপুত্ৰক হৈ ঢুকাল, সৰু জনৰ ল'ৰা এটি এজন বঙালী সাধু মানুহৰ আশ্ৰয়ত ডাঙৰ দীঘল হ'ল। শিক্ষা-দীক্ষা পালে আৰু চৰকাৰী চাকৰি কৰি গুৱাহাটীতেই থাকি গ'ল.....হেমন্তই বিয়া কৰাব খোজা ছোৱালীজনী নমিতা সেই ঘৰৰে ছোৱালী! ন-নৈৰ মানুহে তেওঁলোকৰ কথা পাহৰিয়েই পেলালে। এতিয়াও ন-নৈৰ মৌজাদাৰৰ পুৰণি জমাবন্দী বহীত তেওঁলোকৰ নাম দেখা যায় বোলে।

আইতাই আৰু খুঁটি-নাটি বহুতো কথাই কৈছিল। বেবেজীয়াৰ বিৰহ হাজৰিকাৰ পৰিয়ালৰ লগত আমাৰ সম্বন্ধৰ কাহিনী। বিৰহ হাজৰিকাই কেনেকৈ একেটা ঢকাতে বাঘ এটা মাৰিছিল, তাৰ কথা। মান ভগনত উঠি অহা এখন সম্পূৰ্ণ গাৱঁৰ মুখীয়াল ভগনীয়া চুকৰ বৰদলৈ ঘৰৰ লগত আমাৰ অন্তৰঙ্গতা। তেওঁলোকৰ অভিনয় আৰু নাট্য প্ৰতিভাৰ কথা। তাৰ

পিছত কঢ়াল, টুকৰিয়ালৰ লগত হোৱা বৈবাহিক সম্বন্ধ। কেনেকৈ শ্ৰীধৰ মৌজাদাৰে আৰৈ চাউল এটাতে নিজৰ নামটো লিখাই আনিছিল...ইত্যাদি।

আমাৰ আজো ককাদেউতা নিৰাময় মৌজাদাৰে কেনেকৈ চৰকাৰী চাপৰাচ মোহৰ হেৰুৱাই, তাৰেই মৰীয়া মানুহ এজনৰ হতুৱাই চাপৰাচ কটাই তাৰে মোহৰ মাৰি কাম চলাওঁতে ধৰা পৰি বাব হেৰুৱালে। কেনেকৈ তেওঁ নাৱেৰে গুৱাহাটীলৈ গৈছিল কমিচনাৰ চাহাবৰ ওচৰত আপীল কৰিবলৈ। উকীল মহৰীৰ বেহু পাৰ হৈ কমিচনাৰ চাহাবক দেখা কৰিবলৈ পোৱাৰ আগতেই তেওঁ কেনেকৈ সৰ্বস্বান্ত হৈ উভতি গৈছিল—হতাশাত তেওঁ ভৰ বয়সতে কেনেকৈ ঢুকাল....

মই জানো অসমৰ 'ভালমানুহ' নামৰ শ্ৰেণীটোৰ মোটামুটি প্ৰকৃতি এনেকুৱাই—'আইতাই' এনেকুৱা বহুতো সাধু ক'ব পাৰে। সামন্ত যুগৰ ডা-ডাঙৰীয়া বা-বিষয়াবিলাক এনেকৈয়ে লাহে লাহে জীৱিকা অৰ্জনকাৰী মধ্যবিত্ত শ্ৰেণীৰ ৰূপ ললে....

"বৰমইনা," আইতাৰ মাতত মোৰ চিন্তাৰ আঁতডাল আকৌ ছিগিল, "তই ছোৱালীজনীৰ ফটো এখন আনিছ নহয় ?"

"কাৰ আইতা ?"

"কিয় ? হেমন্তলৈ আনিব খোজা তাইৰ—নমিতাৰ। অ' তই হবলা পুৰণি কথাৰ মেৰপাকত আচল কথাটো পাহৰিয়েই গ'লি ?"

মই অলপ লাজ পোৱাদি পালোঁ। ক'লোঁ, "ফটো এখন আছে। পিচে তুমিতো দেখিছাই চাগৈ।"

"নহয় অ'। সেই কেতিয়াবাতে দেখা। তাই তেতিয়া ফৰক এৰিছে কি নাই। আছে যদি দেচোন, চাওঁ।"

মধ্যবিত্ত সংসাৰৰ নিয়ম অনুযায়ী মই নমিতাৰ ফটো এখন লৈ আহিছিলোঁৱেই। এই বিয়াৰ ফটো বেছ মজাৰ বস্তু সঁচায়ে। ৰি-টাচ্ কৰি ধুনীয়াকৈ দিয়ে স্টুডিঅ'বোৰে। আগতে এনে ফটোৰ চাহিদা বৰ আছিল—এতিয়া কমিছে হবলা।

"এটা কথা হ'ল, বুজিছ," আইতাই ক'লে।

মই ফটোখন উলিয়াই দি ক'লো, "কি কথা আইতা ?"

আইতাই ফটোখন লৈ কিছুপৰ চাই ৰ'ল।

আইতাৰ মন কুমলিছে নেকি ?

কিন্তু আইতাই মোক ফটোখন ওভতাই দিলে। মুখত কোনো ভাবৰ প্ৰকাশ নাই।

আইতাই খিৰিকিৰে বাহিৰলৈ চাই থাকিল।

খিৰিকিৰ ফ্ৰেমত ৰাতিৰ আকাশ।

মই আকৌ ক'লো, "কি কথা আইতা ?"

মোৰ ফালে নোচোৱাকৈয়ে আইতাই ক'লে, "কালি ৰাতি মোৰ টোপনি খতি হ'ল নহয়।"

মই লৰালৰিকৈ ক'লো, "হয় আইতা, আজিও ৰাতি ভালেখিনি হ'ল। তুমি শোৱা, মই যাওঁ।"

"নহয়, শুন। আজি দুপৰীয়া মোৰ চিলমিলকৈ টোপনি আহিছিল।"

"হয় আইতা, মই দুপৰীয়া এবাৰ তোমাৰ ওচৰলৈ আহিছিলোঁ। তুমি শুই আছিলা।"—মই ক'লোঁ।

"মই বৰ কিবা সপোন এটা দেখিলোঁ বোপাই। মই হেনো দুপৰীয়া শোৱাতে—এই কোঠাটোত শুই আছোঁ। লাহে লাহে মোৰ গাটো যেন মাটিৰ লগত মিলি গৈ আছে। মই কিন্তু সকলো গম পাই আছোঁ। ভয়ো লগা নাই, চিন্তাও লগা নাই। মই যেন জীয়াইও থকা নাই—মৰাও নাই। কেৱল মাটিৰ লগত মিলি গৈ আছোঁ, মাটি হৈ গৈ আছোঁ, মাটি। কেউফালে বন গজিছে—মোৰ গোটেই গাটো মিহি মিহি দুবৰি বনেৰে ভৰি পৰিছে। তাৰ মাজেদিয়েই, মোৰ ঠিক এইখিনিয়েদিয়েই," এই বুলি আইতাই বুকুখন দেখুৱালে, "বুকুৰ এইখিনিৰ মাজেৰে গজি আহিছে এজোপা বন-নহৰু, তাত এটা বগা ক'লি।"

সেই ফুলজোপাৰ শিপাৰে মই যেন নামি গৈ থাকিলোঁ—আৰু এতৰপ

মাটি! সেইটো যেন কাৰোবাৰ গা—জীয়া গা—কিন্তু মোৰ দৰেই মাটি হৈ আছে। সেই মাটিখিনিয়ে—সেই গাটোৱে যেন মোক ক'লে—'তইঁতৰ বাবে মই ঠাই কৰি দিলোঁ—তই এই বন-নহৰু পাহ গজি যাবলৈ দে—'

"মোৰ বুকুৰ মাজেৰে বন-নহৰু জোপা গজি ফুলি উঠিল। তাৰ এটা গোন্ধ আহি মোৰ নাকত লাগিলহি।

"বৰ চিনাকি গোন্ধ-কিবা বহুত গোন্ধ মিহলি তাত—" আইতাই ভাবি ভাবি কৈ গ'ল, "সেই গোন্ধটো যেন পাইছিলোঁ মোৰ বিয়াৰ দিনা হোমৰ কাষত— ককাদেউতাবৰ শৰাধৰ পিণ্ডত,দেউতাৰৰ অন্নপ্ৰাশনৰ পায়সত—তোৰ, হেমন্তৰ গাখীৰ খোৱা কেঁচুৱা মুখত..."

আইতাৰ বিষণ্ণ মুখখনলৈ মই একেথৰে চাই আছিলোঁ। লাহে লাহে তাত কিবা লাজকুৰীয়া ভাব এটা আহি হাঁহিৰ দৰে জিলিকি উঠিল। আইতাই কৈ গ'ল, "তেনেতে ক'ৰবাৰপৰা বনকৰা বগা পাটৰ কাপোৰ পিন্ধা ছোৱালী এটি আহিল। তাইৰ গোটেই গাত মিনা কৰোৱা অলংকাৰ। তাই হাতখন মেলি সেই বগা ফুল পাহ ছিঙি ললে। তেতিয়া দেখিলোঁ, তাইৰ হাতত এটা জেঠী নেগুৰীয়া আঙঠি—তাত ৰঙা ৰঙা বাখৰ—

"খক্মক্কৈ সাৰ পাই গ'লো।"

মই বুজিলোঁ, আইতাৰ পৰা এই বিয়াত মত পোৱাটো সম্ভৱ নহ'ব। অতীতৰ শিপাই আইতাৰ মনৰ ভিতৰত জাল বান্ধি আছে, হেমন্তই যি ভাল দেখে কৰক। মই ক'লোঁ, "এৰা আইতা, তোমাৰ আজিও টোপনি খতি হ'ব ক'ৰবাত। তুমি শোৱা, মই বাৰু হেমন্তক ক'মগৈ সকলো—তোমাৰ মনৰ কথা।"

মই উঠিলোঁ। আইতাই ক'লে, "তই বহচোন অলপ। মই জানো, পুৰণি কথাবোৰ বলকি বলকিয়েই মই এই সপোনটো দেখিলোঁ। আগ – গুৰি একো নাই চাগৈ এইটোৰ। পিচে, মই ফটোখন কিয় চাব খজিছিলোঁ, জান?"

"কিয় আইতা?"

"সপোনৰ ছোৱালীজনীৰ লগত নমিতাৰ চেহেৰা মিলে নে নিমিলে চাইছিলোঁ।"

"পিচে, মিলিল নে নাই?"

"নাই, ধৰিব নোৱাৰিলোঁ একো।"

"বাৰু আইতা, তুমি শোৱা এতিয়া। এইবোৰ ভাবি নেথাকিবা। মই হেমন্তক বুজাই ক'মগৈ।"

মই দ্বিতীয়বাৰ উঠিলোঁ।

"তোৰ টোপনি ধৰিছে নেকি বৰ মইনা?"

আইতাৰ কথাত মই লাজ পোৱাদি পালোঁ। ক'লোঁ, "মোৰ টোপনি ধৰা নাই, আইতা। মই কৈছিলোঁ, তুমি আৰু এইবোৰ চিন্তা কৰিব নেলাগে।"

মোৰ মুখৰ কথা কাঢ়ি আইতাই ক'লে, "ভাবিব লাগে, বৰ মইনা। ভাবিব পৰা, ভাবিব লগা মানুহে ভাবিব নোখোজে কাৰণেই সংসাৰখন ইমান খেলিমেলি। মই এতিয়া কি ভাবিছোঁ জান? কাৰো ইচ্ছাৰ একো দাম নাই। সকলো কথা, সকলো ঘটনা হৈয়েই আছে। কাৰো ইচ্ছাৰ বাবে কোনো ঘটনা ৰৈ নাথাকিল। ভোগাই, বাখৰ, মাহিন্দ্ৰী, সুমলা—আটাইবোৰৰ ইচ্ছামতেই জানো ঘটিল? এতিয়া মই জানো, মই বিচাৰোঁ বা নিবিচাৰোঁ. তইঁতে বিচাৰ বা নিবিচাৰ—ঘটনা ঘটিবই—নিজে নিজে ঘটিব—আপুনি ঘটিব।"

আইতা ৰ'ল।

"তেনেহ'লে আইতা—"

আইতাই অদ্ভুত হাঁহি এটা মাৰিলে—

"তইঁতে নিয় যদি মই জোৰোন পিন্ধাবলৈ যাম।"

□ □ □

# সমাপ্ত

Digitized by:

Nibir Borpuzari

for

http://blogasom.blogspot.com

For more free eBooks like this keep on visiting BLOG অসম. Contribute your ebooks or other contents by mailing at-

nibirborpuzari@gmail.com